
# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbarah | |
| Title: বাঁহী | |
| Transliterated Title: Baāṅhai | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1, 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 15th) | Condition of the original: Brittle. |
| Remarks: Illustrated | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |




পঞ্চদশ বছৰ "ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে ।" ১৮৪৭ শক
১১শ সংখ্যা ফাগুন

# দেৱযান আৰু পিতৃযান

(বৃহদাৰণ্যক উপনিষদৰ ষষ্ঠাধ্যায়ৰ দ্বিতীয় ব্ৰাহ্মণ)

এইৰূপ ইতিহাস প্ৰচলিত আছে, প্ৰাচীন কালৰ কোনো এসময়ত অৰুণ ঋষিৰ পুত্ৰ আৰুণি নামক ঋষিৰ শ্বেতকেতু নামে এটি পুত্ৰ আছিল। যাবতীয় বিদ্যাশিক্ষা শেষ হোৱাত সমাবৰ্ত্তন কৰাই, অশেষ শাস্ত্ৰনিষ্ণাত পণ্ডিত-সমাজত নিজৰ পাণ্ডিত্য দৰ্শাই খ্যাতিলাভ কৰিবৰ কাৰণে পিতাক আৰুণিয়ে তেওঁক আদেশ কৰিলে। সেই সময়ত বিবিধ বিদ্যাৰ গৌৰৱ আৰু শ্ৰেষ্ঠতা বিষয়ত পঞ্চাল দেশৰ ব্ৰাহ্মণমণ্ডলী সৰ্ব্বত্ৰ প্ৰসিদ্ধ। অতএব এই বিদ্বৎ সমাজক শাস্ত্ৰবিচাৰত পৰাভূত কৰিব পাৰিলে সুখ্যাতি পোৱা যাব বুলি ভাবি শ্বেতকেতু তদুদ্দেশ্যে পঞ্চাল দেশলৈ গল। শ্বেতকেতু অত্যন্ত মেধাবী আৰু প্ৰগাঢ় পণ্ডিত, গতিকে পঞ্চাল দেশৰ পণ্ডিতসকলক বিচাৰত অনায়াসে পৰাস্ত কৰি ৰাজাৰসহিত ৰাজপণ্ডিতসকলকো ঘটাবলৈ সগৰ্ব্বে আগবাঢ়িলে। জীবল ৰাজপুত্ৰ মহীপতি প্ৰবাহন এই সময়ত পঞ্চালৰ অধিপতি। এওঁ নিজে সৰ্ব্বশাস্ত্ৰনিষ্ণাত বিদগ্ধ পণ্ডিত। শ্বেতকেতুৰ অত্যন্ত বিদ্যাগৰ্ব্বৰ কথা তেওঁ আগেয়ে জানিব পাৰিছিল। তেওঁ ৰাজসভাত উপবিষ্ট আছে, ভৃত্যবিলাকে যথাৰীতি সেৱা-শুশ্ৰূষা কৰিছে; এনে সময়তে শ্বেতকেতু আহি সভাত উপস্থিত হল। কিন্তু যেই অৱস্থাতে হওক, ব্ৰাহ্মণৰ গৰ্ব্ব নিন্দনীয় আৰু অনিষ্টকাৰক; অতএব বিনীত কৰি তেওঁৰ উপকাৰ সাধন উচিত জানি, নৃপতি প্ৰবাহনে আগত দেখা মাত্ৰে—'অহে কুমাৰ!'...বুলি শ্বেতকেতুক তিৰস্কাৰ স্বৰে সম্বোধন কৰিলে। অৱজ্ঞাসূচক সম্বোধনত তেৰোঁ ঈষৎ ক্ৰুদ্ধ হৈ গুৰুৰ

প্ৰতি প্ৰযোজ্য "ভোঃ..." এই অনুচিত * উত্তৰ কৰিলে। বিদ্যাবিনয়সম্পন্ন, নিতান্ত সাধু ঋষি আৰুণিয়ে পুত্ৰৰ প্ৰতি নিৰতিশয় বাৎসল্যবশতঃ বোধহয় এওঁক শিক্ষা দিয়া নাই, এনে অবিনয়ী পুত্ৰক সম্ভৱতঃ ইয়ালৈ পঠোৱা নাই; এনে ভাবি ৰাজৰ্ষি প্ৰবাহনে জিগীষু শ্বেতকেতুক সুধিলে, "তোমাৰ পিতাৰে তোমাক শিক্ষা দিছে জানো— ইয়ালৈ আহিবৰ কাৰণে আদেশ দিছে জানো?" "হয়, দিছে; বিচাৰত মোৰ জয়লাভৰ কথাতো আপুনি জানিছেই; তথাপি সন্দেহ হলে, প্ৰশ্ন কৰিব পাৰে' বুলি শ্বেতকেতুৱে প্ৰত্যুত্তৰ দিয়াত প্ৰবাহনে সুধিলে:— (প্ৰশ্নপঞ্চক)।

১। "বাৰু, যদি পিতাৰাৰপৰা শিক্ষা আৰু আদেশ পাইছা, তেন্তে কোৱাচোন একেদৰে মৃত্যুলাভ কৰিলেও মৃত্যুৰ পিছত কিছুমান একপথে যায় অৰ্থাৎ এক প্ৰকাৰ গতি পায়, আৰু আন কিছুমানে বা অন্যপথে কেনেকৈ যায়, বা কেনেকৈ অন্যৰূপ গতিপ্ৰাপ্ত হয়; ইয়াৰ কাৰণ কি, তুমি ভালকৈ জানানে?" শ্বেতকেতুৱে কলে, "নাই, মই এই বিষয়ে একো নাজানো।"

২। পুনৰ্ব্বাৰ প্ৰবাহনে সুধিলে, "বাৰু, তেনেহলে পৰলোকগত প্ৰজা কেনেকৈ পুনশ্চ সংসাৰত আহি জন্ম পায়, এই কথা তোমাৰ জনা আছেনে?" এই বিষয়েও জ্ঞান নাই বুলি শ্বেতকেতুৱে উত্তৰ দিলে।

৩। "বাৰু, তেনেহলে তুমি জানা নে, জৰজ্বাদি ৰোগত আৰু অন্যান্য বহু কাৰণে, মৃত্যুলাভ কৰিলেও সেই অসংখ্য মৃতাত্মদ্বাৰা কি কাৰণে পৰলোক পৰিপূৰ্ণ নহয়?" প্ৰবাহনে পুনশ্চ এনেকৈ সোধাত কুমাৰে পূৰ্ব্ববৎ নাজানো বুলি কলে।

৪। পুনৰ্ব্বাৰ প্ৰবাহনে সুধিলে, "শ্বেতকেতু! যিমান আহুতি (অগ্নিত) প্ৰদান কৰিলে 'আপ' পুৰুষ পদবাচ্য হৈ জন্মে আৰু জীৱিত থাকে, সেই কথা তুমি জানানে?" শ্বেতকেতুৱে নাজানো বুলিলে।

৫। প্ৰবাহনে সুধিলে, "যি কৰ্ম্মদ্বাৰা প্ৰজাসকলে 'দেৱযান' বা 'পিতৃযান' পায় সেই কৰ্ম্ম কি, তুমি জানানে? 'দেৱযান' আৰু 'পিতৃযান' এই দুই পথ নাই বুলি নাভাবিবা; ইয়াৰ অস্তিত্ব বিষয়ে আমাৰ ঋষি (মন্ত্ৰ) বাক্য শুনা আছে। দুটা পথ, মৃত মনুষ্যৰ পাৰলৌকিক আত্মা তাৰ এটা বাটে পিতৃলোকলৈ যায়, অন্যপথে দেৱলোকলৈ গমন কৰে, এই কথা আমি শুনিছো। এই মাৰ্গদ্বয়াধিকাৰীবিলাকে এই দুই পথে গৈ দেৱলোক বা পিতৃলোক প্ৰাপ্ত হয়। স্বৰ্গ মৰ্ত্ত্যৰ ভিতৰত মৰ্ত্ত্যবিলাকৰ কাৰণে হে এই দুই পথ।" শ্বেতকেতুৱে "এই পাঁচোটা প্ৰশ্নৰ মই এটাৰো উত্তৰ নাজানো" বুলি কৈ লাজত অধোবদন হল। অনন্তৰ ৰাজৰ্ষি প্ৰবাহনে বিদ্যাগৰ্ব্ব অপনীত হোৱাত লজ্জিত শ্বেতকেতুক "বাৰু, আপুনি এই আসনত বহক, পাদ্য অৰ্ঘ্য গ্ৰহণ কৰক, "বুলি কৈ সমাদৰে অভ্যৰ্থনা কৰিলে। কিন্তু কুমাৰ শ্বেতকেতু লজ্জা আৰু ক্ৰোধবশতঃ সেই অনুৰোধ উপেক্ষা কৰি দ্ৰুতপদে ঘৰলৈ উলটি আহি পিতাক কলে, "পিতা, মোৰ সমাবৰ্ত্তনৰ সময়ত আপুনি পূৰ্ব্বে মোক সকলো বিদ্যাতে বিদ্বান হোৱা বুলি কৈছিল, পাছে এতিয়া কি হল! একো কব নোৱাৰিলো দেখোন!"

ঋষি আৰুণিয়ে পুতেকৰ সক্ৰোধ বাক্য শ্ৰৱণকৰি প্ৰবাহনৰ ওচৰত পৰাজয় বুজিব পাৰি সস্নেহে কলে, "বাপা! মেধাৱী তুমি, ক্ৰোধ কৰিছা কিয়? সেই ক্ষত্ৰবন্ধু প্ৰবাহনে মোক এসময়ত পাঁচোটা প্ৰশ্ন সুধিছিল, কিন্তু মই এটাৰো উত্তৰ নজনাত কব নোৱাৰিলো। বাৰু, তোমাক তেওঁ কি কি প্ৰশ্ন সুধিছিল, কোৱাচোন। প্ৰত্যুত্তৰৰূপে শ্বেতকেতুৱে আদ্যন্ত সমস্ত বিৱৰণ বিবৃত কৰিলে। যি হওক, আৰুণিয়ে ক্ৰুদ্ধপুত্ৰক শান্ত কৰি কলে, "বৎস! মোৰ যি অলপ বিদ্যা আছে, সকলো তোমাক দিছো; তোমাতকৈ জানো মোৰ কোনোবা বেছি মৰমৰ লোক আছে? কাৰ নিমিত্তে নো মই বিদ্যাগোপন কৰিম? তোমাক সোধা ৰাজ-প্ৰশ্নপঞ্চকৰ উত্তৰময়ো নাজানো, অতএব ব'লা সেই বিদ্যালাভৰ কাৰণে আমি দুয়োজনে তেওঁৰ ওচৰত ব্ৰহ্মচাৰী হৈ বাস

* ক্ৰোধবশতঃ হঠাৎ ব্ৰাহ্মণযোগ্য সম্বোধন পদকে ক্ষত্ৰিয়ৰ প্ৰতি প্ৰয়োগ কৰা অনুচিত হৈছে বুলি মূলত উক্ত আছে।



কৰোঁগৈ।" "আপুনিয়ে যাওক, মোৰ আৰু তেওঁৰ ওচৰলৈ যাবৰ মুঠে ইচ্ছা নাই।"—পৰাজয়ত নিতান্ত লজ্জিত পুতেকে এনেকৈ কোৱাত গৌতম গোত্ৰীয় সেই আৰুণি নিজে প্ৰবাহনৰ ৰাজসভালৈ গল।*

মহীপতি প্ৰবাহনেও অতিথি আৰুণিক ভৃত্যদ্বাৰা উপযুক্ত আসন আৰু পাদ্যাদি, আৰু পুৰোহিত দ্বাৰা মন্ত্ৰপূত অৰ্ঘ্য আৰু মধুপৰ্ক, প্ৰদান কৰালে। এইপ্ৰকাৰ পূজা কৰি ৰজা প্ৰবাহনে স্বয়ং আৰুণিক "অভিমত বৰ (দান) দিওঁ, গ্ৰহণ কৰক" বুলি অনুৰোধ কৰিলে। আৰুণিয়ে কলে,—"মহাৰাজ! মই প্ৰাৰ্থনা নকৰাতো আপুনি স্বয়ং বৰ দিওঁ বুলি প্ৰতিজ্ঞা কৰিলে, অতএব প্ৰতিজ্ঞা ৰাখিবলৈ মনস্থিৰ কৰক। আপুনি মোৰ পুত্ৰৰ ওচৰত যি পাঁচোটা প্ৰশ্ন কৰিছে তাৰ উত্তৰ মোক কওক, এয়ে মোৰ বৰ।" প্ৰবাহনে কলে, "হে গৌতম! আপোনাৰ প্ৰাৰ্থিত বৰ দৈৱবিষয়ক, মনুষ্যবিষয়ক কোনো বৰহে প্ৰাৰ্থনা কৰক।" এই বুলি কোৱাত তেওঁ প্ৰত্যুত্তৰ কৰিলে, "আপুনি যি বৰ দিয়াৰ ইচ্ছা কৰে সেই সকলো বৰ মোৰ আছে, এই কথা আপুনিও জানে। প্ৰভূত ধন-হিৰণ্য, গো-অশ্ব, দাস-দাসী, বস্ত্ৰালঙ্কাৰ, পৰিজন, ইত্যাদি একেৰে মোৰ অভাৱ নাই। যি নাই তাকেহে মোৰ প্ৰাৰ্থনা কৰা উচিত, আৰু আপোনাৰো তাকেহে দিয়া উচিত। সকলোকে নানাপ্ৰকাৰ দান বিতৰণ কৰি আপুনি দানশীল বুলি প্ৰখ্যাত হৈছে; গতিকে যি দানীয় বস্তু পুত্ৰপৌত্ৰাদিক্ৰমে মোৰ বংশীয়বিলাকে পাব, যি দান প্ৰদান কৰিলে আপুনিও অনন্ত দানফল প্ৰাপ্ত হব, দানৰ বস্তু হ্ৰাস নাপাই বৰং বৃদ্ধিহে প্ৰাপ্ত হব, সেই দান দিয়াত মোৰ প্ৰতি আপুনি কদৰ্য্য (বিত্তৱে সতি অদাতা) হয়, মোৰ এনে ইচ্ছা নহয়।

তেতিয়া প্ৰবাহনে কলে,—"হে গৌতম! যদি আপুনি বিদ্যাদান পাবলৈহে নিতান্ত অভিলাষ কৰে, তেন্তে শাস্ত্ৰৰ বিধানমতে মোৰপৰা সেই বিদ্যা গ্ৰহণ কৰক।" আৰুণিয়ে কলে,—"ৰাজন! আপুনি গুৰু, মই শিষ্য; এই ৰূপে বাক্য দ্বাৰা মাত্ৰ স্বীকাৰ কৰি মই আপোনাৰ ওচৰত ছাত্ৰভাৱে থাকো। পূৰ্ব্বৰপৰাই এই নিয়ম, যে, কোনো ব্ৰাহ্মণে কদাচিৎ কোনো ক্ষত্ৰিয়ৰপৰা বিদ্যাশিক্ষাৰ্থী হলে, অথবা কোনো ক্ষত্ৰিয় কোনো বৈশ্যৰপৰা বিদ্যাশিক্ষাৰ্থী হলে, কেৱল বাক্যৰ দ্বাৰা মাত্ৰ শিষ্যত্ব স্বীকাৰ কৰে; কিন্তু ব্ৰাহ্মণগুৰুক যেনেকৈ কৰে, তেনেকৈ ফল কুসুম সমিধ (সমিৎ) প্ৰভৃতি আহৰণ বা অন্য কোনো ৰূপ শুশ্ৰূষা নকৰে।" আপদগ্ৰস্তৰতুল্য গৌতমক এইৰূপে কোৱা শুনি, আৰু ইঙ্গিতেৰে শিষ্যত্ব স্বীকাৰ কৰিবলৈ কোৱাত মনঃকষ্ট পাইছে বুজিব পাৰি, নৃপতি প্ৰবাহনে গৌতমৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰি কলে—"হে আৰুণি! আপোনাৰ পিতামহ প্ৰভৃতিয়ে আমাৰ পিতামহাদিৰ অপৰাধ কদাপি লোৱা নাই, আপুনিও আমাৰ অপৰাধ নলব। আপোনাৰ পূৰ্ব্বপুৰুষসকলৰ সচ্চৰিত্ৰ আপুনি পালিব লাগে। বৰ্ত্তমানে যি বিদ্যা আপুনি মোৰ ওচৰত মাগিছে, সেই বিদ্যা পূৰ্ব্বে কোনো ব্ৰাহ্মণে আমাৰ ওচৰত প্ৰাৰ্থনা কৰা নাই; অতএব এই বিদ্যা বৰ্ত্তমানে কোনো ব্ৰাহ্মণে নাজানে। এই কথা আপুনিও জানে, যে, এই বিদ্যা কেৱল ক্ষত্ৰিয়ৰ মাজতহে বংশানুক্ৰমে বিজ্ঞাত; গতিকে, আমাৰো সেই নিয়মপালন উচিত দেখিহে "দৈৱ বৰ এৰি, মনুষ্য বৰ লওক" বুলি কৈছিলো। এই বিদ্যা শ্ৰেষ্ঠ বিদ্যা; অতএৱ অপাত্ৰত দান নকৰি গোপনভাৱে ৰাখিব লাগে। কিন্তু আপুনি শিষ্যত্ব স্বীকাৰ কৰি যেনে বিনয় দৰ্শাইছে, এইৰূপ অৱস্থাত, অন্যলোকেও নিন্দিত বুলি কব নোৱাৰে,—আমি

* সেই প্ৰাচীন কালত বিদ্যালাভৰ নিমিত্তে কিমান আগ্ৰহ আৰু যত্ন আছিল, বৃদ্ধ আৰুণিৰ কাৰ্য্যৰপৰাই অনুমান কৰিব পাৰি। এওঁ নিজৰ ধন-মান-গৌৰৱ সকলো এৰি ক্ষত্ৰিয়ৰ শিষ্যত্ব স্বীকাৰ কৰি বিদ্যালাভৰ যত্ন কৰিছে,—

"পঞ্চাগ্নিবিদ্যা যত্নেন বৃদ্ধেনা ব্ৰাহ্মণাদপি।
হিত্বা ধনংচ মানংচ লব্ধোক্তিঃ শ্ৰুতিভিৰ্দ্বিঃ।"—সুৰেশ্বৰাচাৰ্য্যকৃত বাৰ্ত্তিকা।

যে কথ নোৱাৰো তাক কোৱা বাহুল্য মাত্ৰ; এতেকে এই গুপ্ত বিদ্যাৰ কথা আপোনাক কওঁ।" প্ৰবাহনে কলে, "হে গোতম! প্ৰথমতঃ চতুৰ্থ প্ৰশ্নৰ উত্তৰহে শুনক; কাৰণ, চতুৰ্থ প্ৰশ্নৰ উত্তৰতে অন্যান্য প্ৰশ্নোত্তৰ নিৰ্ভৰ কৰে।"

(৪ৰ্থ প্ৰশ্নৰ উত্তৰ)—"হে গোতম! এই দ্যুলোকক অগ্নি বুলি ∘ জানিব। আদিত্য ইয়াৰ প্ৰজ্জ্বলিত কাষ্ঠ—কাৰণ আদিত্যই প্ৰজ্বলিত হৈ দ্যুলোকক প্ৰদীপ্ত কৰে। সূৰ্য্যৰ অসংখ্য ৰশ্মিয়েই দ্যুলোকাগ্নিৰ ধূমৰাশি; কাৰণ, যেনেকৈ সমিধৰপৰা ধূম নিৰ্গত হয়, তেনেকৈ জ্বলন কাষ্ঠ-ৰূপ আদিত্যৰপৰাও ৰশ্মিসমূহ নিৰ্গত হয়; এই হেতু দিবা এই অগ্নিৰ অৰ্চ্চিঃ বা জ্বালা, কাৰণ অৰ্চ্চিঃ তাক আৰু দিবা উভয়ৰে প্ৰকাশৰ সাদৃশ্য আছে। দশদিক ইয়াৰ এঙাৰ। এঙাৰত যিদৰে অগ্নিৰ উপশম দেখা যায়, দিগন্ততো সেইদৰে দ্যুলোকাগ্নিৰ উপশম দৃষ্ট হয়, এই কাৰণে। বিস্ফুলিঙ্গ যেনেকৈ ইতস্ততঃ তেৰাবেকাকৈ বিক্ষিপ্ত হয়, তেনেকৈ বিদিশবিলাকো বিক্ষিপ্তৰ তুল্য দেখা যায় দেখি এই বিদিশ (দিগন্তৰাল) সমূহ পূৰ্ব্বোক্ত অগ্নিৰ বিস্ফুলিঙ্গ বা ফিৰিঙতি। যষ্টা বা কৰ্ত্তাৰ প্ৰাণাদি ইন্দ্ৰিয়াধিষ্ঠাতা অধ্যাত্ম দেৱতাবিলাকে আধিদৈৱিক দেৱতা হৈ ইন্দ্ৰাদি দেৱৰূপে এনে গুণবিশিষ্ট দ্যুলোকাগ্নিত শ্ৰদ্ধাময়ী 'আপ'ক (জল বা ৰসক) আহুতিদ্ৰব্য বা হবিস্বৰূপে হোম কৰে। এই আহুতিৰপৰা পিতৃগণ আৰু ব্ৰাহ্মণসমূহৰ অধিপতি সোমৰ বৃদ্ধি হয়। কৰ্ত্তাৰ সহিত আহুতিৰূপ এই সূক্ষ্ম "আপ"—জলীয় বাষ্পক "শ্ৰদ্ধা" বুলি কোৱা হৈছে। যষ্টা বা যাগকৰ্ত্তাৰ শৰীৰ বস্তুৰ কাৰণে এই শ্ৰদ্ধাময়ী আপৰ সোমলোকত প্ৰৱেশ কৰাকে 'হোম' কৰা বুলি কোৱা হয়। সেই যষ্টৃ শৰীৰৰ জলসমূহ দ্যুলোকত প্ৰৱেশ কৰি তাৰ শৰীৰগঠন আৰম্ভ কৰে; এই কাৰণে কোৱা হয়, দেৱতাসকলে 'শ্ৰদ্ধা' আহুতি দিয়ে আৰু আহুতিৰপৰা সোমৰ সম্ভৱ বা বৃদ্ধি হয়। কিমান সংখ্যক আহুতি হোম কৰাত 'আপ' পুৰুষৰূপে পৰিণত হয়, ইত্যাদি প্ৰশ্নৰ এয়ে প্ৰথম আহুতিবোধক উত্তৰ। অতএৱ কৰ্ম্মসমবায়িনী উক্ত 'শ্ৰদ্ধা' দ্বাৰা পূৰ্ব্বোক্তৰূপে কৰ্ত্তাৰ শৰীৰাৰম্ভকাৰক এই জলসমূহকে নিশ্চয় বুজা যায়। শৰীৰত জলীয় ভাগ অধিক; এই কাৰণেহে পূৰ্ব্বে কোৱা হৈছে যে "আপ্" পুৰুষপদবাচ্য হৈ জন্মগ্ৰহণ কৰে।" কিন্তু ইয়াৰপৰা ক্ষিতি, তেজ, মৰুৎ, ব্যোম, এই অৱশিষ্ট চাৰি ভূত আৰু শৰীৰগঠনৰ অন্য উপাদানৰ নাস্তিত্ব ভাবিব নালাগে; সকলোবিলাক থাকে, কেৱল প্ৰধানৰূপেহে জলৰ কথা উক্ত হৈছে। কৰ্ম্মফলস্বৰূপে শৰীৰ উৎপন্ন হয়, কৰ্ম্মতো জলৰে অধিক আৱশ্যক; গতিকে শৰীৰগঠনত জলৰ প্ৰাধান্যও আছে।

২। "হে গোতম! দ্বিতীয় আহুতিৰ কথা শুনক। বৃষ্টিৰ অভিমানিনী দেৱতা পৰ্য্যন্যই দ্বিতীয় অগ্নি। সংবৎসৰ ইয়াৰ ইন্ধন। বাৰ মাহ আৰু ছয় ঋতুৰ দ্বাৰা পৰিবৰ্ত্তিত হৈ পৰ্য্যন্যৰূপ অগ্নিক দীপ্ত কৰে দেখি সংবৎসৰক প্ৰজ্বলিত কাষ্ঠ বুলি কোৱা হৈছে। প্ৰধানতঃ ধূমৰপৰা হয় † আৰু ধোঁৱাৰদৰে দেখা যায়, এই কাৰণে অভ্ৰ বা মেঘক পৰ্য্যন্যাগ্নিৰ ধূম বুলি কোৱা হৈছে। অৰ্চ্চিঃ যেনেকৈ জ্বলে, বিদ্যুতো তেনেকৈ জ্বলে দেখি, বিদ্যুতেই অগ্নিৰ অৰ্চ্চিঃ বা শিখা। বজ্ৰ এই অগ্নিৰ এঙাৰ; কাৰণ, এঙাৰ আৰু বজ্ৰ উভয়ে কঠিন বস্তু; উভয়তে অগ্নিৰো উপশম হয়। মেঘশব্দ এই অগ্নিৰ বিস্ফুলিঙ্গ। অগ্নিৰ স্ফুলিঙ্গ অনেক, আৰু ইতস্ততঃ বিক্ষিপ্ত হয়: মেঘৰ গৰ্জনও অনেক আৰু ইতস্ততঃ শ্ৰুত হয়। এই সাদৃশ্যৰ নিমিত্তে মেঘধ্বনিকে বিস্ফুলিঙ্গ বুলি কোৱা হৈছে। এই পৰ্য্যন্য অগ্নিত হোতা দেৱতাসকলে পিতৃগণ আৰু ব্ৰাহ্মণৰ ৰজা সোমক আহুতি দিয়ে। এই সোমাহুতিৰপৰা বৃষ্টি জন্মে।

৩। "হে গোতম! তৃতীয় আহুতিৰ কথা শুনক। প্ৰাণীসমূহৰ জন্ম আৰু ভোগস্থান এই সংসাৰ—তৃতীয় অগ্নি। পৃথিৱী ইয়াৰ ইন্ধন। পৃথিৱীয়ে যাৱতীয় প্ৰাণীৰ সৰ্ব্বপ্ৰকাৰ উপভোগ সম্পাদন কৰি এই লোকক দীপ্ত—শোভিত কৰে; এই হেতু পৃথিৱীক প্ৰজ্বলিত হোমকাষ্ঠ বুলি কোৱা হৈছে। কাষ্ঠৰ আশ্ৰয়ত অগ্নি থাকে, কাষ্ঠৰপৰাই জ্বলে; অতএৱ লৌকিক অগ্নিও পৃথিৱীৰ আশ্ৰয়তে থাকে, পৃথিৱীৰপৰাই উঠে; এই সাদৃশ্যত লৌকিক অগ্নিকে ইহলোকাগ্নিৰ ধূম বুলি কোৱা হৈছে। ৰাত্ৰি এই অগ্নিৰ শিখা বা জ্বালা—কাৰণ পৃথিৱীৰূপ কাষ্ঠৰ সহিত ইয়াৰ সম্বন্ধ দেখা যায়। যেনেকৈ অগ্নিৰ কাষ্ঠৰ সহিত সম্বন্ধ হলে শিখা বাহিৰ হয়, তেনেকৈ পৃথিৱীৰূপ কাষ্ঠ সম্বন্ধে ৰাত্ৰি সমুদ্ভূত হয় এই হেতু। পৃথিৱীৰপৰাই যে ৰাত্ৰি হয়, এই কথা শাস্ত্ৰত উক্ত আছে। সূৰ্য্যাভিমুখিনী পৃথিৱীৰ ছাঁয়াই নৈশ অন্ধকাৰ, অতএৱ ৰাত্ৰি পৃথিৱীৰ ছায়া; এইদেখি পৃথিৱীৰপৰাই জাত বুলি বুজা যায়। অৰ্চ্চিৰপৰা যেনেকৈ এঙাৰ হয়, তেনেকৈ ৰাত্ৰিকালতে চন্দ্ৰও হয়; এই সাদৃশ্যত চন্দ্ৰ এই লোকৰূপ অগ্নিৰ এঙাৰ *। এই অগ্নিৰ বিস্ফুলিঙ্গ হৈছে নক্ষত্ৰবিলাকেই; কাৰণ, এইবিলাকক ফিৰিঙতিৰদৰে ইতস্ততঃ বিক্ষিপ্ত দেখা যায়: এই নিমিত্তে। এতাদৃশ লোকৰূপ অগ্নিত দেৱতাসকলে বৃষ্টিৰূপ আহুতি হৱন কৰে। এই বৃষ্টিৰূপ আহুতিৰপৰা অন্নৰ উৎপত্তি হয়।

৪। "হে গোতম! চতুৰ্থ আহুতিৰ কথা শুনক। হস্তপদাদি অঙ্গবিশিষ্ট পুৰুষ চতুৰ্থ অগ্নি। পুৰুষৰ বিবৃত মুখেই জ্বলন কাষ্ঠ, কিয়নো কাষ্ঠ দ্বাৰা অগ্নি যেনেকৈ দীপ্ত হয়, তেনেকৈ বিবৃত মুখৰ দ্বাৰা শাস্ত্ৰপাঠ, বাক্য-প্ৰকাশ, ৰৱ, ইত্যাদি কাৰ্য্য কৰি মুখে পুৰুষক দীপ্ত বা শোভিত কৰে। এই পুৰুষৰূপ অগ্নিৰ প্ৰাণেই ধূম, কাৰণ মুখৰপৰাই প্ৰাণাদি বায়ুৰ উত্থান দেখা যায়ঃ এই সাদৃশ্যত। বাক্য এই পুৰুষাগ্নিৰ অৰ্চ্চিঃ বা শিখা। অগ্নিশিখাই আলোক প্ৰদান কৰি যেনেকৈ ঘট-পটাদি দ্ৰব্যক প্ৰকাশিত কৰে, তেনেকৈ বাক্য বা শব্দেও শব্দ শক্তিদ্বাৰা দ্ৰব্যক প্ৰকাশিত কৰে। এই প্ৰকাশিকা শক্তিৰ সাদৃশ্যৱশতঃ বাক্য বা শব্দক অৰ্চ্চিঃ বুলি কোৱা হৈছে। চক্ষুৱেই পুৰুষাগ্নিৰ এঙাৰ; কিয়নো এঙাৰৰ লগত চক্ষুৰ প্ৰকাশৰ আশ্ৰয়ৰ বিষয়ে সাদৃশ্য আছে। কৰ্ণদ্বয় পুৰুষাগ্নিৰ বিস্ফুলিঙ্গ, কাৰণ ফিৰিঙতি যেনেকৈ চিতিকনি থাই পৰে, তেনেকৈ কাণ দুখনো বিক্ষিপ্ত হৈ পৰিছে, যেন এই সাদৃশ্য বৰ্ত্তমান আছে। হস্তাদিৰ অধিষ্ঠাতা ইন্দ্ৰাদি দেৱতাসকলে উক্তৰূপ পুৰুষাগ্নিত অন্নৰূপ (ব্ৰীহীযৱাদিৰপৰা জাত) আহুতি হৱন কৰে। এই আহুতিৰপৰা পুৰুষৰ ৰেতো ধাতুৰ উৎপত্তি হয়।

৫। "হে গোতম! পঞ্চম আহুতিৰ আধাৰৰূপ পঞ্চম অগ্নিৰ কথা শুনক। যোষিত এই পঞ্চম অগ্নি। এই অগ্নিৰ উপস্থই ইন্ধন। লোমবোৰ ধূম। ইন্দ্ৰিয়ৰ দ্বাৰা ইয়াৰ অৰ্চ্চিঃ বা জ্বালা। যিটো ভিতৰত প্ৰৱেশ কৰোৱা হয় (সঙ্গম ব্যাপাৰ) সেয়ে এঙাৰঃ উপশমৰ সাদৃশ্য হেতু। সংযোগ সময়ত যে আনন্দপ্ৰাপ্তি (সুখ-লৱ) সেয়ে বিস্ফুলিঙ্গ। এই যোষিৎৰূপ অগ্নিত ইন্দ্ৰিয়া-

∘ যোৱা পৰিণাম (বা Change?) পাক বুজুৱাবলৈ নহয়, অগ্নি (heat) নহলে পাকও নহয়; গতিকে পাবক হে সৰ্ব্বত্ৰ পাককৰ্ত্তা।

"পৰিণামোহি পাকে ন, পাকশ্চ ন বিনাগ্নিনা।
দৰ্শনাৎ পৰিণামস্য, পক্তা সৰ্ব্বত্ৰ পাৱকঃ।"—সুৰেশ্বৰাচাৰ্য্য কৃত বাৰ্ত্তিকা।

† "যজ্ঞধূমোদ্ভৱং অভ্ৰং (১) দ্বিজানাং হিতং সদা।
দাৱাগ্নিধূমসম্ভূতং অভ্ৰং বনহিতং স্মৃতম্।
মৃত ধূমোদ্ভৱং অভ্ৰম্ অশুভায় ভৱিষ্যতি।
অভিচাৰাগ্নিধূমোত্থং ভূতনাশায় বৈ দ্বিজাঃ॥
মেঘজ্যোতিঃ সলিলমৰুতাং সন্নিপাতঃ ক মেঘঃ।"
মেঘৰ ধূমজাতত্ব বিষয়ে এইবোৰ প্ৰমাণ।
(১) সৰ্ব্বসাধাৰণতে হিতকৰ—প্ৰাধান্যে হে দ্বিজৰ কথা লিখা হৈছে।



* প্ৰকৃত স্বচ্ছ চন্দ্ৰমণ্ডলকে 'চন্দ্ৰমা' বোলা হয়। এই 'চন্দ্ৰ' বা 'চন্দ্ৰমাই' ইয়াত এঙাৰ, আৰু দিব্য অগ্নিৰ আহুতিৰপৰা জাত, শুভ্ৰ আলোকমণ্ডল দ্বাৰা পৰিবেষ্টিত হ্ৰাস-বৃদ্ধিৰ অধীন চন্দ্ৰক 'সোম' বা 'সোমমণ্ডল' বোলা হৈছে। এয়ে চন্দ্ৰ আৰু সোমৰ প্ৰভেদ।

"অঙ্গাৰাশ্চন্দ্ৰমা তস্মিন্ হুতেহগ্নৌ সোমসম্ভৱঃ।
সোমচন্দ্ৰমসোৰেৱং ভেদঃ শাস্ত্ৰেণ বৰ্ণিতঃ।
চন্দ্ৰমা মণ্ডলং স্বচ্ছং চন্দ্ৰ কেনচিত্তো হি সঃ।
সোমস্ত মণ্ডলে যোহসৌ বৰ্দ্ধতে হ্ৰসতে চ যঃ।"—সুৰেশ্বৰ বাৰ্ত্তিকা।

ধিষ্ঠাতা দেৱতাসকলে ৰেতো ধাতুৰূপ আহুতি হৱন কৰে। এই আহুতিৰপৰাই পুৰুষৰ উৎপত্তি। এইক্ৰমেই দ্যুলোক, পৰ্য্যন্য, ইহলোক, পুৰুষ, যোষিৎ এই পঞ্চাগ্নিত—শ্ৰদ্ধা, সোম, বৃষ্টি, অন্ন, ৰেতোধাতু, এই পঞ্চ আহুতি সম্যকৰূপে হৱন কৰাত পক্ক হয় বা পৰিণত অৱস্থা পায় আৰু ক্ৰমে ক্ৰমে সূক্ষ্মৰপৰা স্থুল, স্থুলতৰ, স্থূলতম ৰূপ প্ৰাপ্ত হৈ 'শ্ৰদ্ধাশব্দবাচ্য আপেই' ( জলেই ) পুৰুষবাচ্য হয় অৰ্থাৎ কৰচৰণাদিবিশিষ্ট পুৰুষ-জন্ম লাভ কৰে। "কেইটা আহুতি হুত হলে 'আপ' পুৰুষৰূপে পৰিণত হৈ জন্ম লাভ কৰে?"—এই যে চতুৰ্থ প্ৰশ্ন, তাৰ উত্তৰ "পঞ্চমী আহুতি হৱন কৰা হলেই আপ পুৰুষ ৰূপ ধাৰণ কৰি জন্মলাভ কৰে"—এইটো স্থিৰীকৃত হল। এই পুৰুষ পূৰ্ব্বোক্ত প্ৰকাৰে জন্ম পাই জীৱিত থাকে। এই প্ৰাপ্ত শৰীৰত যিমানদিন কৰ্ম্মফল ভোগ কৰিব লাগে, সিমানদিন জীৱিত থাকে; কৰ্ম্ম ক্ষয় হলেই পৰলোকত কৰ্ম্মফল ভোগাৰ্থে মৃত্যুপ্ৰাপ্ত হয়।

"হে গোতম! এই পুৰুষ মৃত হলে ঋত্বিক্‌বিলাকে শেষাহুতি স্বৰূপে লৌকিক অগ্নিত তাক হৱন কৰে। আহুতীভূত এই পুৰুষৰ প্ৰসিদ্ধ লৌকিক অগ্নিয়েই তোমৰ আধাৰ অগ্নি, অন্য কল্পিত অগ্নি নহয়। প্ৰসিদ্ধ কাঠেই অগ্নিৰ কাষ্ঠ, প্ৰকৃত ধুম ইয়াৰ ধোঁৱা, আছল অৰ্চ্চিঃ ইয়াৰ অৰ্চ্চিঃ, আৰু প্ৰকৃত অঙ্গাৰ আৰু স্ফুলিঙ্গকে এই অগ্নিৰ অঙ্গাৰ আৰু স্ফিৰিঙতি বুলি জানিব। এই বিষয়ে এইবোৰ এটাও কল্পিত নহয়। এই চৰমাহুতিৰপৰা পুৰুষ ভাস্বৰবৰ্ণ—অত্যন্ত দীপ্তিশালী হৈ উঠে; কাৰণ নিঃসেক সময়ৰপৰা মৃত্যুপৰ্য্যন্ত শ্ৰৌতস্মাৰ্ত্ত বিধিমতে গৰ্ভাধান প্ৰভৃতি যাবতীয় সংস্কাৰকৰ্ম্মদ্বাৰা এই পুৰুষ সংস্কৃত আৰু পৰিপূত হয়। এই কাৰণেই মৃত্যুৰপৰা চৰমাহুতি দিয়া হলে শ্ৰৌতস্মাৰ্ত্ত মাৰ্গানুসাৰী এই পুৰুষ পূৰ্ব্বোক্ত ভাস্বৰবৰ্ণযুক্ত বা অত্যন্ত দীপ্তিশালী হৈ উঠিব পাৰে। * ॥

হে গোতম! আপুনি চতুৰ্থ প্ৰশ্নৰ উত্তৰ শুনিলে। সম্প্ৰতি এই চতুৰ্থ প্ৰশ্নমূলক প্ৰথম প্ৰশ্নৰ উত্তৰ শুনক। যি গৃহস্থই অগ্নি, ইন্ধন, ধূম, অৰ্চ্চিঃ, অঙ্গাৰ, বিস্ফুলিঙ্গ, আৰু শ্ৰদ্ধাবিবিশিষ্ট পূৰ্ব্বোক্ত পঞ্চাগ্নিৰ বিষয় সম্যক জানে—এই পঞ্চাগ্নিৰ জ্ঞান সন্ধান-যুক্ত—অৰ্থাৎ যিসকল গৃহস্থই "আমি অগ্নিৰপৰা জাত, অগ্নিৰ পুত্ৰ; অতএব আমি অগ্নি স্বৰূপ"—এনেকৈ জানে, যিসকল গৃহস্থই শ্ৰদ্ধাপূৰ্ব্বক স্ববৰ্ণ'শ্ৰমবিহিত ক্ৰিয়াৰ অনুষ্ঠান কৰে, † বা যিসকল গৃহস্থ সত্যজ্ঞানসম্পন্ন হয়, এনেকুৱা গৃহস্থবিলাক আৰু সন্ন্যাসী, বাণপ্ৰস্থী, আৰু যি পৰিব্ৰাজকসকলে শ্ৰদ্ধাসম্পন্ন হৈ হিৰণ্যগৰ্ভ ব্ৰহ্মক উপাসনা কৰে, সেই ব্ৰহ্মবিদ্‌গণ— সকলোৱে উত্তৰমাৰ্গ ( দেৱযান বা শুক্ল পথ ) লক্ষণা অৰ্চ্চিৰ অভিমানিনী দেৱতাক প্ৰাপ্ত হয়—অৰ্থাৎ পিণ্ডদানৰ পিছত সেই ভাস্বৰ পুৰুষে অৰ্চ্চিৰ (জুলাৰ শিখাৰ) অধিষ্ঠাতা দেৱতাক পায়। অৰ্চ্চিয়ে শুক্ল পক্ষাধিষ্ঠাতা দেৱক প্ৰদান কৰে, এওঁ ষণ্মাসাত্মক উত্তৰায়ণৰ অধিষ্ঠাতা দেৱক দিয়ে। তেওঁ বিদ্যুল্লোকৰ অভিমানী দেৱক প্ৰদান কৰে। যেতিয়া এই ভাস্বৰ পুৰুষ বিদ্যুল্লোক প্ৰাপ্ত হয়, তেতিয়া ব্ৰহ্মলোকবাসী ব্ৰহ্মাৰ মানসজাত কোনো এজন পুৰুষে পূৰ্ব্বোক্ত পুৰুষক ব্ৰহ্মলোকবিলাকৰ কোনো এটা লোকলৈ * লৈ যায়। এই, দৰে ব্ৰহ্মলোকপ্ৰাপ্ত সেই পুৰুষশ্ৰেষ্ঠ অৱস্থা প্ৰাপ্ত হৈ অনেকে ব্ৰহ্মকল্পান্তলৈকে বাস কৰে; ব্ৰহ্মলোকগত পুৰুষৰ এই সংসাৰলৈ তেতিয়ালৈকে পুনৰাগমন নহয়।

যিবিলাক গৃহস্থৰ জ্ঞানলাভ হোৱা নাই, এই পঞ্চাগ্নিৰ বিষয় সম্যক নাজানে, কেৱল সকামভাৱে অগ্নিহোত্ৰ, যাগ, যজ্ঞ, দান, তপস্যা, চান্দ্ৰায়ণাদি ব্ৰত, উপবাস, ইত্যাদি যাবতীয় শ্ৰৌতস্মাৰ্ত্ত শুভকৰ্ম্মৰ অনুষ্ঠান কৰে, তেওঁলোকে মৃত্যুৰ পিছত, পিণ্ডদানৰ পিছত, প্ৰথমতঃ ধূমাভিমানী দেৱক পায়। তেওঁ ৰাত্ৰিৰ অভিমানী দেৱৰ ওচৰলৈ এই মৃতাত্মাবিলাকক লৈ যায়। ৰাত্ৰ্যভিমানী দেৱে এই আত্মাবিলাকক নি কৃষ্ণপক্ষাধিষ্ঠাতা দেৱক প্ৰদান কৰে। তেওঁ ষণ্মাসাত্মক দক্ষিণায়নৰ অধিষ্ঠাতা দেৱক প্ৰদান কৰে। দক্ষিণায়নাধিষ্ঠাতা দেৱে পিতৃসকলক প্ৰদান কৰে। তেওঁলোকে এই পুৰুষবিলাকক চন্দ্ৰলোকলৈ লৈ যায়। চন্দ্ৰলোকত এই পুৰুষবিলাকে দেৱসকলৰ উপভোগ্য হলেও সুখে অৱস্থান কৰে। যেনেকৈ যজ্ঞত ঋত্বিক্‌সকলে ৰাজা সোমক ( সোমৰসক ) বাৰংবাৰ আলোড়ন কৰি চমসেৰে পান কৰি ক্ৰমে ক্ৰমে ক্ষয় কৰে, তেনেকৈ দেৱতাবিলাকেও চন্দ্ৰলোকলৈ যোৱা এই সকামকৰ্ম্মকাৰী পঞ্চাগ্নিজ্ঞানবিহীন পুৰুষবিলাকক নানাৰূপে ভোগ কৰে অৰ্থাৎ নিজৰ কামত লগায়। পাছে যেতিয়া সোমলোকপ্ৰাপক আৰু সোমলোকত ভোগ্য সকামকৰ্ম্মবিলাকৰ ফলৰ ক্ষয় হয়, তেতিয়া অৱশিষ্ট ফলভোগৰ কাৰণে সেই পুৰুষবিলাকে—অত্যন্ত উত্তাপত জল যেনেকৈ বাষ্প হয় তেনেকৈ— প্ৰসিদ্ধ আকাশৰ তুল্য সূক্ষ্ম জলীয়ৰূপে পৰিণত হৈ, আকাশৰ পৰা অপৃথকভাৱে আকাশস্বৰূপে কিছুকাল অৱস্থান কৰে। এই সূক্ষ্ম জলীয়াৱস্থাই পূৰ্ব্বোক্ত শ্ৰদ্ধা বা 'আপ'। এই 'আপ' বা 'শ্ৰদ্ধা'কে দ্যুলোকৰূপ অগ্নিত দেৱতাবিলাকে আহুতি দিয়া বুলি আগেয়ে কোৱা হৈছে। এই 'আপ' বা জলেই সকাম কৰ্ম্ম কৰোঁতাৰ ( অথচ ব্ৰহ্মজ্ঞানহীনৰ ) ভাৱী শৰীৰৰ প্ৰথম আৰম্ভও। আকাশৰূপৰপৰা বায়ুৰ লগত বায়ুৰূপে ইতস্ততঃ সঞ্চাৰিত হৈ বৃষ্টিৰ লগ পায়। এই বৃষ্টিসঙ্গ পোৱাই পৰ্য্যন্য অগ্নিত আহুতিদান। বৃষ্টিৰপৰা পৃথিৱীত পতিত হৈ ব্ৰীহী, যব, প্ৰভৃতি বহুপ্ৰকাৰ অন্ন, অন্নৰপৰা পুৰুষৰ ধাতুত পৰিণত হৈ, পুনশ্চ স্ত্ৰীৰ উদৰত পুৰুষৰূপ প্ৰাপ্ত হৈ জন্মগ্ৰহণ কৰে। জ্ঞানসাধনাশূন্য, কেৱল শুভ সকামকৰ্ম্মকাৰীয়ে এই দৰে, ঘটীযন্ত্ৰৱতুল্য এই সংসাৰলৈ স্বৰ্গসুখভোগৰ পিছত পুনঃ পুনঃ অহা-যোৱা কৰে। যিবিলাকে এই দুই যানৰ কথা নাজানে, অৰ্থাৎ যিবিলাকে উত্তৰমাৰ্গপ্ৰাপক পঞ্চাগ্নি সাধন বা ব্ৰহ্মজ্ঞান নাপায়, কিংবা দক্ষিণ মাৰ্গ (পিতৃযান) প্ৰাপক সকামভাৱেও অগ্নিহোত্ৰাদি শ্ৰৌতস্মাৰ্ত্ত কৰ্ম্মৰ অনুষ্ঠান নকৰে, অৰ্থাৎ যিবিলাকে এই দুই পথৰ এটাৰো অৱলম্বন নকৰে, সেইবোৰ গৃহস্থ মৃত্যুৰ পিছত কৰ্ম্মফলৰ পাৰ্থক্য অনুসাৰে দংশ, মশক, কীট, পতঙ্গ, প্ৰভৃতি নিকৃষ্ট জন্ম প্ৰাপ্ত হয়। অতএব ( জ্ঞান-কৰ্ম্মাদিৰ অভাৱ হেতু ) জৰাজৰাদি ৰোগে বা অন্য কাৰণে মৃত্যুমুখত পতিত অধিকাংশ পুৰুষে দংশ-মশকাদি জন্ম পোৱাৰ কাৰণেই ব্ৰহ্মলোক বা চন্দ্ৰলোক কদাপি পূৰ্ণ নহয়। এইৰূপে যাবতীয় প্ৰশ্নৰ উত্তৰ নিশ্চিতৰূপে কোৱা হল।

* ব্ৰাহ্মণ শুক্লবৰ্ণ, ক্ষত্ৰিয় নবাৰ্কবৎ ৰক্তবৰ্ণ, বৈশ্য কনক গৌৰ বৰ্ণ, আৰু তদ্ভিন্ন অপৰসকল নীলী বা কৃষ্ণবৰ্ণ বুলি যে পুৰ্ব্বৰ পৰা প্ৰসিদ্ধ আছে, সেইটো ইহশৰীৰৰ বাহ্য দেহৰ বৰ্ণ বুলি অনেকে ভ্ৰম কৰে। প্ৰকৃতপক্ষে এই শুক্লাদিবৰ্ণ উপযুক্ত পাৰত্ৰিক দেহৰ (সূক্ষ্ম দেহৰো) বৰ্ণ হে। এই কাৰণে পিণ্ডদানৰ সময়ত পিত্ৰাদিৰ ৰূপ চিন্তা কৰোঁতে শুক্লাদিবৰ্ণবিশিষ্টৰূপ চিন্তাৰ কথা শাস্ত্ৰত পোৱা যায়। কিন্তু এই পাৰত্ৰিক দেহৰ বৰ্ণও সকলো ব্ৰাহ্মণৰে উজ্জ্বল শ্বেত বা সকলো ক্ষত্ৰিয়ৰে উজ্জ্বল ৰক্তবৰ্ণ ইত্যাদি হব নোৱাৰে; তাৰ কাৰণ, প্ৰত্যেকৰ শুভাশুভ কৰ্ম্মৰ ন্যূনাধিক বা তাৰতম্য হেতু বৰ্ণব্যত্যয় নহৈ নোৱাৰে। তথাপি যে জাতিৰ বিভিন্নতা অনুসাৰে বৰ্ণবিভিন্নতাৰ কথা উক্ত আছে, সেইটো গড়হিছাপে বুলিহে প্ৰতীত হয়। শুক্ল ৰক্তাদিৰ মূল কাৰণ অৱশ্যে সত্বৰজস্তমো গুণাদিও।

† "ব্ৰহ্মণঃ স্থানমাপ্নোতি যথা স্বাশ্ৰম কৰ্ম্মভিঃ।

সন্ন্যাসাদ্ ব্ৰহ্মণঃ স্থানং তথাচ স্মৃতিশাসনম্ ॥"—সুৰেশ্বৰাচাৰ্য্যৰ বাৰ্ত্তিকা।

ব্ৰহ্মচাৰীসকলৰ 'দেৱযান'প্ৰাপ্তিৰ কথা অন্যত্ৰ উক্ত আছে, গতিকে ইয়াত তেওঁলোকৰ কথা ধৰা নাই।



* ব্ৰহ্মলোকৰো তাৰতম্য আছে। সাধনাৰ তাৰতম্য অনুসাৰে, শুভাশুভ কৰ্ম্মকাৰীৰ কৰ্ম্মফলপ্ৰাপ্তিৰো তাৰতম্য হয়। গতিকে "ব্ৰহ্মলোকসকল" বুলি বহুবচন দিয়া হৈছে। কৰ্ম্মফলৰ বা জ্ঞানৰ ( বা সাধনাৰ ) তাৰতম্যানুসাৰে উৰ্দ্ধ বা অধোগতিৰো সময়ত তাৰতম্য সংঘটিত হয়।

সুখবোধৰ কাৰণে উক্ত অগ্নি প্ৰভৃতিৰ এটা তালিকা দিয়া হল। বৃহদাৰণ্যক আৰু ছান্দোগ্য এই দুইখন উপনিষদতে অধ্যাদি প্ৰায় একেৰকম। ছান্দোগ্যত যি অলপ পাৰ্থক্য আছে, বন্ধনীৰ মাজত তাক দেখোৱা হৈছে।

| | | ১ম | ২য় | ৩য় | ৪ৰ্থ | ৫ম |
|---|---|---|---|---|---|---|
| ১। | অগ্নি | দ্যুলোক | পৰ্য্যন্যদেৱ | এই লোক (পৃথিবী) | পুৰুষ | যোষিৎ |
| ২। | ইন্ধন বা প্ৰজ্বলিত কাষ্ঠ | আদিত্য | সংবৎসৰ (বায়ু) | পৃথিবী (সংবৎসৰ) | মুখ (বাক্) | উপস্থ |
| ৩। | ধূমৰাশি | সূৰ্য্যৰশ্মি | অভ্ৰ বা মেঘ | লৌকিকাগ্নি (আকাশ) | প্ৰাণাদি বায়ু | লোম |
| ৪। | অৰ্চ্চিঃ বা শিখা | দিবা | বিদ্যুৎ | ৰাত্ৰি | বাক্য (জিহ্বা) | ইন্দ্ৰিয়দ্বাৰ |
| ৫। | অঙ্গাৰ | দশদিক (চন্দ্ৰমা) | বজ্ৰ | চন্দ্ৰ (দশদিক্) | চক্ষুদ্বয় | মৈথুনব্যাপাৰ |
| ৬। | বিস্ফুলিঙ্গ বা ফিৰিঙতি | বিদিশ বা দিগন্তৰাল (নক্ষত্ৰ) | মেঘশব্দ | নক্ষত্ৰসমূহ (অবান্তৰ দিশ) | কৰ্ণদ্বয় | সুখলব |
| ক। | হোতা | আধিদৈৱিক দেৱতাসকল | দেৱতা | দেৱতা | দেৱতা | দেৱতা |
| খ। | আহুতি | শ্ৰদ্ধাময়ী আপ | সোম | বৃষ্টি | অন্ন | ৰেতোধাতু |
| গ। | পৰিণতিসম্ভৱ বা জন্ম | সোম | বৃষ্টি | অন্ন | ৰেতোধাত | পুৰুষ (গৰ্ভ) |

## ঊৰ্দ্ধগতি আৰু অধোগতিৰ ক্ৰমপ্ৰদৰ্শন

দেৱযান—উত্তৰপথ—শুক্লপথ

৯। ব্ৰহ্মলোক (পুনৰাবৃত্তিৰহিত হলেও বহু ব্ৰহ্ম কল্পান্তৰ পিছত ইয়াৰপৰাও পুনৰাবৃত্তি হয়)
৮। বিদ্যুল্লোক
৭। আদিত্যলোক
৬। দেৱলোক
(৫।ক) (বৎসৰাভিমানী দেৱতাৰো উপলক্ষণ)
৫। ক। ষণ্মাসাত্মক উত্তৰায়ণা-
খ। ধিষ্ঠাতা দেৱ।
৪। শুক্লপক্ষাধিষ্ঠাতা দেৱ।
৩। অহৰ্দ্দেৱতা
২। অৰ্চ্চিঃ বা জ্বালাভিমানিনী দেৱতা
১। মৃত্যুৰ পিছত ভাৱৰ পুৰুষ (যথাসম্ভৱ পিণ্ডদানৰ পিছত)

পিতৃযান—দক্ষিণমাৰ্গ—কৃষ্ণপথ

৭। চন্দ্ৰলোক —— ১। আপ, শ্ৰদ্ধা, সোম
৬। পিতৃসকল — ২। আকাশ
(৫ক) (বৎসৰাভিমানিনী দেৱতাৰো উপলক্ষণ) — ৩। বায়ু
৫ ক। ষণ্মাসাত্মক
খ। দক্ষিণায়ণাধিষ্ঠাতা দেৱ — ৪। বৃষ্টি
৪। কৃষ্ণপক্ষাভিমানিনী দেৱতা — ৫। পৃথিবী (অন্ন)
৩। ৰাত্ৰ্যভিমানী দেৱ — ৬। পুৰুষ (ধাতু)
২। ধূমাভিমানী দেৱ — ৭। যোষিৎ
১। মৃত্যুৰ পাছত, পিণ্ডদানৰ পাছত আমুষ্মিক দেহী — ৮। পুৰুষজন্ম

ছান্দোগ্য উপনিষদৰ মতে ঊৰ্দ্ধগতি বা অধোগতিৰ ক্ৰমত অলপ পাৰ্থক্য আছে—অনাৱশ্যক দেখি দিয়া নহল। শিৱমিতি।*

শ্ৰীলক্ষ্মীকান্ত মিশ্ৰ ভাগৱতী

* তেজপুৰ সাৰস্বত সভাত পঢ়া।

# কাম-ভষ্ম

[দৃশ্যকাব্য]

মহেশ্ৰমৰ কাষৰ ফুলনি—অপ্সৰাসকল সোমাই আহি গায়।

### গীত

মুঞ্জৰি উঠিছে মাধবী মঞ্জৰী, গুঞ্জৰি ভোমোৰাকুল
মদনৰ ধনু ৰচি দিলে পুষ্প;—ইনো কি সৰগী ভুল!
আহা আহা! সাজি নবীনা মাধবি,—
হাহা হাহা! আজি কাকন কৰবি!
মলয় মৃদুল, প্ৰণয় হিল্লোল,—কৰি তোলা বিয়াকুল।
আঁতৰা অন্ধ অলস,—
আহাহে মুগ্ধ বিলাস!
অভিনৱানন্দ! মন্দ-মকৰন্দ,—ফুলা, ফুলা অগ্নিফুল!

(নেপথ্যত)—সাৱধান নৰ্ত্তকীসকল! অকালতে,
বসন্তৰ গীত গাই কিয় সকলোৱে
অনৰ্থক অমঙ্গল কৰিছা সূচনা?
নেজানানে, যোগেশ্বৰ ৰহিছে যোগত!
১ম অপ্সৰা—সখি, হেৰা! কাৰ এনে কঠোৰ আদেশ?
বসন্তে আনিছে এই নবীন সম্ভোগ,
কিয় বাক বাধে হেৰা আমাক ইয়াত?
২য়—সমীপতে মহেশৰ সাধনা-আশ্ৰম;
নৃত্যগীত তপস্যাৰ অন্তৰায় বুলি,
কোনোবাই এইদৰে কৰিছে বাৰণ।
৩য়—হবা, চোৱা; সোৱা কোন আহিব লাগিছে?
(নন্দী সোমাই আহে)
নন্দী—সাৱধান নৰ্ত্তকীসকল! কিয় বাক
অনৰ্থক নৃত্য-গীত গাই সকলোৱে,
অকালতে বসন্তক কৰি আবাহন,
এইদৰে অমঙ্গল কৰিছা সূচনা
মহেশৰ পুণ্য আশ্ৰমত? যোৱা গুচি
সকলোটি;—ই তো নোহে বিলাস কানন!
(অপ্সৰাসকল গুচি যায়)
কিনো কথা গোলে! সঁচাকৈয়ে, বই বই
বহিছে চঞ্চল বায়ু নৱ বসন্তৰ;
শিয়ঁৰি উঠিছে তৰুবন, মুঞ্জৰিছে
কাননৰ অশোক পলাশ; ফুলে ফুলে
ভোমোৰাৰ গান, গছে গছে আম মলিয়ায়;
কুঞ্জে কুঞ্জে বসন্তৰ যতেক পখীয়ে
ধৰে কি যে সম্মোহন সুৰ! কোকিলৰ
কণ্ঠস্বৰ শুনি ডাকে মদনে প্ৰাণত।—
বুজিছো, বুজিছো; সৰাবে গুৰিতে আছে
দেৱতাৰ কিবা এটি গুপ্ত অভিপ্ৰায়,—
অকালতে ঋতুৰাজ বসন্তক মাতি
আশ্ৰমত কৰিছেহি প্ৰিয়-সমাগম।
সাৱধান, আশ্ৰমৰ যত অধিবাসি—
পশু-পক্ষী, তৃণ-তৰু, লতা! উচ্ছৃঙ্খল
বসন্তৰ প্ৰেৰণাক নিদিবা আশ্ৰয়।
(নন্দী ওলাই যায়,—অলপ পিছতে পাৰ্ব্বতী আৰু সখীসকল সোমাই আহে)

পাৰ্ব্বতী—দেখিছানে, সখি! বোলো, এইপিনে চোৱাচোন; কালি আমি সিমানকৈ পানী সিচি সিচি কোনোমতে জীয়াই থৈ যোৱা সো ফুলজোপা আজি কেনেকৈ ফুলি আছে!

১ম সখী— এৰা, কুফুলিবনো কিয়— আমাৰ পাৰ্ব্বতীৰ হাতেৰোৱা ফুল হে তেও! পিছে, তুমি যে ভৱিৰ তলুৱাৰপৰা মূৰৰ চুলিলৈকে স্বৰ্গৰ পাৰিজাত ফুলৰ নিচিনাকৈ ফুলি আছা, তাৰ কথা নকুৱাই হব পায়?

পাৰ্ব্বতী—থোৱা হে; তোমালোকে আকৌ চুপতি কৰিবলৈ লাগিলা! (ফুলবোৰৰ ফালে চাই আগবাঢ়ি) এ' আই! সখি, মোৰে শপত, চোৱাচোন—গোটেই থন তেনেই ফুলে-পাতে ৰমকজমক হৈছে। কালি দেখি হৈছো এটাইবোৰ নিমাও-মাও; আজি কেইদিন হল, পানী সিচি সিচি ভাগৰিলো। ইমানৰে মৰি-পৰি লাগিও ফুলাও বুলি যদি কেতিয়াই এপাহ ফুল

ফুলাব পাৰিলো !—আজি দেখোন এনেয়ে ফুলি ফুলেই ফুলনি উলহ-মালহ লগাইছে !

২য় সখী—গাটো হে গহীন,—আমাৰ পাৰ্ব্বতী, মনত দেখোন এনেয়ে উৰি-যাওঁ-পখিলা ! তাতে, আজি অকস্মাতে এইদৰে নিমাতী ফুলনিখনে, নিজৰ নিচিনা দীপ্‌লিপ্‌ গাভৰুটি হৈ উলহ-মালহ লগোৱা দেখি, পাৰ্ব্বতীৰ মনত উথেল-থেল লাগিবই ; তাকে নো আৰু কব লাগিছেনে !

পাৰ্ব্বতী—তোমালোককো আৰু ভাল পালো দেও ! হঠাতে এনেকৈ ফুলবোৰ ফুলি উঠা দেখি তোমালোকৰ মনত জানো বাৰু আচৰিত লগা নাই ? বাৰু শুনাচোন, শুনা ; বসন্তকালৰ দৰে চৰাইবোৰে কেনে বঢ়িয়া মাত মাতিছে !

৩য়—সঁচাকৈয়ে, সখি ! মনো বৰ আচৰিত পাইছো ; এতিয়াই জানো বসন্তকাল আহিবৰ হল ?—তেনেহলেনো ফুলবোৰ এনে ধুনীয়া হৈ ফুলি উঠিল কিয় ? মোৰ মনত আছে, আৰু-বেলি আৰু আৰু-তেওঁজ-বেলি এনেকুৱা দিনত ফুলাহে নালাগে, মৰিবলৈকে, ফুলনিত যদি বেলেই কলি এটাকে পেলাইছিল ! হেৰা, শুনাচোন ; মই ক'ত মৰো !—সেয়া সেই কুলিৰ মাত নহয় জানো !

২য়—নহয়, হেৰা পাৰ্ব্বতি ! তোমাৰে সৈতে এনেয়ে ধেমালিহে কৰিছো, আমাৰ জানো কিবা আচৰিত লগা নাই ! পিছে, মোৰ মনলৈ হলে ভাব এটা আহিছে ; আমাৰ পাৰ্ব্বতী সখীয়ে যদি খঙ নকৰো বুলি কয়, তেনেহলে কব পাৰো ।

পাৰ্ব্বতী—মইনো তোমালোকক বাৰু কেতিয়া খঙ কৰো, কোৱাচোন ! তোমালোকে আৰু' কেতিয়াবা কথাই কথাই চুপতি কৰা দেখিহে বেয়া পাওঁ !

২য়—চুপতি কৰিবলৈ কিবা আমি ৰূপতী জানো ? চুপতি কৰিবলৈ আমাক কিহে পাইছে ! সঁচা কথা কলেহে যদি চুপতি কৰা হয়, তেনে বাৰু নকওঁ, থাকা ।

পাৰ্ব্বতী—নহয়, বাৰু, চুপতি কৰা বুলি কোৱা নাই ; কি কব খুজিছিলা, কোৱা আকৌ ।

২য়—বাৰু শুনা। সখি হেৰা ! আজি সঁচাকৈয়ে বসন্তকাল অহা যেন লগা নাইনে ?

পাৰ্ব্বতী—লাগিছে ।

২য়—বসন্ত যেন সঁচাকৈয়ে এটি নিপোতল ধুনীয়া ডেকা, তেওঁৰ এটি অঙ্গতো যেন খুন নাই ; তেওঁৰ ভৰিৰ তলুৱা দুখনি ঠিক যেন ফুলি থকা গুৱলা ফুলজুপিৰ তলিখনৰ দৰে ৰঙচুৱা !

পাৰ্ব্বতী—সাইলাখ, সখি, সাইলাখ তেনেকুৱা যেন লাগে । তুমি বৰ মোহলগা কথাবোৰ কব জানা, সখি !

২য়—তেওঁ যেন আটকধুনীয়া দমাটিৰ দৰে সাজিপাৰি আছে, আৰু যেন বৰ লাজকুৰীয়া ! তেওঁৰ সেই লাজকুৰীয়া মুখখনিৰ হাঁহিটি আকৌ যেন নকৈ ফুলা গোলাপ কলিটিৰ হাঁহিৰ লগত বিজুলি হোৱা !

পাৰ্ব্বতী—সখি, আৰু কোৱাচোন ; আৰু কোৱা !

২য়—(লাজৰ ভাও জুৰি) বাৰু সখি ! তুমি মোক ঠেটা কৰিলা ? তুমি কম নোহোৱা । মই যে তোমাক জো পাওঁ, আজি তাৰে হোৰ তুলিলা ; বাৰু ! থাকা এতিয়া,—আৰু আমি নকওঁ, যোৱা ।

পাৰ্ব্বতী—(১ম সখীক) চোৱাচোন বাৰু সখি ! মইনো কি কম নহওঁ, তেওঁৰ ওপৰতনো বাৰু মই কিহৰ হোৰ তুলিলো—তেওঁ যে মোক আৰু কথা নকওঁ বুলিছে ? তেওঁৰ কথাবোৰ শুনি ভাললাগে দেখি ভাল লাগে বুলি কৈছো ; তাতেই জানো তেওঁ মোক এই লেতীয়াকৈ বুলিব পায় ?

১ম—আহাঁ, আহাঁ সখি ! বোলে, "নমো নমো পাৰিজাত, কুকুৰে ছুলে বাহী পাত ।" বৰ কথাষাৰ ক'লা ; তাতে যদি "নগৰত জগৰ লাগিল", লাগিল ! দায় ভঙাবলৈ নো কোনে এতিয়া আকৌ বঙা শৰাইখন আনিবগৈ ?

২য়—থাকা ; থাকা ; তেমাক নো আকৌ মাতিছে কোনে ? বোলো, আমি তেনেকুৱা নহওঁ দেও হে ! আমাক তেনে যেন নাপাবা । পাৰ্ব্বতী সখীহে আমাৰ নিলাজী-বনৰ নিচিনা,—আঙুলি টোৱাঁবই নাৰাখি, সেইপেনে মুচ্‌কচ্‌ যায় । আমাৰ তেনে হবলৈ কি হৈছে,



কিহৰ জগৰে ধৰি নিছে ? নেদেখিছা—কেনেকৈ তই বুলিলেই জঁয় পৰি যায় ; এনেয়ে "লাই নে ঢেকৱা" পিতিকি হে চালো তেও !

পাৰ্ব্বতী—বাৰু, তোমাৰ 'পিতিকি-চোৱাখ'ন থক এতিয়া ; তোমাৰ কথাৰ সেই বাকীডোখৰ কোৱা এতিয়া ।

২য়—পিছে, এই আশ্ৰমৰ ফুলনিখন জানিবা সাইলাখ এটি দীপলিপ গাভৰু ; বসন্ত কালটোক যদি দৰা বোলা, তেনে, এই ফুলনিখনক কইনা বুলিবা ; আৰু আজিয়ে জানিবা বিয়াৰ দিন । সেইদেখি ফুলনি-গাভৰুৱে আজি খোপাত পাৰেমানে ফুল আঁৰি লৈছে ; আনকাল বৰকৈ নিপিন্ধে, আৰু পাৰলৈকো নাই ; আজি পাইছেও, আৰু খোপা ভৰাই পিন্ধিছেও ।

১ম—আমাৰ পাৰ্ব্বতী সখীৰ কথা নকলা ? তেওঁক কেতিয়া আমি সেইদৰে পিন্ধা-উৰা দেখিবলৈ পাম ?

পাৰ্ব্বতী—বাৰু, বাৰু সখি ! তুমিও গুদা-গুদিজনী নোহোৱা ! তুমি ইপিনে সাপ হৈও খোটা, সিপিনে বেজ হৈও জাৰা ; আৰু চুকত থাকি বুকত গুৰিৱা,—নহয় ?

২য়—(১ম সখীক) ৰবাচোন ; তুমি নো তত নোহোৱা কেলেই ? লাহে লাহে সেইখিনি পামগৈ নহয় !

পাৰ্ব্বতী—(হাঁহি হাঁহি) তেনেহলে আমি আৰু মুগুলো, বা !

২য়—মুগুনিবাতো ! মুগুনিলেনো কোনে শুদাই এৰিব ? পিছে, প্ৰথমতে শুনিম আৰু বেয়া নেপাওঁ বুলি বা কৈছিল কিয় ? বোলো, বঙহৰ দেও ! এতিয়া ভালে ভালে শুনা, মুগুনিলে এতিয়াই ৰৰমেল চপোৱা হব ; তেতিয়া হলে ঘাটিখাই মৰিবা একা !

পাৰ্ব্বতী—(হাঁহি হাঁহি) ঘাটি খালে দণ্ড দা বিচা হব কি ?

২য়—এবেলা, এদণ্ড, এপল,—এইখিনি সময় আমাৰ শ্ৰীমুখত বিহকে ওলায়, তাকে কাণপাতি শুনি যাব লাগিব ; এই আজ্ঞা হয় ।

পাৰ্ব্বতী—যদি এই আজ্ঞা অমান্য কৰা যায় ?

২য়—তেনেহলে তাৰ হৈ শ্ৰীমতী পাৰ্ব্বতীশ্বৰীৰ পদুমী গাল দুখনি আৰু পলাশী ওঠ দুটিত, লেখি লেখি, এপোণ, এবুৰি, আৰু এঅঁৰা চুমা—

পাৰ্ব্বতী—(হাঁহি হাঁহি) নাই, নাই, ই বৰ গুৰুতৰ দণ্ড ; এনে দণ্ড ভৰি মৰিব নোৱাৰি । তাৰ সলনি তোমাৰ কবলৈ থকা বাকী ছোৱা কথাকে কৈ পেলোৱা, মই শুনি যাম ।

২য়—তেনে শুনা ; মোৰ কথাৰ ওৰ পৰিল । পিছে, সখি ! মোৰ বৰ মন গৈছে, যেন আমি এই বিয়াখনৰ ৰভাৰ তলতে তোমাক কইনা পাতি নোৱাই-ধুৱাই মহেশলৈ বিয়া দিওঁ ।

পাৰ্ব্বতী—(লাজ কৰি) এনেকুৱা নোহোৱা-নোপজা কথা নকবা দেও হে !

১ম—সঁচাকৈয়ে, সখি ! মোৰো তেনে মন গৈছে । আমাৰ যদি এই বিয়াখন পাতি দিবৰ ভাইগ থাকিলহেতেন, তেনে সখি ! ঠিক কৈছো, মই উলাহত ককালটোকে এপাক ঘূৰালোহেতেন ।

পাৰ্ব্বতী—তোমাৰ কথা অথন থাওক পৰি, আমাৰ তেনে ভাইগ আছে বুলি কেতিয়াবা ভাবা নে ? পূৰ্ব্বৰ কেবাটা জনমৰো তপস্যা লাগি আহিলেহে এনে এখন কপাল পাব পাৰি !

৩য়—পাৰ্ব্বতী সখীয়ে নো নিজৰ কথা নিজে কেনেকৈ কবা ? তোমাৰ নিচিনা ৰূপে-গুণে মোহিনী ছোৱালী এজনীনো এই তিনিও ত্ৰৈলোক চালি-জাৰি কোনে উলিয়াই দিব পাৰিব ? মই সঁচাকৈয়ে কৈছো, মহেশে যদি কেতিয়াবা বিয়া কৰায়, সেই পৰম ভাগ্যৱতী তোমাত বাজে ব্ৰহ্মাণ্ডত আন কোনো হব নোৱাৰে—সইত্‌, সইত্‌ !

পাৰ্ব্বতী—(অলপ তলকা মাৰি থাকি হঠাত আকৌ আগবাঢ়ি) আই ঐ দেহি ! সখীহঁত, তোমালোক আহাঁচোন—সো আজি নকৈ মলিৱা আমজোপালৈ ভোমোৰাবোৰ কেনেকৈ উধাতু খাই উৰি গৈছে, নোচোৱাহি কেলেই ! আহাঁ, আহাঁ ; ভোমোৰাবোৰ খেদি দিওঁগৈ । নহলে সিহঁতে গৈ সেই ন আমৰ মলবোৰ তেনেই কণ মাৰিবগৈ !

২য়-- ( হাঁহি হাঁহি অলপ আগবাঢ়ি ) ৰবাচোন; আমৰ মলবোবৰ কণ মাৰিলে বাক তাৰ উপায় ওলাব। পিছে (পাৰ্ব্বতীৰ গাত হাতফুৰাই), এই সদাই মলিৰা আমজুপিৰ মলত যদি তোমোৰা পৰেহি, তেতিয়া কোনে খেদাব? এতিয়াই কৈ থৈছো, আমাৰ হলে, ঈশ্বৰ! সাহঁধ নাই।

পাৰ্ব্বতী— ( গাত ঠেলামাৰি ) তোমালোকো যৰ দুষ্ট হৈ! বাক, তোমালোকৰ সাহঁধ নাই যদি তেতিয়া তোমোৰা খেদিবলৈ নিদিও; ভয় কৰিব নেলাগে, আহা। এইদৰে দিনটো ইয়াতে মেল পাতি থাকিলে নহয়, এতিয়া আশ্ৰমলৈ যাওঁ; শঙ্কৰৰ সেৱাৰ আওহেলা কৰিব নোৱাৰি।

( সকলোটি গুচি যায় )

আন দৃশ্য

মহেশআশ্ৰম; বীৰাসন ৰচনা কৰি মহাদেৱ বাঘছালৰ ওপৰ ত বহি ধ্যান কৰিছে। আঁতৰত এচুকেদি কামদেৱ আৰু ৰতি সোমাই আছে।

কাম—ৰতি! স’চাকৈয়ে হিয়া মোৰ কিয় আজি
বিচঞ্চল লাগিছে সঘনে? ইঙ্গিততে
আশ্ৰমত বসন্তই পাতিলে শাসন;
গছ লতা ফুল পাত উঠিছে শিয়ঁৰি
মৈথুনত মতলীয়া হই; বিয়াকুল
ভোমোৰাই আমৰ মলত পৰি পৰি,
দুগুণে শোভন কৰি দিছে ফুল-ধনু;
তেও বাৰু হিয়া মোৰ আগৰ দৰেৰে
কিয় আজি নাচি উঠা নাই? থাকি থাকি
কোকিলৰ নবীন কাকলি শ্ৰৱণত
পৰিছে আকউ; ৰিব্ ৰিব্ মলয়াই
অন্তৰৰ আবেগ-অগনি বিচি বিচি
জ্বলায় পুনৰ; তেও বাৰু, কিয় ৰতি!
হাতৰ ফুলাম ধনু ৰব খোজা নাই
আজি মোৰ শিথিল হাতত? বজ্ৰাহত
কোনোবাই কই যায় যেন,—‘কামদেৱ!
নিদিবি, নিদিবি জাপ জীয়া-অগনিত।’

ৰতি--বুজিছো তোমাৰ নাথ! হৃদয়ৰ এনে
বিপৰীত ভাবৰ প্ৰকৃতি। মহাযোগী
মহেশ্বৰ বহিছে ধ্যানত;—কি মধুৰ
সাম্য মূৰ্ত্তি! সুগভীৰ—কেনে সুমহান!
সৃষ্টিস্থিতি নিমিষতে সংহাৰকৰোতা—
যিজনে কামক ৰাখে চৰণ-তলত;
সিজনৰ গাত তুমি কোন সাহসেৰে
হানি দিবা কুসুম-আঘাত? তাৰ বাবে
জন্মিছে মনত এনে বিষম বিকাৰ।

কাম—মানিছো তোমাৰ কথা, প্ৰিয়তমা ৰতি!
সেই বুলি, কৰ্ত্তব্যত আগুৱাই মই
পৰাঙ্মুখ নহও পুনৰ। চোৱা, ৰতি!
এইখনি ধনু আৰু এই হাতেৰেই
কত শত জনৰ হিয়াত, উদগাই
দিলো মই প্ৰণয়ৰ প্ৰচণ্ড প্ৰতাপ!
সকলোটি দেখিছা নিজেই। সৃষ্টিকৰ্ত্তা
ব্ৰহ্মাই নিজেও, নিস্কৃতি নেপালে যাৰ
কুসুমিত আঘাতৰপৰা, আজি সেই
ভুবনবিজয়ী ধনু থাকোতে হাতত,
ভাবানেকি—হম মই ব্যৰ্থমনোৰথ?

ৰতি—তুমি নিজে জানা তেনে, নাথ! দেখাতেই
অমঙ্গল বুলি মাথোঁ মই, আপোনাৰ
মনৰ খুকুৰি এটি কলো ভাঙি-পাতি।
যদিহে নেদেখি ভাল, দিয়া দলিয়াই;
দিয়া তেন্তে, মোৰ আন কি আছে উপায়!

কাম—অমঙ্গল? কিয় কোৱা অমঙ্গল বুলি?
আজিয়েই মোৰ এই ক্ষুদ্ৰ জীৱনত
মঙ্গলৰ প্ৰথম সূচনা। কৰি দিব
পাৰো যদি হৰ-পাৰ্ব্বতীৰ সূত্ৰপাত
দাম্পত্য প্ৰেমৰ, তাৰপৰা হব যিটি
প্ৰথম সন্তান মহেশৰ, অচিৰে তেৱেঁই
তাৰকাসুৰৰ বংশ কৰি ক্ষয়-পাত,
উদ্ধাৰিব দেৱতাৰ কুল। চোৱা তেনে,
মহান মঙ্গল কি যে হব সংঘটিত!
আৰু চোৱা. ইয়াৰেই কাৰণে কতনো
সৰগী সুযোগ আহি মিলিছে আপুনি;—



অলপতে ফুল তুলি সখীসকলেৰে
পাৰ্ব্বতী আহিব এইফালে, মহেশৰ
সেৱাৰ কাৰণে;—যেয়ে যে মুঠিত মোৰ
হব আহি আনপাত চোখা ফুলশৰ!
আষাৰৰ আৰম্ভতে উঠা এচমকা
আকাশৰ ডাৱৰৰ দৰে, সুগম্ভীৰ
গমন বিলাস; তাৰ লগে লগে, মৈৰা-
চালি যেন সেই স্থিতি থমকি থমকি;
আৰু, সশঙ্কিত বন-হৰিণীৰ পাছলই
চোৱা দৰে, কটাক্ষৰ মৰ্ত অগ্নিবাণ;
তৃতীয়াৰ জোন, নতু, মোৰ এই
ধনু যেন, পাৰ্ব্বতীৰ অপাৰ্থিৱ সেই
ভ্ৰূযুগল! নৱনীত, ঢল যেন বগা
বুকু দুখনিত, যৌৱনৰ দিগ্বিজয়
লৱণুৰ শুভ্ৰ স্তম্ভৰূপে, দুটি স্তন
ক্ৰমে উঠিছে উন্নত হই; বাঢ়ি ভৰ
নিতম্বৰ, প্ৰতি খোজ হইছে আকুল;—
তাতে সুমধুৰ মোৰ সৰগ-শয়ান,
শুলে ক’ত আনন্দত টোপনি নধৰে!
ৰামকল যেন উৰু দুটি, খোজেপতি
ইটিয়ে সিটিক ঠেলি, যায় আগবাঢ়ি।
আ-হা! আ-হা! কি সুন্দৰ—কি সুন্দৰ কথা!
আলেঙে আলেঙে মই থাকিম লুকাই,
সকলো আলেখ-লেখ চাই; নেপাহৰি
সময়ৰ শৰ, যেতিয়াই পাওঁ চল,
দিম এৰি একেলগে দুইকো খিয়াই।

ৰতি—বুজিলো সকলো মই। কিন্তু চোৱা, প্ৰভু!
সেইজন মহাযোগী, বাসনাৰ লেশ যাৰ নাই;
কামনাক পুৰি ছাই কৰি যেইজনে
ভস্ম লয়ে সানি মূৰে-গাই; ত্ৰিকালৰ
তিনিমূৰ্ত্তি ত্ৰিশূলস্বৰূপে, যাৰ সদা
সেৱক সাৰথি; বাসুকীৰ শত সৈন্যে
ফনা ধৰি মাথোঁ যাৰ ঘোষিছে মহিমা;
কাম কেনেকই চাপে কাষ সিজনৰ?
আসক্তিৰ স্থান তাত ক’ত? আৰু চোৱা,
ব্ৰহ্মাণ্ডৰ যত প্ৰাণী,--তৃণ-তৰু-লতা,
মহা মহা দেৱতাসকল, কিনো কথা!—
ব্ৰহ্মা বিষ্ণু দুয়ো নিজে যাক নতশিৰে
জনায় প্ৰণাম, তেওঁৰ আগত বাৰু,
কি স্পৰ্দ্ধাৰে যাবা তুমি ঠিয় হবলই?
সিসবৰ দাস-দাসী আমি চিৰকাল;
পাচিলে পাৰিব পাৰো কৰ্ত্তব্য সাধিব।
ভৃত্য হই প্ৰভু’ আদেশিব পাৰো আমি
কোন বিধিমতে? আত্মবোধহীনজনে
হেকৰাই আপোন প্ৰভুত্ব, যদি দিয়ে
প্ৰশ্ৰয় তোমাক, তেতিয়া তোমাৰ এনে
কাৰ্য্য হব অৱশ্যে সঙ্গত। সেইদেখি,
চোৱা নাথ! পুনৰবাৰ কাৰ বিবেচনা।

কাম—শুনা ৰতি! বিবেচনা আৰু মোৰ নাই;
অৱস্থাই কৰি দিছে আপোন ব্যৱস্থা।
কৰ্ম্ম মাথোঁ নিয়তিৰ নিয়ম বান্ধোন,—
অজ্ঞানে বা সজ্ঞানেই, কদাপিও আমি
মেৰ তাৰ এৰাব নোৱাৰো। কৰ্ম্মময়
জীৱনৰ সোঁত, লই যায় অদৃষ্টই
উটাই-বুৰাই,—তাৰ প্ৰতিকূলে যোৱা
হাঁহি-উঠা বৃথা চেষ্টা মাথোঁ। কৰ্ত্তব্যৰ
ধাৰ বুজা নহয় সহজ; কোনে ক’ব,
নিৰ্ভুল সি, তেওঁ যিটো কৰ্ত্তব্য বুলিছে?
নিৰ্ভুল কৰ্ত্তব্য বুজি পোৱা, কৰ্ত্তব্যৰ
সাধনৰ সৰহ অংশই। এফালেদি,
চোৱাও কৰাৰদৰে, ইকাৰ্য্যৰ বাবে
যদি মোৰ নাই অধিকাৰ; আনফালে,
দেৱতাৰ যিটি কাৰ্য্য মোৰ বাবে মাথোঁ
অসাধন হই ৰব সদা,—তাক মই
আওহেলা কৰো কি বোধেৰে? আৰু চোৱা,
ই কাৰ্য্যৰপৰা মঙ্গলত বাজে মই
অমঙ্গল দেখা নাই কাৰো। পোনতেই,
দেৱতাৰ ভাগ্য-সূৰ্য্য উদিলে পুনৰ,

আকাশত তাৰকৰ জেউতি-কণিকা
আপুনি নিৰ্ব্বান হই যাব ; তাৰে ব'দ
কাঢ়ি়লি লই, ইন্দ্ৰ বৃহস্পতি আদি
দেৱতাসকলে পাৰেমানে আশীষিব মোক ;
তাৰ পিছে, পৃথিবীৰ দিগন্ত-বিজয়ী
পুণ্যশীল হিমাদ্ৰী ৰজাৰ গিৰিজাৰ
হয় যদি হৰৰে মিলন, আৰু হৰ্ষ
আশীষৰ কি থাকিব সীমা ? ভক্তিমতী
যোগ্য পাত্ৰী পাৰ্ব্বতীক লভি, হৰইও
বিতৰিব কামক প্ৰসাদ। তেন্তে ৰতি !
কিনো আসোৱাহ আৰু থাকিল তোমাৰ ?
ৰতি—এনে সুশৃঙ্খলভাৱে হয় যদি নাথ !
সমাধান সকলো কথাৰ ; তেন্তে তাত
হব পাৰে কিনো আসোৱাহ ? কিন্তু এনে
শিশিৰতে বসন্তৰ আগমন যেনে
স্বাভাৱিক নেলাগে মনত, সেইদৰে,
লগা নাই স্বাভাৱিক ইবোৰ কথাও।
কাম—সঁচাকৈয়ে, ৰতি ! সংকীৰ্ণ ই সংসাৰৰ
বহু কথা ধাৰণা-অতীত ! স্বাভাৱিক
কোন কথা ?—স্বাভাৱিক নহয় কোনটো ?
সসীমৰ ধৰণীত অসীমৰ এটি
ক্ষীণ আভাসৰ'চোতা জলধিতকৈও
স্বভাৱৰ বুকু অতি অতল-বহল ;
জগতে চকুৰে দেখা পৰ্ব্বত-সমান
কত ঢউ, অতি ক্ষুদ্ৰ বুদ্‌বুদৰূপে,
তাতে উঠে আৰু মাৰ যায়, পাৰে জানো
কব কোনোবাই ? তথাপিও যত ক্ষুদ্ৰ
মহৎ ঘটনা ঘটি গৈছে অতীতৰ
অনন্ত গৰ্ভত, ভবিষ্যৰ অনন্তত
আৰু যত ঘটিব পাৰিব, তাক কিয়
স্বাভাৱিক বুলিব বাৰু ই জগতে ?
তুমি তো নিজেই জানা, জন্মকথা মোৰ
কি বিচিত্ৰ ইন্দ্ৰজালসতে আছে গোঁথা !
জানা আৰু কিৰূপে নো মই, নিজ পিতা
ব্ৰহ্মাৰ বুকুতে, তেওঁ দিয়া শৰেৰেই
হানিছিলো প্ৰথম আঘাত। সুবুলিৰা
জানো তুমি তাকো স্বাভাৱিক ? যদি এই
ভবিতেই ভুল, তেন্তে ভুলেৰেই ভুল
লওঁ তুলি ; হক মোৰ প্ৰতিজ্ঞা-পালন !
আহাঁ দুয়ো বাটচাওঁ কুঞ্জৰ আঁৰত।
ৰতি—হ'ক তেনে সেয়ে, নাথ ! অদৃষ্টৰ বল
পাৰে কোনে খণ্ডাব ইচ্ছাৰে ? তোমাৰেই
মঙ্গল কামনা মোৰ প্ৰাণৰ উশাহ।
(দুয়ো আঁৰত লুকায়)

[ক্ৰমে মহাদেৱে বীৰাসন ভাঙি, নিশাহ এৰি দি বহে ; তেওঁৰ ইঙ্গিতমতে নন্দী আৰু নন্দীৰ পিছত পাৰ্ব্বতী আৰু সখীসকল হাতে হাতে ফুলৰ অঞ্জলি লৈ দুৱাৰমুখত ৰৈ থাকে]

নন্দী—প্ৰভুৰ চৰণ-পদ্ম সেৱিবৰ বাবে
হিমাদ্ৰী নন্দিনী আজি আছে বাটচাই।

[মহাদেৱে নন্দীক পাৰ্ব্বতীক আহিবলৈ কবলৈ ইঙ্গিত দিয়ে ; পাৰ্ব্বতী ওচৰলৈ আহি দীঘল দি পৰি সেৱা জনায়]

মহা—চিৰস্তীৰ হোৱা তুমি হিমাদ্ৰী-তনয়া !
যি পুৰুষে কৰা নাই অন্য স্ত্ৰী ভজন,
তোমাৰ স্বোয়ামী হক সেই সুলোচন।

[পাৰ্ব্বতী আকৌ অঞ্জলি দিবলৈ বুলি সখীসকলৰপৰা ফুল আনিবলৈ যায় ; একাজলি ফুল আনি অলপ হাউলি মহাদেৱৰ পদত অঞ্জলি দিব খোজে ; এনেতে মহাদেৱক আনন্দলে মনকৰা দেখি চাই সেইফালে ৰৈ যায় ; আৰৰপৰা নিলগৰ এচুকেদি চুচুক চামাককৈ কাম-ৰতি ওলাই আহে ; কামদেৱৰ হাতৰ ধনু মাটিত সৰকি পৰে]

কাম—আচৰিত ! ধনু কিয় নৰয় হাতত ?
হেৰা ৰতি ! তুলি দিয়া ধনুখনি মোৰ।
(ৰতিয়ে ধনু তুলি দিয়ে)
ৰতি—সাৱধানে কৰা নাথ ! শৰৰ সন্ধান।
কাম—শুচিবা কামৰপৰা খন্তেক সময়।
(ৰতি পাছলৈ হুঁহকি যায়)

[কামদেৱে বাওঁ ভৰি আগ কৰি গাৰ বলেৰে ধনুৰ জোৰ টানে]

মহা—হঠাতে ঘটিল কিয় মনৰ বিকাৰ !
কাৰ এনে বিপৰীত জন্মিল দুৰ্ম্মতি ?



[ইকালে সিকালে চায় ; সমুখত আগৰ অৱস্থাত কামদেৱক দেখে, আৰু কোপদৃষ্টিৰে তেওঁৰ ফালে চাই ৰয় ; মহাদেৱৰ চকু বাখি ওলাই আহি কামদেৱক ভস্ম কৰিবিলৈ ধৰে]

(নেপথ্যত)—ৰক্ষা কৰা, ৰক্ষা কৰা মদনক প্ৰভু !
নকৰা কামৰ তাতে সমূলি বিনাশ।
(সেই অৱস্থাতে কামদেৱ ক্ৰমে নোহোৱা হৈ যায়)

আঁৰ-কাপোৰ

## নতুন দৃশ্য

### গীত—অসমীয়া নামৰ সুৰ

(মাটিত পৰি ৰতিয়ে ইনাই-বিনাই গাবলৈ ধৰে)

মাটিতে পৰিয়ে বিনাইছে ৰতি,
মহাদেৱ প্ৰভু মোৰ, কি হব গতি !
প্ৰাণৰে বান্ধ মোৰ কামদেৱ নাই,
চকুৰ জুইৰে পুৰি কৰিলা ছাই।
আৰু নো স্বামি মোৰ কি থলা বাকী ?
বুকুৰ বজহ তুমি, দি গলা ফাঁকি।
মইনো থাকিম নে জীয়াতু চাই ?
কিয়নো নেৰেখা, কণা গোঁসাই !

বসন্ত—(সোমাই আহি)উঠা ৰতি ! আৰু কত কৰিবা বেজাৰ ?
বেজাৰৰ চকুলোৰে ধৰণী উটাই
দিলেও নোপোৱা আৰু কামক ঘূৰাই।
ৰতি—হেৰা, প্ৰিয় মদনৰ বান্ধৱ বসন্ত !
তুমি মোৰো পৰম সুহৃদ ; আহা তেনে,
এইফেৰি উপকাৰ কৰি যোৱা মোক :—
প্ৰাণ মদনৰ সউ পুণ্যাৱশেষৰ
কাষতেই দিয়া মোক এডুখৰি ঠাই ;
উজলাই দিয়া তাতে অগ্নিকুণ্ড এটি :—
তাতেই অগ্নিত কৰো আত্ম-সমৰ্পণ।
বসন্ত—নোৱাৰা কৰিব ৰতি ! তুমি এনে কাম ;
নানিবা মুখত এনে অযুক্তি বচন।
ৰতি—কিয় বাৰু অযুক্তি বুলিলা ?—কি বুজিব
বিৰহীৰ অন্তৰ-বেদনা স্বাৰ্থপৰ
পুৰুষ হৃদয়ে ? তোমাৰ সহায় মোৰ
নাই আৰু প্ৰয়োজন ; যাব যাৰা তেনে।

(অলপ পৈ এটি অগ্নিকুণ্ড জ্বলাই লয়)
আত্মহত্যা মহাপাপ কৰা নাই মই ;
আত্মদান মাথো বিৰহীৰ। মোৰ এই
হৃদয়ৰ অন্তিম আহুতি লবা, প্ৰভু !
যেতিয়া সুমাল সেই কাম-হৃদয়ৰ
ৰাঙলী প্ৰতিমাখনি, অস্তমিত হব
লাগিছিল ৰতি-ৰশ্মি অলপ পিছতে ;
যদি মোৰ বেলি হল, সেই অপৰাধ
খেমিবা, খেমিবা প্ৰাণনাথ ! খেমা আৰু
ৰুদ্ৰ তুমি, সংহাৰৰ অনাদি কাৰণ !
হে অগ্নি দেৱতা ! প্ৰণমো ভকতি-ভৰে ;
দিবা ঠাই দয়া কৰি তোমাৰ কোলাত।
তোমাৰ ৰাঙলি জিভা দেখি আজি মোৰ
হৃদয়ত হোৱা নাই ডৰ ; যদি আছে
এতিয়াও ৰতিৰ হৃদয়, আনন্দৰ
উল্লাসত সেয়ে আজি নাচিছে সঘনে !
প্ৰাণনাথ ! দিয়া ঠাই তোমাৰ পদত।

(ৰতি জুইত জাপ মাৰি পৰিব খোজে আৰু পাছফালৰপৰা বসন্ত আহি খাপ মাৰি ধৰে ; ৰতি থৰলাগি বসন্তৰ মুখলৈ চাই ৰয়)

(নেপথ্যত)—ক্ষান্ত হোৱা, ক্ষান্ত হোৱা ৰতি ! কামদেৱ
নৰৰ দুৰ্ল্লভ হই তোমাৰ সহায়
পাৰ্ব্বতীয়ে প্ৰাণপণে তপস্যা আচৰি
হৰৰ দৰ্শন লাভ কৰিব যেতিয়া,
তেতিয়াই কামে পুনু বিষ্ণু-ঔৰষত,
দ্বাপৰত লবগই মনিষ জীৱন।
মনত পেলোৱা তুমি, মদনৰ সেই
উচ্ছৃঙ্খল কাহিনীটি আদি জীৱনৰ ;—
পৰম জগত পিতা ব্ৰহ্মাৰ দেহত
আপোনাৰ কন্যাৰ কাৰণে, কোন হেতু
মানসিক বিকাৰ জন্মালে ? তবে এয়া
অভিশাপ-ফল !—অসংযত জীৱনৰ
শতেক দোষৰ সমুচিত প্ৰতিফল !
হৰৰ হাতত এয়ে কামৰ সংস্কাৰ।

আঁৰকাপোৰ শ্ৰীডিম্বেশ্বৰ নেওগ

# প্ৰেমিক সন্ন্যাসী

( ১০ম সংখ্যাৰ পিছৰপৰা )

কিছু সময় থাকি আকৌ কলে, "ষাইছব্ৰেট, বাৰ্গোমাষ্টাৰে জানো আমাৰ নিচিনা মানুহৰ আগত সেইবোৰ গুপুত কথা ভাঙি কব ?" আৰু কিবা কব খুজিছিল, কিন্তু মাৰ্গেৰেটে হঠাৎ সুধিলে, "তেনেহলে বাৰ্গোমাষ্টাৰে সমস্ত কথা জানে ?"

"অৱশ্যে। তাৰ বাহিৰে আৰু কোনে জানে ?"

"বাৰু, তেওঁক সুধি চাম ; আৰু এই কথা তুমি কোৱা বুলিও কম।'

"ভাল কথা, ডেম ! যোৱা, এতিয়াই যোৱা ; তাক মোৰ ঘোৰ শত্ৰু কৰি তোলাগৈ। এয়ে বোধহয় কথাৰ পুৰস্কাৰ।'

কেটেল বাহিৰলৈ ওলাই গল। মাৰ্গেৰেটে কথা বুজি জোৱানক বৰকৈ অনুৰোধ কৰি আহিল যাতে কেটেলে কোনো কোপ নকৰে।

দুদিনমান পিছতে মাৰ্গেৰেটে কেচুৱা জেৰাৰ্ডক কাষত লৈ এদিন বাৰ্গোমাষ্টাৰৰ ঘৰত উপস্থিত হলগৈ। মাৰ্গেৰেটক দেখিয়েই তেওঁৰ অন্তৰৰ ঘোৰ মূৰ্ত্তিমন্ত লোভে কৈ উঠিল, "মই মাৰ্গেৰেটক ধন-সোণ, মাটি বাৰী একো দিব নোৱাৰো।"

কিন্তু ক্ষুদ্ৰ বিবেকে এচুকৰপৰা কৈ উঠিল, "সি কথা নহৈছে ; সেইবাবে তাইক অলপো কষ্ট দিব নোৱাৰো।" মাৰ্গেৰেটে কতো নৰৈ একেবাৰেই বাৰ্গোমাষ্টাৰৰ আগলৈ গৈ কবলৈ ধৰিলে, "বাৰ্গোমাষ্টাৰ, মোৰ প্ৰিয়তম জেৰাৰ্ড কত ? তেওঁ জীৱিত আছে নে ?"

মাৰ্গেৰেটৰ বুক কঁপি উঠিল, বাৰ্গোমাষ্টাৰৰ ফালে ৰ-লাগি চাই ৰল। বাৰ্গোমাষ্টাৰে উত্তৰ বিচাৰি নাপাই লাহেকৈ খেঁহাই খেঁহাই কলে,—"মই হলে এ—কো—না—জা—নো। সেই তালৈ—ভিতৰলৈ—আহঁাচোন,—ইয়াত চাকৰ-নাকৰ আছে।"

বাৰ্গোমাষ্টাৰ ভিতৰলৈ যাবলৈ ওলাল, কিন্তু মাৰ্গেৰেটে বলিয়া মানুহৰ দৰে তৎক্ষণাৎ তেওঁক হাততে থাপ মাৰি ধৰি কবলৈ ধৰিলে, "এখোজো যাব নোৱাৰা, বাৰ্গোমাষ্টাৰ ! তুমি নাজানানে মই কি সাংঘাতিক বেদনাত, জ্বালা-যন্ত্ৰণাত, দিন-ৰাতি দেই-পুৰি মৰিব ধৰিছো ? প্ৰাণৰ জেৰাৰ্ড আজিলৈকে কিয় উভতি অহা নাই, নতুবা চিঠি পত্ৰ এখনকো নিলিখে কিয় ? তুমি মোক এই দুটা কথাৰ উত্তৰ দিবই লাগিব। নহলে আজি তোমাৰ চাকৰ-নাকৰ, কিয়, সমস্ত ৰাজ্যতে, এই কথা প্ৰচাৰ কৰি দিম। মোৰ লগত ধেমালি কৰিলে নচলিব।"

মাৰ্গেৰেটৰ চকুৱে জুই ওলাবলৈ ধৰিলে। বাৰ্গোমাষ্টাৰ ভয়তে অস্থিৰ। তেওঁ লাহেকৈ কলে, "মই সেই-বোৰ একো নাজানো।"

'নহয়, তুমি সমস্ত জানা। জেৰাৰ্ড কিয় নাহে, চিঠি-পত্ৰকে বা কিয় নিলিখে ! এই দুটা কথাৰ উত্তৰ দিবই লাগিব, নিদিলে শুদাই নেৰিম।"

বাৰ্গোমাষ্টাৰ বিবৰ্ণ হ'ল ; গাৰ বল শক্তি লোপ পালে। তথাপি সাধ্যত পৰি কলে, "এঃ সেই পাপিষ্ঠইতে কলেই বা তাকেনো বিশ্বাস কৰানে ?"

মাৰ্গেৰেটে টপৰাই মাত দিলে ? 'কোন পাপিষ্ঠইত' বাৰ্গোমাষ্টৰে খেঁহাই খেঁহাই উত্তৰ দিলে, "মই বুঢ়া মানুহ, মোৰ একো মনত নাই ; সিইঁত দুয়ো কিবা কৰিছে বোধহয়।"

মাৰ্গেৰেটৰ খঙে চুলিৰ আগ পালেগৈ। একে উশাহতে গালিপাৰি কব ধৰিলে, "বাৰ্গোমাষ্টাৰ ! মনত নাই নে দেউতাই যে তোমাক সাংঘাতিক জীৱনান্তক প্লেগ বেমাৰৰপৰা উদ্ধাৰ কৰিছিল ? মনত পৰেনে, তুমি মাউৰা হৈ থাকবলৈ নাপাই বাটে-ঘাটে ভিক্ষা খুজি ফুৰোতে দয়ালু আতাদেৱ ক্লোবিসে তোমাক আশ্ৰয় দি তুলি-তালি ডাঙৰ-দীঘল কৰিছিল ? ও, বুজিলো ; এয়ে তাৰ প্ৰতিফল ! এতিয়া চলে সকলোকে পাহৰিলা ? ছিঃ ছিঃ ! অকৃতজ্ঞ, অকৃতজ্ঞ মানৱ। তুমি আমাৰ তিনি পুৰুষ দেখিলা ; এই চোৱা, চতুৰ্থ পুৰুষ আৰম্ভ



হৈছে। এই কেচুৱা লৰাটি পিটাৰৰ নাতিয়েক। এই নিৰ্দ্দোষী, নিৰাশ্ৰয়, নিঃসহায় লৰাটো দেখি তোমাৰ পাষাণ হৃদয় অলপো গলি-পমি নাযায় ? ছিঃ ছিঃ।"

বাৰ্গোমাষ্টাৰে লাহেকৈ কলে, 'এঃ ! মোক মিছা-মিছিকৈ দিগদাৰ নিদিবা।' মাৰ্গেৰেটে সুবিধা পালে কেচুৱা জেৰাৰ্ডক বাৰ্গোমাষ্টাৰৰ আঠুৰ ওপৰতে থৈ নিজে আঠু কাঢ়ি কবলৈ ধৰিলে, "বাৰ্গোমাষ্টাৰ ! ই তোমাৰ কোনো দোষ কৰা নাই। তুমি এবাৰ মাপোন ইয়াৰ মুখলৈ চোৱা। তুমি ইয়াৰ বাপেকক আনি দিয়া।"

বাৰ্গোমাষ্টাৰে খঙতে জ্বলি-পকি উঠিল। এবাৰ লৰাটোৰ ফালে আৰু এবাৰ মাৰ্গেৰেটৰ ফালে চকু পকাই চাই কলে, "গুচি যোৱা।"

বাৰ্গোমাষ্টাৰে থিয় হৈ হাত দুখন মোহাৰি মোহাৰি ইফাল-সিফালকৈ ফুৰি ফুৰি কবলৈ ধৰিলে, 'উঃ কি সাংঘাতিক জ্বালা-যন্ত্ৰনা। সপোনত নে দিঠকতে কব নোৱাৰো, সদায় ভুত-প্ৰেতৰ শব্দ শুনো ? এয়ে ঘোৰ নৰক, নৰক !' বুঢ়াই আৰু কব নোৱাৰিলে ; সেই পিনে চলি গল।

মাৰ্গেৰেটে গতি বিষম দেখি খোপে-বেপে উঠি বুঢ়াক হেঁচান দি ধৰিলে আৰু দুটা চাকৰ মাতি আনি সিহঁতৰ হাতত বুঢ়াক সোধাই বেজাৰ মনেৰে নিজ ঘৰলৈ উভতি গল।

মাৰ্গেৰেটে দেখে, মেজৰ ওপৰত কাকত এটুকুৰা আৰু কপৰ মোহৰ এটা পৰি আছে। তেওঁ কাকত-টুকুৰা থাপ মাৰি লৈ কবলৈ ধৰিলে, "তেওঁ নিশ্চয় জীৱিত আছে, বোধহয়, এইবোৰ কোনোবা বন্ধুৰ হাতত দি পঠাইছে।" কাকতখন মেলি দেখে তাত কেৱল চাৰিটা কথা লিখা আছে—"জেৰাৰ্ডৰ পত্নী মাৰ্গেৰেটৰ বাবে এই দান।" মাৰ্গেৰেটে কাকতখন বাৰে বাৰে পঢ়িলে, চুমা খালে আৰু অতি যতনেৰে বুকৰ মাজত সুমাই থলে।

দিন যাবলৈ ধৰিলে। মাৰ্গেৰেটেও প্ৰত্যেক দুমাহে দুমাহে এনেকৈ কিছু কিছু ধন পাবলৈ ধৰিলে, কিন্তু সেই ধন কৰপৰা কেনেকৈ আহে, তাৰ একো গুং-সূত্ৰ নাপালে। তেওঁ মনৰ সন্দেহ গুচাবৰ উদ্দেশ্যে মাৰ্গেৰেট ভান্ আইক, কেথেৰিণ আদিক সুধিলে ; তেওঁলোকেও কব নোৱাৰে বুলি কলে।

এনেকৈ কিছুদিন যোৱাৰ পিছত বৃদ্ধ পিটাৰৰ ব্ৰেণৰ সামান্য জ্বৰ-কাহ আৰম্ভ হল। দিনে দিনে তেওঁৰ শৰীৰ দুৰ্ব্বল—শক্তিহীন হৈ পৰিল। এদিন গধূলি কেথেৰিণ আৰু মাৰ্গেৰেটক ওচৰলৈ মাতি আনি কলে, "বাছা, মাৰ্গেৰেট ! আশীৰ্ব্বাদ কৰিছো, তুমি ভালে-কুশলে থাকা। মই এতিয়া যাওঁহে ; তুমি নাকান্দিবা।" বুলি পিটাৰৰ নিমাত চকু বন্ধ হল। মাৰ্গেৰেটে উচুপি উচুপি কান্দিব ধৰিলে—"হায়, অভাগিনীৰ কপালত এয়েহে আছিল ! প্ৰভু, যীশু ! শেষত ইয়াকেহে কৰিলা !" হঠাৎ পিটাৰে চকুদুটা মেলি হাতদুখন ওপৰলৈ তুলি কবলৈ ধৰিলে, "সৌ যে মই তাক দেখিছো ! মই তাক দেখিছো ! সি এইফালে—এইফালে ৰাইন নদীয়েদি আহিব ধৰিছে।"

পিটাৰ সেইপিনে নীৰৱ হল। তেওঁৰ মৃত্যুৰ সকলো চিনে দেখা দিলেহি। চকু কোটৰত সোমাল, নাকৰ পাহি হালি পৰিল, কাণ জয় পৰি গল, হাত-ভৰি কাঠ যেন হল। চাকি নুমোৱাৰ আগতে যেনেকৈ ধপধপকৈ বেছিকৈ জ্বলি উঠে, পিটাৰৰো প্ৰাণ-বন্তি নুমোৱাৰ আগতে সেই অৱস্থা। একে উশাহতে কথাকেষাৰ কৈ সেইপিনে তেওঁ চিৰনিদ্ৰাৰ আশ্ৰয় ললে।

মাৰ্গেৰেটে আকুল-ব্যাকুলভাৱে কান্দিবলৈ ধৰিলে। তাকে দেখি কেচুৱা জেৰাৰ্ডেও মাকক থপৰিয়াই-থপৰিয়াই কান্দিবলৈ ধৰিলে। কেথেৰিণে জেৰাৰ্ডক কোলাত সুমাই লৈ মাৰ্গেৰেটক নানাৰকম প্ৰবোধ বাক্যেৰে সান্ত্বনা দিলে।

( ৩০ )

## মাৰ্গেৰেটৰ উদ্দেশ্য

ব্ৰাদাৰ ক্লেমেণ্ট স্ব ইজাৰলণ্ডৰ বেচেল নগৰত দিনে-ৰাতিয়ে নানা ঠাইত বক্তৃতা দি, মৃতকৰ অন্ত্যেষ্টি সমাপন কৰি ফুৰিব ধৰিছে। এনে সময়তে ফাদাৰ জেৰোম

এদিন হঠাৎ তেওঁৰ আগত উপস্থিত হলহি। অনেক কথা-বতৰাৰ পিছত জেৰোমে কলে, "ব্ৰাদাৰ ক্লেমেণ্ট! তুমি এতিয়া ইংলণ্ডলৈ যাব নালাগে। আমাৰ পোপে আদেশ কৰিছে যে আমি এতিয়া ভিতৰৰ গাওঁ-ভুইবোৰৰ পৰা কিছু ধন সংগ্ৰহ কৰিব লাগে; তাকে কৰিব পাৰিলে আমি অনায়াসে ফ্ৰাঙ্কিস্থান্ দেশৰ লগত যুদ্ধ কৰিব পাৰিম। সেই উদ্দেশ্যে আমি ৰাইন নদীয়েদি ভটীয়াই যাওঁ বলা।"

ক্লেমেণ্ট আগ্ৰহেৰে মান্তি হল। পিছদিনা দুয়ো ৰাইন নদীৰ পাৰে পাৰে ভটীয়াই যাবলৈ ধৰিলে। ঠায়ে ঠায়ে দুয়ো দুদিন, তিনদিন থাকি বক্তৃতা দিয়ে, মৃতকৰ অন্ত্যেষ্টি সমাপন কৰে, আৰু লৰা-ছোৱালীবোৰৰ নামকৰণ কৰে। দুয়ো গৈ গৈ ইংলণ্ড পাওঁতে ফাদাৰ জেৰোম ইংলণ্ডলৈ বুলি যাত্ৰা কৰিলে; ইপিনে ব্ৰাদাৰ ক্লেমেণ্টে ছেভেনবাৰ্গেনত মাৰ্গেৰেটৰ মৈদাম বিচাৰি উলিয়াম বুলি তালৈ খোজ ললে।

ছেভেনবাৰ্গেনত ওৰে দিন ঘুৰি ফুৰি মাৰ্গেৰেটৰ কবৰৰ কোনো চিন-মোকাম নেদেখি গধূলি হতাশমনেৰে উত্ততি আহি গিৰ্জ্জাৰ ভিতৰত সোমালগৈ। তাত প্ৰায় এঘণ্টামান ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি ওলাই আহি দেখে যে এজন বুঢ়া মানুহ এটা কবৰৰ ওচৰত কোৰ এখন হাতত লৈ থিয় হৈ আছে। তেওঁ তৎক্ষণাৎ তালৈ গৈ মানুহজনক সুধিলে, "আতা, তুমি ইয়াতেই থকা নেকি?"

"হয় বোপাই, ইয়াতেই থাকো।"

"তোমাৰ ইয়াত থাকিবৰ কিমান দিন হল?"

'বহুত বছৰ হল, বোপাই! সকবেপৰা ইয়াতেই আছো।"

"বাৰু, তুমি মাৰ্গেৰেটৰ মৈদামটো মোক দেখুৱাই দিব পাৰানে?"

"হলি ফাদাৰ, ইয়াততো বহুত মাৰ্গেৰেট আছে, আপুনি বা কোন মাৰ্গেৰেটৰ কথা সুধিছে?"

"মাৰ্গেৰেট ব্ৰাণ্ড! এওঁ এজনী বৃদ্ধ চিকিৎসকৰ জীয়েক।"

"কি! পিটাৰৰ জীয়েক—মাৰ্গেৰেটৰ মৃত্যু হৈছে? ওঁ, হবও পাৰে; সিহঁত ৰটাৰ্ডমলৈ গৈছে। নাই, তাইৰ মৃত্যু হোৱা নাই যেন বোধহয়।"

ক্লেমেণ্টে এই কথা শুনি হুমুনিয়াহ পেলাবলৈ ধৰিলে। বুঢ়াজনক ধন্যবাদ দি কৃতজ্ঞতা জনাই তেওঁ কোনোবা ফালে গুচি গ'ল। (আগলৈ)

শ্ৰীশান্তিৰাম দাস

---

# মেতৰ

(১)

সি ৰজা নহয়, মন্ত্ৰী নহয়, সদাগৰ নহয়, কোটোৱাল নহয়; সি আছিল এটা দীন হীন মেতৰ। তাৰ কাম আছিল পৃথিবীৰ আৱৰ্জ্জনাবোৰ পেলাই ফুৰা।

তাৰ নাম কি, কোনেও সোধা নাই; সি ক'ৰপৰা আহিছে, কোনেও নাজানে। সকলোৰে জানে সি এটা মেতৰ। ক'ৰপৰা আহিছে—কোনেও সোধাৰ আৱশ্যক দেখা নাই।

এখন নৈৰ পাৰত এখন জুপুৰি চাল; সেয়ে তাৰ ঘৰ। ঘৰটো কিমান ডাঙৰ, তাত কিমান মানুহ থাকিব পাৰে, ঘৰৰ ফুটাইদি বৰষুণৰ পানী পৰে নে নপৰে, নৈৰ পানী আহি ঘৰ বুৰায় নে নুবুৰায়, আজিলৈকে কোনেও তাৰ ভু-লোৱা নাই। আৱকালি ভগা বেৰবোৰৰ জলঙাই দি চেঁচা ফেফেঁৰীয়া বতাহে তাৰ বুকুখন ঠক্ঠককৈ কঁপায় নে নকপায়, কোনেও বুজ লোৱা নাই।

বিশ্বৰ মাজৰ এই নিকৃষ্ট মানুহটোৱে মদত কিমান টকা উৰায়, তাৰ লৰা-ছোৱালীবোৰক শিক্ষা দিবৰ কিবা বন্দবস্ত কৰিব পাৰিছে নে নাই, কোনেও আজিলৈকে বিচাৰ লোৱা নাই। সি মেতৰ; মেতৰৰ লগতে থাকে, মেতৰৰ লগতে দিন যায়।

তাৰ বংশ কেতিয়াৰপৰা মেতৰ হল, কোন ৰজাই তাৰ কোন পূৰ্ব্বপুৰুষক ধৰাই নি মেতৰ কৰিলে, কোনেও সঠিক কব নোৱাৰে। সকলোৱে জানে সি এটা মেতৰ; কোনেও তাৰ বংশৰ আঁতিগুৰি লবৰ কোনো আৱশ্যক দেখা নাই।

যেতিয়া ভৰ দুপৰীয়া জহত ছট্ফট্ ধৰ্ফৰ্ কৰি সি নৈত গা ধুবলৈ যায়, সকলোৱে জানে সি এটা মেতৰ; সকলোৱেই জানে আঁতৰি যাব লাগে। মেতৰ সি, তাৰ অপমান নাই; সিও বোধহয় কথাটো বুজে— সি পৰখাৱৈয়েদি নামি গুচি যায়।

(২)

সেইদিনা ৰাতিপুৱাৰপৰা হুকুলডকা দৈ নৈখনত ঢল আহিছে। দলে দলে পানী চাবলৈ মানুহ আহিছে। পানী আৰু অলপ বাঢ়িলেই মেতৰৰ ঘৰটো তল যাব। মেতৰটোৱে এডোখৰ ওখ ঠাইত বহি সেই নৈখনকে চাই আছিল। সি তেতিয়া ভাবিছিল কোনোবা ঋষিৰ দৰে যদি সি গোটেই নৈখন শুহি খাই ধৰ পাৰিলেহেতেন! কিন্তু সি তো আৰু ঋষি নহয়! পানীও সি শুহি খাই ধৰ নোৱাৰিলে, ঘৰটোও পানীয়ে বুৰাই পেলালে। সি বেজাৰ মনেৰে বহুত বেলি সেই ফাললৈকে চাই বল। তাৰ পিছত আকাশখনৰ ফালে চালে, ভাৰৰ আছেনে নাই তাকে চাবলৈ। তাৰ তেতিয়া চিন্তা হৈছিল—বৰষুণ দিলে সি ক'ত থাকিব। সি যে মেতৰ, তাক যে কোনেও ঘৰলৈ নিব নোৱাৰে!—সি সোমালে যে ঘৰ পেলনি য'ব!

দূৰত এখন নাও দেখা গৈছিল। নাওখন পানীৰ মাজেদি সো সোৱাই আহি আছিল। পাৰৰ মানুহবোৰে সেই নাওখনকে চাই আছিল। মেতৰটোৱে তেতিয়া সেই ফেনে-ফোটোকাৰে ওফন্দি অহা নৈখনৰ মাজেদি আহি থকা নাওখনৰ দৰে অকলশৰে বহি কিবা ভাবি আছিল। বোধহয় তেতিয়া সি ভাবিছিল তাৰ সেই সুদূৰ দূৰত এৰি থৈ অহা দেশখনৰ কথা; বোধহয় তেতিয়া সি ভাবিছিল তাৰ পৰ্ব্বতবোৰত লৰ সিকালতে ঘূৰি ফুৰাৰ কথা।

কিন্তু হঠাৎ তাৰ চিন্তা-সোঁতক বাধা দি ভয়ঙ্কৰ চিয়ঁৰ উঠিল। সি উচপ খাই উঠি দেখে, কৰৰ নাও এখন বুৰিব খুজিছে, আৰু পাৰৰ আটাইবোৰে চিয়ঁৰ লগাইছে।

তেতিয়া চাকনৈয়াবোৰে ঘূৰি ঘূৰি পানীত উঠি অহা কাঠবোৰ তললৈ টানি লৈ গৈছিল, পানীৰ সোঁতে পাৰবোৰ খহাই পেলাইছিল, কৰধাৰপৰা অহা এছাটি ফেফেঁৰীয়া বতাহে পাৰৰ মানুহবোৰক কঁপাইছিল।

মেতৰটোৱে তাৰ বহা ঠাইৰপৰা উঠি সেই নাওখনৰ ফালে চাই পঠিয়ালে। দেখিলে, নাওখনত মানুহ

মুঠেই দুটা। কিন্তু সিহঁতৰ জীৱনৰ আশা বৰ কম; বৰ ভাল সাঁতোৰজনা মানুহ হলেহে যদি গোটেইখিনি পানী পাৰ হব পাৰে। সিহঁতে বা কিমান জানে!

কিন্তু আৰু তাৰ ভাবিবৰ আৱশ্যক নকৰিলে। সি চাই থাকোঁতেই এবাৰ নাওখন বুৰি থাকিল। পাৰৰ আটাইবোৰ মানুহেই এইবাৰ 'হায়, হায়' কৈ চিয়ঁৰি উঠিল। মানুহদুটা আগৰেপৰা সাজু হৈ আছিল; নাওখন বুৰাৰ লগে লগে সিহঁতো পানীত জাপ মাৰি পৰি গল। তাৰ পিছত পাৰৰ ফালে আগবাঢ়িবলৈ ধৰিলে।

পাৰৰ মানুহবোৰ ইমানবেলি চিয়ঁৰাতে ব্যস্ত আছিল। এতিয়া কিছুমানে নাও বিচাৰি গল আৰু কিছুমানে মানুহদুটাক উদগাবলৈ ধৰিলে।

কিন্তু সিহঁতে আৰু কিমান সাতুৰিব? পানীয়ে সিহঁতৰ হাতকেখন ঠেৰেঙা লগাই পেলাইছিল, বলো সিহঁতৰ টুটি আহিছিল। কিন্তু এতিয়াও যে পাৰ বহুত দূৰত!

পাৰত তেতিয়া বামুণ আছিল, ক্ষত্ৰীয় আছিল, মৌলবী আছিল, পাদুৰী আছিল; সকলোৱে চকুৰপৰা পানী বৈ গল, কিন্তু মৃত্যুৰ মুখত মুহঁটো সুমাই দিবলৈ সাহ কৰিব—সংসাৰত এনে কোন আছে?

কিন্তু মেতৰ সি, বোধহয় তাৰ বুদ্ধিটো অলপ কম আছিল। সি এবাৰ তাৰ লোৰৰ দাংডাংৰ দৰে টান হাতকেখনৰ ফালে চালে; তাৰ পিছমুহূৰ্ত্ততে জাপ মাৰি পানীত পৰি গল।

আকৌ এটা ৰোল উঠিল। এইটো কিহৰ ৰোল উঠিল ঠিক বুজিব পৰা নগল। বোধহয় মেতৰটোৰ দুৰ্ব্বুদ্ধিতাত আনন্দপ্ৰকাশ, বোধহয় এটা মাথোন উদগনি। কিন্তু যিটোৰ বিষয়ে একো নাজানো, তাৰ বিষয়ে একো নোকোৱাই ভাল। সৰু জাহাজৰ ভাপে চলোৱা বঠাকেডালৰ দৰে তাৰ হাত দুখনে পানী ফালি যাবলৈ ধৰিলে।

যেতিয়া সি গৈ মানুহদুটাৰ ওচৰ পালেগৈ, সোঁতে এটাক অলপ দূৰলৈ উটাই নিছিল। সি গৈ তাক ধৰিলেগৈ। তাৰ পিছত পাৰৰ ফালে আহিবলৈ ধৰিলে। ইটো মানুহৰ হাত চলাবৰ তেতিয়াও অলপ শক্তি আছিল। সি তাক পিছে পিছে আহিবলৈ কৈ নৈখন দুফাল কৰি পাৰ পালেহি। এটা আনন্দৰ ধ্বনি উঠিল।

কিন্তু ইমানবেলি সকলোৰে চকু আছিল মেতৰ আৰু মেতৰটোৱে ধৰিঅনা মানুহটোৰ ওপৰত। সিহঁতে সিটো মানুহলৈ চোৱা নাছিল। এতিয়া তালৈ চাই দেখে, তাক সোঁতে উটাই নি নৈৰ মাজ পোৱালেগৈ; সি পানী খাবলৈ ধৰিছে।

মেতৰটোৱে ইমানবেলি ভাবিছিল সি পিছে পিছে আহি আছে। সি তালৈ চকুকে দিব পৰা নাছিল। এতিয়া ঘূৰি চাই দেখি স্তম্ভিত হল, মানুহটো মৰিবলৈ বেছি বেলি নাই; তল যায় এতিয়া! সি হাত-ভৰি চলাব নোৱাৰি অৱস হৈ পৰিল।

সি তেতিয়া নিজৰ গাটোৰ ফালে এবাৰ চালে, তাৰ পিছত পাৰৰ মানুহবোৰলৈ এবাৰ চালে; তাক কিবা উপায়েৰে ৰক্ষা কৰিবলৈ কোনোবাই কিবা চেষ্টা কৰিছেনে কি? কিন্তু আটাইবোৰ তো তাৰদৰে মূৰ্খ নহয়!—নাও নাহিলে সিহঁতে কি কৰিব?

আৰু ভাবিবৰ সময় নহল। মূৰ্খ মেতৰ সি, নিজৰ বহুমূলীয়া জীৱনটোকে তুচ্ছ কৰি আকৌ জাপ মাৰি দিলেহি—তাৰ একো নোহোৱা মানুহ এটাৰ নিমিত্তে।

এইবাৰ বতাহ আৰু কোৰেৰে মাৰিবলৈ ধৰিছিল, ঢৌবোৰ আৰু ডাঙৰ ডাঙৰ হৈ উঠিবলৈ ধৰিছিল; কিন্তু এই অস্পৃশ্য মানুহটোক একোৱে ওভতাব নোৱাৰিলে। তাৰ ক'লা, শকত, ঘিণলগা হাত দুখনেৰে আকৌ পানী ফালি যাবলৈ ধৰিলে।

কিন্তু এইবাৰ আৰু তাৰ সেই শক্তি নাই। সি যেতিয়া সাঁতুৰি গৈ মানুহটোৰ হাত এখনত ধৰি টানেগৈ, তাৰ হাত প্ৰায় অৱস হৈ আছিল। সি বোধহয় আৰু নোৱাৰিব।

তেতিয়া সন্ধ্যা লাগো লাগো হৈছে, পানীবোৰ আৰু চেঁচা হৈছে; নৈৰ পানী আৰু বাঢ়ি উঠিছে। সি ভয়েৰে পাৰৰ ফালে চাই পঠিয়ালে, কিজানি পাৰৰপৰা



কৰবাৰ নাও আহিছেই! কিন্তু নাই; নাও কতো নাই। এডাল কাঠো নাই, তাতে ভৰ দি সি পাৰ পাবগৈ পাৰে।

কিন্তু মানুহ তো এনেই মৰিব নোখোজে। সি তেতিয়া লাহে লাহে মানুহটোক টানি আগবাঢ়িবলৈ ধৰিলে; তাৰ অৱস হাতেৰে পানীৰ মাজেদি বাটকুৰি বাই আহিবলৈ ধৰিলে। কিন্তু অলপ আহি আৰু নোৱাৰিলে। তাৰ হাত জঠৰ হৈ পৰিল। পাৰৰ মানুহবোৰ এতিয়া চিয়ঁৰি উঠিল, "তাক এৰি দে, তই আহ।" কিন্তু মূৰ্খ মেতৰ, তাত মান্তি নহল। সেইদৰেই আগবাঢ়িবলৈ ধৰিলে। শেহত আৰু নোৱাৰি পানী খাবলৈ ধৰিলে। তেতিয়া পাৰলৈ আৰু কুৰিহাতমান আছে। পাৰৰ মানুহবোৰে অলপ সহায় কৰিলেই এই কুৰিহাত যাব পাৰে—দীঘল কাপোৰ কেইখনমান গাঁঠি দি আগ এটা দলি মাৰি দিলেও বোধহয় মানুহকেইটা ৰক্ষা পৰে। কিন্তু নিদিলে; কোনেও নিদিলে। সেই হাতেৰে সেই মেতৰটোৱে কত লেখা বস্ত্ৰ পেলাইছে, তাৰ হাতেৰে কাপোৰখন ছুলে লেখা নহয়নে? আকৌ এখন কাপোৰ ক'ত পাব?

কিন্তু সহায়ৰ আৰু একো দৰ্কাৰ নহল। এনে এটা মানুহক ৰক্ষা কৰিবলৈ বোধহয় স্বয়ং ভগবান নামি আহে; হঠাৎ এডাল কাঠ আহি মেতৰটোৰ হাতত লাগিলহি। সি বোধহয় মৰিবলৈ সাজু হৈছিল। খপ্‌ কৰাই কাঠডালত ধৰি পেলালে। তাৰ পিছত অতি কষ্টেৰে মানুহটোক টানি আনি পাৰত মূচ্ছৰ্া গৈ পৰি গল।

তিনদিনৰ মূৰত মেতৰটোৰ চেতন হৈছিল। সি জ্ঞান পাই উঠি দেখে, সি আস্পতালত। তাৰ কাষতে আস্পতালৰ মেতৰটো থিয় হৈ আছে।

শ্ৰীবিপিনচন্দ্ৰ মুৰুৱা

---

# অসমীয়া ভাষাৰ আখৰ

## ( পুনৰ )

শব্দৰ মূল ৰক্ষা কৰা অলঙ্ঘনীয় বোলা কথাটোও আমাৰ মনে নামানে। এই জগতখনেই দেখোন মূল বিচাৰি হাবাথুৰি; বংশৰ মূল, জাতিৰ মূল, ৰোগৰ মূল, অনাদি জগতৰ মূল পৰ্য্যন্ত জানিবলৈ সকলোৱেই ইচ্ছুক আৰু নজনা বিষয়ৰ মূল উলিয়াবলৈ কত কত বিজ্ঞ মানুহ ব্যতিব্যস্ত। এই মূল ৰাখিবলৈকে কত ইতিহাস, কত পুৰাণ, কত কি! নিজ নিজ ভাষাৰ মূল ঠিক ৰাখিবলৈকো বা উলিয়াবলৈকো সকলো জাতৰ মানুহেই যত্নী। এনে অৱস্থাত যদি অসমীয়া ভাষাই নিজৰ মূল কৰ নোৱাৰে, তেন্তে কেনে অৱস্থাত পৰিব? "আসাম হিতৈষী"ৰ সম্পাদকে এবাৰ জহৰা আৰু গহৰা শব্দৰ অৰ্থ দিছিল। আন ভাষাই যদি গুৰিটো কব পাৰে আৰু অসমীয়া ভাষাই নোৱাৰে, তেন্তে সেই জহৰা বা গহৰাৰ শাৰী হে দেখো পৰিবগৈ! ইফালে অসমীয়া ভাষাই কৌটা কালৰেপৰা মূল ৰাখিবৰ চেষ্টাতে আছে, তেও এই তেল নাপাই ফপৰীয়া হোৱাৰ দিনত,—বঙালী ভাষাই এখাপ মাৰে, উৰ্দ্দু ভাষাই এখাপ মাৰে; এই থপিয়া-থপি হবই লাগিছে। মূল হেকয়ালে বা কি গতি হব কোনে জানে? ভাষাতত্ত্ববিদ পণ্ডিতসকলে কত দুখ কৰি লেটিন Pitter আৰু সংস্কৃত পিতৃ শব্দ একে বুলি ঠিক কৰিলে; আৰু তাৰপৰা ক'ত বিলাত, ক'ত ভাৰত,—দুই দেশৰে মানুহেই একে বংশৰে বুলি থিৰ হল। এতিয়া পাছলৈ যাৰ আৱশ্যক হয় উলিয়াই লব, যাৰ আৱশ্যক নাই বুলি Pitter আৰু পিতৃ শব্দৰ মূল একে আৰু বিলাত আৰু ভাৰতৰ মানুহে মূল একে বুলি লেখা পুথিবিলাক দলিয়াই পেলাব লাগিবনে?

কোনোবা ইয়াত মান্তি হবনে ? যদি নহয় দুখুনী, অসমীয়া ভাষাৰ ওপৰত নো এই উৎপাত কিয় ?

যুক্তি (৪)। ৺হেমচন্দ্ৰ বৰুৱাই মূল শব্দৰ বৰ্ণবিন্যাস ৰক্ষা কৰিবৰ আৰু এটা কাৰণ—"সংস্কৃত হজ্জ শব্দৰ অপভ্ৰংশ চাড় শব্দক হাৰ বানানেৰে লেখিলে অস্থিয়েই নে ডিঙিত শিক্ষা হাৰেই বুজা টান।" এই যুক্তি আজিকালি আনে ৰবকৈ নধৰে। কোনো ওটীয়া শব্দই ভাষাৰ চিনাকি নিদিয়ে। শব্দ যেতিয়া কোনো বাক্যত বহি কোনো অৰ্থবোধক কথা বুজাৰ, তেতিয়া শব্দৰ অৰ্থ আপুনি ফুটি ওলাব। "ঘৰৰ ছালত লাগি তেওঁৰ পিঠিৰ চাল ছিগিল"—কথাটো মুখেৰে কলে কোনেও ভুবুজাকৈ নাথাকে। পঢ়োতাই অৰ্থ কৰোতে বেমেজালি লগাব বুলি আশঙ্কা কৰি—"দ্বিতীয় ছৰ ছালত লাগি তেওঁৰ প্ৰথম চৰ চাল ছিগিল" বা "তালব্য (বা চিৰিশ) শৰ শৰে শৰে গৈ দ্বিতীয় ছৰ ছিকাৰীয়ে তালব্য শৰ শৰ পহ দন্ত্য (বা দৈত্) সৰ সৰেৰে মাৰিলে" এইদৰে স্কুলীয়া লৰাক শিকোৱাটো বাঞ্ছনীয়। একে আখৰে লিখা আন শব্দও বহুত আছে, যেনে "পাত," ইয়াৰ অৰ্থ গছৰ পাত, কিতাপৰ পাত, দলিল, পাত পাত কৰা, পতি দিয়া আৰু তাম্ৰিলাৰ্থে ব্যৱহাৰ হোৱা মাত।

আমাৰ কথা—ভাষাৰ নো উন্নতি কি ? গৰু-ছাগলীবপৰা সভ্যতাৰ টিঙৰ মানুহলৈকে সকলোৰে ভাষা আছে। গায়ে দামুৰীক বা দামুৰীয়ে গাইক মতা সকলোৱেই শুনিছে। কিন্তু গাই-দামুৰীৰ দুই তিন ৰকমৰ মাত বা শব্দতকৈ বেছি মাত বা শব্দ নাই; সেইদেখি যি গৰু গৰু হৈয়েই আছে। অসভ্য অৱস্থাত মানুহৰ শব্দও বেছি নাথাকে। লাহে লাহে মনৰ সকলোৰকম ভাৱ প্ৰকাশ কৰিবলৈ বেলেগ বেলেগ শব্দ উলিয়াব লগে লগে সভ্যতাৰ জখলাত উঠি থাকে, আৰু ভাষাৰও উন্নতি হৈ থাকে। কওঁতাজনে মনৰ যেই সেই ভাৱ কৈ যাওঁতে, শুনোতাজনে দোহাৰি সুধুধি বুজি যাব পাৰিলেই ভাষাক সম্পূৰ্ণ বুলিব পাৰি। ভাষাই কিন্তু সিমানলৈ বাট নাচায়; কওঁতাজনে কৈ যাওঁতে শুনোতাজনে দোহাৰি সোধকেই বা নোসোধক বুজি যাব পাৰিলেই ভাষাই জুৰণি লব খোজে আৰু সেই অৱস্থাতেই ভাষাৰ অলপ কেৰোণ থাকি যায়, অৰ্থাৎ কাচিৎ এটা শব্দই একে ভাৱতকৈ বেছি ভাৱ প্ৰকাশকৰিব লগাত পৰে। কোৱা ভাষাৰ এটা সুবিধা যে তেনে শব্দ ব্যৱহাৰকৰাত শুনোতাজনে কেতিয়াবা বুজাত টান পালে থিতাতে কওঁতাজনক সুধি সংশয় গুচাই লব পাৰে। লেখা ভাষাই সোধা সুবিধাটো নাপায়; সেইদেখি লেখা ভাষা কোৱা ভাষাতকৈ বেছি ফট্‌ফটীয়া হব লাগে আৰু তেনে শব্দবিলাকত বেলেগ বেলেগ চিন বা আখৰ ব্যৱহাৰ কৰায়েই যুগুত। "তৰ ৰট অজমৰ গয়" ওটো এটা লেপা, ভাষাৰে কথা কিন্তু এই ভাষাক আৰু উন্নত ভাষা বুলিব নোৱাৰি। "হাৰ ছিগিল," "চাল ছিগিল" এনে ধৰণৰ কথাৰ বেমেজালি নোহোৱাৰ বহুত দৃষ্টান্ত দিব পাৰি; কিন্তু সময় আৰু অৱস্থালৈ "তৰ ৰট"ৰ নিচিনা ক্ত হব পাৰে। ৰনেলপিড় লেখাহেতেন সেই,—ঘটনা নঘটিহেতেন। আজিকালি ভাৰতত চলিত লেখা ভাষাৰ ভিতৰত ইংৰাজীকেই সকলোৱে উন্নত বুলি ধৰে; তেও লেখা ভাষাৰ সোধা সুবিধা নোহোৱাৰ নিমিত্তে কোনো গুৰুতৰ বিষয়ৰ আলোচনাত ডাঙৰ ডাঙৰ ৰাজকৰ্ম্মচাৰীসকলে বহু ধন খৰচ আৰু দুখ কৰি লৈ একেঠাইত মুখামুখি হৈ হে আলচ কৰা দেখা যায়।

"দ্বিতীয় ছৰ ছালত লাগি………"তালব্য (বা চিৰিশ) শৰ শৰ শৰে গৈ………" এই ধৰণৰে পঢ়াই অসমীয়া ভাষা শিকোৱা আমি দেখা নাই।

একে বৰ্ণবিনাসৰে একে শব্দই কেতিয়াবা কেতিয়াবা কেবাটাও অৰ্থ কৰে; এইটো দুই কৰিব নোৱাৰি। আগেয়েই এই বিষয় কৈ অহা হৈছে; কিন্তু "পাত" শব্দটোৰ উপমা দিয়াটো ভাল নহল। "পাত" শব্দটো এটা উপশব্দ, যেই সেই পাতল চেপেটা বস্তুৰে নাম "পাত"। কিতাপৰ পাত, গছৰ পাত, কাঠৰ পাত, লোৰ পাত, যিহতে লগোৱা যায় তাতে খাটিব, যেনে—ডাল—গছডাল, লাখুটিডাল—পৰিডাল, ঠাৰিডাল।

আমাৰ নিজা কথা:—শব্দৰ মূল নৰখাৰ আৰু আপৰফলাক চুটি কৰাৰ আসোঁৱাহ ওপৰত যুক্তিখণ্ডনৰূপে বহুতো দেখুৱা হৈছে। আখৰফলাক চুটি কৰাৰ আৰু যাই আসোৱাহ এই:—

১। বঙালীসকল এতিয়া বিদ্যাই-বুদ্ধিয়ে জানে-মানে, ধনে-জনে অসমীয়াতকৈ বহুতগুণে উন্নত। তেওঁলোকৰ ভাষাত বহুত উন্নত ধৰণৰ আজি কালিৰ জ্ঞান-বিজ্ঞানৰ কথাৰ কিতাপ-কাকত আৰু পুৰণি বেদ-পুৰাণ, তন্ত্ৰ-ৰসায়ণ আদি সংস্কৃত শাস্ত্ৰবিলাকৰ ভাঙনী ওলাইছে আৰু বঙালী অসমীয়াৰ একে আখৰফলা হোৱাৰ নিমিত্তে অসমীয়া মানুহে সেইবিলাক ঘোল অনা সোৱাদ ভোগ কৰিছে। অসমীয়া ভাষাত যে সেইবিলাক কিতাপ ছপা হৈ ওলাব ই দুৰাশা। অসমীয়া আখৰফলা চুটি কৰি বঙালী কিতাপ পঢ়িব নোৱাৰা কৰিলে ইংৰাজী আৰু সংস্কৃত নজনাবিলাক তো কেতিয়াও আগবাঢ়িব নোৱাৰাকৈ কেবা হাজাৰ বছৰৰো পিছল যাব লাগিবই, ইংৰাজী আৰু সংস্কৃতজনাবিলাকৰো প্ৰায় একে গতিয়েই হব লাগিব; কিয়নো বঙালী আখৰেৰে যিবিলাক সংস্কৃত শাস্ত্ৰ ওলাইছে সেইবিলাক অসমীয়া মানুহে পোৱাটো সহজ নহব।

২। অসমীয়া আখৰ নিচিনাৰপৰা পুৰণি পুথিবিলাক এতিয়াই মানুহে পঢ়িবলৈ টান পায়। ফলা চুটি কৰি ন ফলা মতে যে সেইবিলাক পুথি লেখা হব পাৰিব ইও দুৰাশা; গতিকে ৪০।৪৫ বছৰৰ পিছত সেইবিলাক পুথি দলিয়াই পেলাব লাগিব।

৩। পুথিবিলাক আছে দেখিয়েই আজি অসমীয়া কলিকতা বিশ্ববিদ্যালয়ৰ এম·এ শ্ৰেণীত পঢ়িব পৰা এটা ভাষা আৰু অসমীয়া এটা সভ্য জাতি। নহলে হয় বঙালীৰ, নহয় মিছিমিৰ লেঙনি-ঠেঙনি খোৱাত পৰিলহেতেন। এনে পুথিবিলাকক দলিয়াই পেলোৱাৰ শ্ৰেণীত পেলাবলৈ যত্ন কৰা কোনোমতেই উচিতনহয়।

৪। ফলা চুটি কৰিলে স্কুলীয়া লৰাছোৱালীৰ মৰম কৰা নহব সিহঁতক অধঃপাতেহে নিয়া হব। ইংৰাজী আৰু সংস্কৃত নজনাবিলাকে বঙলা কিতাপ-কাকতো পঢ়িব নোৱাৰিব, অসমীয়া পুৰণি পুথিও পঢ়িব নোৱাৰিব। তেনে ধৰণৰ কিতাপ-কাকতও নিজা শিকা ভাষাত নাপাব; গতিকে স্কুল এৰাৰ পিছত সিহঁতৰ জ্ঞানৰ বাট একেবাৰেই বন্ধ হব। সংস্কৃতজনাৰো সেই একে কথা; সংস্কৃতৰ কিতাপবিলাক আজিও পোৱা একেবাৰেই অসম্ভৱ। ইংৰাজীজনাবিলাকো ভাৰতীয় অমূল্য জ্ঞানৰ পৰা বঞ্চিত হব।

৫। ইফালে অসমীয়া মানুহ যি ভয়ানক অৱস্থাত পৰিছেহি, তাকো ভাবি চোৱা উচিত। অসমীয়া মানুহৰ অস্তিত্ব থকা সম্পৰ্কেই দেখো সংশয়। বঙ্গদেশ, ছিলেঠ, কাছাৰ, আৰু গুৱালপাৰা গিলিবলৈ মুখ যে মেলিয়েই আছে এনে নহয়, অসমৰ ঘৰে ঘৰলৈকে মৈমনসিঙীয়াৰূপ সেনা-সামন্ত পঠিয়াই ৰণজিকাৰ উপায় সহজ কৰিবই লাগিছে। অসমীয়াৰ আছে কি ? নাই কৃষি, নাই বাণিজ্য, নাই মাটি, নাই শিল্প, আনকি, পিন্ধা সাজটিও নাই; শাড়ীয়ে মেখেলাৰ ঠাই দখল কৰি বহিলহি। আছে একমাত্ৰ সম্পত্তি অসমীয়া ভাষাটো। এই ভাষাৰ বলতে অসমীয়া বুলি টিঘিলঘিলাই আছে। ইয়াকো যদি মূল নাই বুলি জহৰা কৰি দিয়া হয় আৰু অসমীয়া উচ্চাৰণেৰে লেখা নহয় বুলি পুথিবিলাক দলিয়াই পেলাই, থকা ঘৰটো ভাঙি দিয়া হয়, তেন্তে অসমীয়া ভাষা কাৰ আশ্ৰয়ত ক'ত থাকিব ? শব্দৰ মূল আৰু পুথিবিলাকৰ চিন হেৰোৱা দিনত যদি বঙ্গ ভাষাই আকৌ "তই মোৰে জীয়াৰী; অতুলনীয় মানুহৰ ভাত খাই জাত নিয়ালি যদিও, মই এৰিব নোৱাৰো; চোতাল-পদূলি সৰা বাহিৰা কাম কৰিয়েই মোৰ লগত থাকহি" বুলিলে অসমীয়া ভাষাৰ "নহওঁ" বুলিবৰ কিবা বাট থাকিবনে ? ডাক্তৰ গ্ৰীয়াৰ্ছনেও ৰখা টান হবগৈ। তেতিয়া গৱৰ্ণমেণ্টে মৰম কৰি দিয়া চাকৰিকেটাৰো তিকাচন মৰি অসমীয়া মানুহে ৰৰঘৰৰ ভিতৰত 'মইৰৰ' বুলি ওফন্দাৰও আখ্যা পৰিব।

এইবিলাক আমাৰ মনত যেনে খেলাইছে সৰল মনেৰে তাকে কোৱা হল; কিন্তু আছলতে ১০০০।১২০০ বছৰীয়া পুৰণি ৰীতি এটা, আৰু সিও ভাষালৈ—যি ভাষাই সমাজ, ধৰ্ম্ম, নীতি, ৰীতি, ৰাজনীতি, আচাৰ-

ব্যৱহাৰ, সকলো সমাজৰ—এনে ৰীতি এটাৰ সালসলনি বিষয়ে মত দিয়াটো আমাৰ নিচিনা মানুহৰ কাম নহয়; অসমীয়াৰ ভিতৰত যে ইয়াৰ নায়ক কোনো আছে এনেও মনে নধৰে। "আসাম হিতৈষী"ৰ সম্পাদকৰ কথাৰেই আমিও কৱলৈ বাধ্য হৈছো যে সেই আনন্দৰামৰ পিছৰপৰা অসমত নাই এজন পণ্ডিত, নাই এজন উকীল, নাই এজন বেৰিষ্টাৰ, নাই এজন বিষয়া, নাই এজন ডাক্তৰ, নাই এজন কবিৰাজ, নাই এজন ৰাজ-নৈতিক, নাই এজন গায়ন, নাই এজন বায়ন, নাই এজন নট, নাই নাই—একো নাই। এনেস্থলত এই গুৰুতৰ বিষয়ে মত দিব পৰা মানুহ যে নাই এইটো ভাঠিয়েই কব পাৰি। সেইদেখি মহাজনৰ পথ ধৰাই উচিত। আজিকালিৰ অসমীয়া জাতিটো ভালৰ নহলেও বেয়াৰ নকল কৰাত পৈণত। এই গুৰুতৰ বিষয়ত নো নামজ্বলা মহাজন এজনৰ বাটে চলিবলৈ কিয় আপত্তি? ভাৰতত সংস্কৃতৰ জীয়াৰী বুলি দাবী কৰা ভাষা বহুতো, আৰু সকলোৰে সংস্কৃতৰ আখৰফলায়েই ফলা। নীতি-বাক্যে লগে-ভাগে মৰিবলৈকো আগবঢ়ায়। অসমীয়া ভাষাইনো আগেয়ে লগে উজাই এতিয়া ঠঁট দৰে কেলেই? ভগ্নী-ভাষাবিলাকৰ যদি কিবা দোষ দেখিছে তেনেহলে যি ৰাজভাষা, অকল বিলাত আৰু ভাৰতত নহয়, প্ৰায় পৃথিৱীতেই চলিত, যি ভাষা পৃথিৱীৰ নচলা ঠাইবিলাকত চলাবলৈ, সৰ্ব্বাঙ্গসুন্দৰ কৰিবলৈ, ৰিণ্ডাৰ গার্টেন প্ৰণালী আদি উলিয়াই লৰা-ছোৱালীক সহজে শিকিবলৈ সেই ভাৰতত মহা মহা পণ্ডিতসকলে অহোপুৰুষার্থ কৰিব লাগিছে, সেই ইংৰাজী ভাষাৰে নকল কৰিবলৈ অসমীয়া ভাষাৰ লাজ কৰা উচিত নহয় যেন দেখো। সেই ভাষা আখৰফলাৰ মতে—

ক—উচ্চাৰণৰ নিমিত্তে—c,k,ck,q আখৰ ব্যৱহৃত হয়।<br>
(সং) চ— „ „ —ch, tu<br>
ই,ঈ— „ „ —e,i,ei,ie,ee,ea,y,yie,yea<br>
উ,ঊ— „ „ —u, oo, ou, ough<br>
এ— „ „ —e, a,<br>
ঔ— „ „ —ou, ow, ough<br>
(সং)শ— „ „ —sh,sio,tio,sei,ssio,cio<br>
„ জ— „ „ —j, du

th-অৰ উচ্চাৰণ--থ, দ<br>
oo „ „ —উ, অ্যা (blood)<br>
o „ „ —অ, ও, ঔ<br>
u „ „ —উ, ইউ, অঃ<br>
a „ „ —অ, আ, এ, য়্যা<br>
e „ „ —ই, এ<br>
i „ „ —ই, আই<br>
c „ „ —ক, ছ<br>
s „ „ —ছ, জ<br>
g „ „ —গ, জ<br>
h „ „ —হ, অ<br>
gh „ „ —ঘ, ফ, অ, হ

কোনো কোনো শব্দত আখৰটো এনেয়ে থাকে, উচ্চা-ৰণ নহয়েই; যেনে—Could, Calm, Phthisis, Czar etc.

কোনো শব্দত আখৰ নাথাকে, মনতে ভাবি লৈ উচ্চাৰণ কৰিব লাগে; যেনে,—Mc-Cabe, Mc-Gregar etc.

কোনো কোনো শব্দ আকৌ আখৰেৰে লিখে এক-ৰকমে, উচ্চাৰণ কৰে একৰকমে; যেনে—House-wife, half-penny etc.

এনস্থলত অসমীয়া ফলাৰ—

ই উচ্চাৰণৰ নিমিত্তে—ই, ঈ<br>
উ „ „ —উ, ঊ<br>
ঋ „ „ —ঋ, ৰি<br>
ঌ „ „ —ঌ, লি<br>
ৡ „ „ —ৡ, লী<br>
ণ „ „ —ণ, ন<br>
শ „ „ —শ, ষ, স, চিন বা আখৰ-

কেটা মাথোন ৰখাত কি আসোঁৱাহ হব পাৰে?

চ আৰু ছৰ একে উচ্চাৰণ বুলিবও নোৱাৰি। চটো সংস্কৃত স আৰু ছ টো সংস্কৃত শৰ নিচিনাকৈহে ব্যৱহাৰ হয় যেন লাগে। য আৰু অৰ উচ্চাৰণো একে নহয়;



য আখৰ তুলি দিলে য উচ্চাৰণৰ ঠাইত ই, অ লেখিলেহে হব। ইংৰাজী ভাষাক আজিকালিৰ অতি উন্নত ভাষা বুলি সকলোৱে লৈ কাঢ়ে। ইংৰাজসকলৰ ভিতৰত যে আমাৰ অসমীয়াতকৈ বহুগুণে ডাঙৰ বিজ্ঞ দূৰদর্শী পণ্ডিত আছে, তাক কোনেও দুই কৰিব নোৱাৰে। সেই পণ্ডিতসকলে যি যুক্তিৰপৰা সেই ফলা আৰু বর্ণবিন্যাস ৰাখিছে, সেই যুক্তিৰেই অসমীয়াৰো পুৰণি ফলা আৰু বর্ণবিন্যাস ৰখা উচিত।

[এই ছেগতে আমিও এটা প্ৰস্তাৱ তুলিব খোজো, যেন উপলুঙ নকৰি অলপ ভাবি চাই এটা ঠিৰাং কৰিবলৈ সকলোৱে যতন কৰে। আমাৰ প্ৰস্তাৱ এই যে মান্যমন্ত, সমনীয়া আৰু নীচ জনৰ নিমিত্তে বেলেগ বেলেগ চলিত আপুনি, তুমি, তই আদি সর্ব্বনামবিলাক আৰু ক্ৰিয়া-বিলাক তুলি দি একেৰকম শব্দ চলতি কৰা হওক, অর্থাৎ ইংৰাজী ভাষাত you শব্দটো যেনে মানী, সমান, নীচ, সকলো মানুহতে চলিত, অসমীয়াতো তেনে কৰা হওক। এনে কৰিলে দৰাচলতে লৰা-ছোৱালী কি, বিদেশী কি, সকলো শিকাৰুৰেই এটা ডাঙৰ লেঠা কমে। এই সম্ভ্ৰম আদি বুজাবৰ নিমিত্তে কিছুমান অলাগতিয়াল শব্দ ভাষাৰ শব্দাৱলীত সোমাই ভাষাক অকল গধুৰেই যে কৰিছে এনে নহয়, এই শব্দবিলাকৰ প্ৰয়োগ-পাত্ৰ ঠিক কৰাটো লৰা-ছোৱালী আৰু বিদেশীহে নালাগে, স্বদেশী বুঢ়া পণ্ডিতসকলৰ বা কিমান টান অলপ গমি চালেই সকলোৱে বুজিব পাৰে। অচিনাকী মানুহ দুজনৰ লগ হলে, আপুনি, তুমি, তইৰ ব্যৱহাৰৰ থিৰ কৰিব নোৱৰাৰ নিমিত্তেই সেই দুজনৰ কথা নপতাৰ দৃষ্টান্ত কম নহয়। ইয়াৰ ব্যৱহাৰৰ নিমিত্তেই বহুতৰ ভিতৰত অনাহকতে খিয়লাখিয়লি যে নহয় ইও নহয়। সিফালে জাতীয় মিল-নৰ পক্ষেও এই শব্দবিলাক এটা ডাঙৰ আহুকাল। যি জাতিৰ ভাষাই কথাই কথাই মই ডাঙৰ, তই সৰু, মই ক্ষুদ্ৰ, আপুনি মহৎ ভাব সোমাই থাকে সেই জাতিৰ চেনেহৰ বান্ধোন নেথাকে বুলিবই লাগে হবলা। অস-মীয়া ভাষাৰ আই মাক সংস্কৃতেও ইমান ডাঙৰ-সৰু বিচাৰি নুফুৰে, মাথোন কোনোজনে নিজে যাক মান দেখুৱাব খোজে, তেওঁৰ নিমিত্তে 'ভৱান্' শব্দটো ৰাখিছে। পুৰণি অসমীয়া পুথি আৰু চিঠি-পত্ৰাদিতো ইমান পার্থক্য ৰখা যেন নেদেখি, প্ৰায় 'তুমি' শব্দটোকেই চলতি কৰা দেখা যায়; মাথোন গালি পৰাৰ সময়হে 'তই' শব্দৰ ব্যৱহাৰ পোৱা যায়; 'আপুনি' শব্দটো পোৱা টানেই।

আৰু এটা মন কৰিবলগীয়া কথা— 'আপুনি', 'তুমি', 'তই' ব্যৱহাৰ কৰা লোক অসমীয়াৰ ভিতৰত শতকৰা দহজনমানহে, বাকী ৯০ জনৰ ভিতৰ 'দেউতা তুমি' 'দেউতা তই' এইদৰেহে চলতি; যি ভাষাৰ যি শব্দৰ প্ৰয়োগ সেই ভাষা ভাষীসকলৰ ৯০ জনে নেজানে, সেই শব্দ সেই ভাষাত ৰাখি ৯০ জনৰ মনত সদাই নিজ ভাষা নজনাৰ কষ্ট দি থকাটোও বাঞ্ছনীয় যেন দেখা নাযায়।

শ্ৰীৰজনীকুমাৰ পদ্মপাত

# বিধৱা বিবাহ সম্পৰ্কে মতসংগ্ৰহ

( ৪ )

## শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মা এম-এ দেৱৰ মত

অলপ দকৈ ভাবিচালে দেখা যায়, বৰ্ত্তমান অসমীয়া সমাজে শাস্ত্ৰ আৰু যুক্তি একোকে মানি নচলে। পুৰণি ৰীতি-নীতিকে ধৰি থকাটোকেই আমাৰ মানুহে ধৰ্ম্ম বুলি ভাবে; ই শুভলক্ষণ নহয়। পুৰণি ৰীতি-নীতিৰ যে প্ৰয়োজন একেবাৰে নাই এনে কথা আমি কব খোজা নাই, কাৰণ এনে নিয়মবোৰে সমাজৰ মানুহক অনেক সময়ত সংযত আৰু সঙ্ঘবদ্ধ কৰি ৰাখে আৰু নতুনৰ আমদানি অবাধে হবলৈ দিলে সকলোৱে ইচ্ছামতে নতুনকে গ্ৰহণ কৰি সমাজৰ শৃঙ্খলা আৰু শান্তিভঙ্গ কৰিব পাৰে। কিন্তু পুৰণিৰ ভিতৰত যিখিনি অলাগতিয়াল বা অপকাৰী তাক বৰ্জ্জনকৰিবপৰা ক্ষমতাও সমাজৰ নাথাকিলে সেই সমাজ ক্ৰমে নিস্তেজ হৈ যায়।

বৰ্ত্তমান সময়ৰ অসমীয়া হিন্দু সমাজৰ সকলো কথাৰে আমি পৰিবৰ্ত্তন নিবিচাৰো; কিন্তু যিখিনি নহলে আমাৰ নহয়, যিবিলাক নিয়ম বা প্ৰথাই আমাক ক্ৰমে নিস্তেজ কৰি তুলিছে সেইবিলাক প্ৰথা অৱশ্যে দূৰকৰিব লাগিব।

আমি ওপৰত বিধৱা বিবাহ সম্বন্ধে কৈ আহিছো। আমাৰ বিশ্বাস যিবিলাক ছোৱালী স্বামীৰ ঘৰলৈ যোৱাৰ আগতে বিধৱা হয় সেইবিলাকৰ বিয়া দিলে কোনো নীতি বা ধৰ্ম্মৰ গ্লানি নহব; কাৰণ সকলো তিৰোতাৰে শ্ৰেষ্ঠধন সতীত্বৰ কোনো হানি নহব, আৰু অশেষ দুখ-কষ্টৰপৰা বালবিধৱাসকল হাত সাৰিব। শাস্ত্ৰয়ো এনে বিবাহত মত দিয়ে। এনে অৱস্থাত এই সমাজৰ মহৎ উপকাৰী কাৰ্য্য কৰিলে একো দোষ হবৰ আশঙ্কা নাই।

দ্বিতীয় কথা, পুষ্পিতা কন্যাৰ বিবাহ। যুক্তিৰ ফালৰপৰা চাবলৈ গলে ইও যে অতি আৱশ্যকীয় কথা তাত কাৰো সন্দেহ থাকিব নোৱাৰে। নাৰীৰ প্ৰধান কাৰ্য্য সন্তানউৎপাদন আৰু পালন। কোমল বয়সৰ ছোৱালী যে এই দুয়োটা কামৰ কাৰণে অসমৰ্থ তাক সকলোৱেই জানে। এই প্ৰথা ক্ৰমে চলি অহা কাৰণে আমাৰ মানুহ দুৰ্ব্বল আৰু অশিক্ষিত হৈ গৈছে। ১৩।১৪ বছৰৰ এজনী ছোৱালীৰ সন্তানউৎপাদনৰ কাৰণে আৱশ্যকীয় শৰীৰৰ পূৰ্ণতা নহয় আৰু সন্তানপালনৰ নিচিনা দায়িত্বপূৰ্ণ কাম এটা কৰিবলৈকো তেওঁলোক অপাৰগ। সন্তানপালনৰ লগতে অৱশ্যে আমি সন্তানক শিক্ষাদিয়া কথাটিও ধৰিছো। মাকে লৰা-ছোৱালীক সকতে যেনেভাৱে শিক্ষা দিব পাৰে, বাপেকে নোৱাৰে; অথচ এই সময়ৰ শিক্ষাই সেই লৰা-ছোৱালীবিলাকৰ ভৱিষ্যৎ জীৱন নিয়মিত কৰে। অশিক্ষিত অপটু মাকৰ পৰা লৰা-ছোৱালীয়ে কেনে শিক্ষা পাব পাৰে তাক সহজেই অনুমান কৰিব পাৰি। জাতীয় জীৱন গঠনত মাতৃসকলৰ প্ৰভাৱ অতি গভীৰ। যদি আমাৰ মাতৃসকলেই এনে দুৰ্দ্দশাগ্ৰস্ত হয় তেন্তে আমাৰ উন্নতিৰ আশা ক'ত?

১৩।১৪ বছৰতে আমাৰ ছোৱালীবিলাক শহুৰেকৰ ঘৰলৈ যায় আৰু শতকৰা ৯৯ গৰাকীৰে এইখিনিতে শিক্ষাৰ সাং হয়। প্ৰকৃততে এই সময়েই প্ৰকৃত শিক্ষাৰ সময়। ঠিক শিক্ষাৰ সময়টিতে তেওঁলোকৰ মূৰত সংসাৰৰ ভাৰ জাপি দিয়া হয়। তেওঁলোকে একালে সুবুদ্ধে সংসাৰৰ দায়িত্ব, আৰু আনকালে সুচাৰুৰূপে সংসাৰ চলাবও নোৱাৰে। তাৰ ফলত অশান্তি আৰু অসুবিধা হয়। যদি বিয়াৰ কটকটীয়া বান্ধোনটো অলপ মুকলি কৰি দিয়া হয় তেন্তে আমাৰ স্ত্ৰী-সমাজক শিক্ষাৰপৰা বঞ্চিতকৰাও নহয় আৰু গৃহস্থালিও সুখৰ হব।

পুষ্পিতা হোৱাৰ পিছত বিয়া দিলে বাল-বিধৱা আৰু নহব। অৱশ্যে কোনোৱে ক'ব পাৰে যে বিধৱা বা বাল-বিধৱাৰ বিয়া চলালেই এই কথাৰ মীমাংসা হব। আমি উত্তৰত ক'ব খোজো, যি পৰ্য্যন্ত সেই কাম দেশত নচলে তেতিয়ালৈকে এই যুক্তি অৰ্থহীন।

আমাৰ ছোৱালীবিলাকৰ স্বাস্থ্যৰ প্ৰতিও আমি চাব লাগিব। আনসময়ত সংসাৰৰ জঞ্জালত পৰি আৰু সন্তানউৎপাদন কৰি তেওঁলোকৰ স্বাস্থ্য নষ্ট হৈ যায়। কথাটি বৰ আৱশ্যকীয়, কাৰণ মাক-বাপেকৰ স্বাস্থ্যৰ ওপৰত সন্তানৰ স্বাস্থ্য নিৰ্ভৰ কৰে। বেমাৰী মাকৰ কেনে সন্তান হব তাক সহজেই অনুমান কৰিব পাৰি। ইয়াৰ উপৰিও, স্বাস্থ্য পদাৰ্থটোৰ এটা সুকীয়া মূল্য আছে বুলিও বোধকৰো সকলোৱে স্বীকাৰ কৰিব।

বৰ্ত্তমান সমাজৰ ভয়ত 'কন্যাদায়গ্ৰস্ত' পিতা-মাতাসকলে ছোৱালীবিলাকক বহুত সময়ত অপাত্ৰ আৰু কুপাত্ৰত বিয়া দিবলৈ বাধ্য হৈছে। ৬০।৭০ বছৰীয়া বুঢ়ায়ো ১১।১২ বছৰীয়া ছোৱালী বিয়াকৰোৱাটো আচৰিত কথা নহয়। তাৰ উপৰি, ছোৱালীৰ মাকে-বাপেকৰ উৎকণ্ঠাৰ সীমা নাথাকে। এনে স্থলত এই প্ৰথা চলালে সকলোৰে সুবিধা হব।

জীৱনৰ সমস্ত ঘটনাতকৈ বোধকৰো অন্ততঃ ছোৱালীবিলাকৰ পক্ষে বিয়া ডাঙৰ। অথচ এই বিষয়ে তেওঁলোকৰ একো মতামত নাই। আমি যদিও একেবাৰে য়ুৰোপৰ দৰে বৰ্ত্তমান ছোৱালীবিলাকক মতামত দিয়াবলৈ অধিকাৰী কৰিব নোখোজো, তথাপি তেওঁলোকৰ এটা সাধাৰণ মতাতৰ আৱশ্যক বুলি বিবেচনা কৰো।

বৰ্ত্তমান প্ৰথাত কিন্তু তাৰ স্থান নাই। ছোৱালীক কণা হওক কুজা, হওক এটালৈ বিয়া দিবই লাগিব। এই কথাৰ অৰ্থও আমি বুজিব নোৱাৰো। যদি কোনো ছোৱালীয়ে চিৰকাল অবিবাহিত থাকি সমাজৰ উন্নতিৰ কাৰণে জীৱন দিব খোজে, বৰ্ত্তমান সমাজে তেনে হবলৈ নিদিয়ে। ইও অতি দুখৰ কথা।

এই প্ৰথাৰ বিৰুদ্ধবাদীসকলে প্ৰথমে শাস্ত্ৰৰ কথাকে তুলিব। কিন্তু আমি কওঁ যে বেলেগ বেলেগ সময়ৰ আৱশ্যকতাঅনুযায়ী বেলেগ বেলেগ শাস্ত্ৰৰ আৱিৰ্ভাৱ হৈছিল। শাস্ত্ৰ ভালকৈ বুজি আৰু তাৰ বিষয়ে সকলো ভাবি-চিন্তি সাধাৰণতঃ কোনেও শাস্ত্ৰৰ আলোচনা নকৰে। শাস্ত্ৰৰ একখণ্ড মনা আৰু একখণ্ড নমনা—সিও এটা আমাৰ স্বভাৱ। তথাপি আমি এই বিষয়ে ভাল শাস্ত্ৰীয় যুক্তিও নাই বুলি কওঁ, অৰ্থাৎ পুষ্পিতা কন্যাৰ বিবাহৰ বিৰুদ্ধে।

দ্বিতীয় আপত্তি—শহুৰেকৰ ঘৰলৈ সৰুতে ছোৱালী আহিলে শহুৰেকৰ ঘৰত সকলো বিশেষত্ব তেওঁলোকে লাহে লাহে আয়ত্ব কৰিব পাৰিব। ডাঙৰ ছোৱালী আহিলে তেনে হবৰ সম্ভাৱনা নাই। কিন্তু প্ৰকৃততে দেখা যায়, আমাৰ বহুত ডেকাই চাকৰি কিম্বা অন্য কাম কৰি ঘৰৰপৰা আঁতৰত জীৱননিৰ্ব্বাহ কৰিবলগাত পৰে। এওঁলোকৰ পক্ষে সৰু অনভিজ্ঞ ছোৱালী কিমান অনুপযুক্ত তাক নকলেও হব। তাৰ উপৰি, সৰুতে শহুৰৰ ঘৰলৈ গলে ছোৱালীৰ মনৰ উন্নতি নহৈ মৃত্যু হয়। আৰু দেখা যায়, অপৰিণত বুদ্ধিৰ ছোৱালীয়ে অনেক সময়ত কি ভাল কি বেয়া তাক বুজিব নোৱাৰি এনেভাৱে চলে যাৰ ফলত সংসাৰৰ শান্তি দূৰ হয়। এনে অৱস্থাত এই যুক্তিৰ সাৰ আছে বুলি কব নোৱাৰি।

তৃতীয় যুক্তি হৈছে—যদি এবাৰ বান্ধ ভাঙি দিয়া যায় তেন্তে ছোৱালীৰ বিয়া হোৱাই টান হব, তাৰ ফলত সমাজত নানাৰকম কুকথা সোমাব। বৰ্ত্তমান দৰা নাপাই কন্যাৰ পিতৃ-মাতৃসকলৰ যি অৱস্থা হৈছে তালৈ চালে বেজাৰ লাগে। কিন্তু কি কাৰণে আজিৰ লৰাই বিয়া নকৰায়? আমাৰ মনেৰে তাৰ একমাত্ৰ কাৰণ আজিকালিৰ লৰাই বিয়া কৰাবলৈ ভয় কৰে। তাৰ প্ৰথম কাৰণ—বিবাহিত জীৱনত ব্যয় সৰহ, আৰু দ্বিতীয় কাৰণ, জীৱন-সংগ্ৰাম ক্ৰমে কঠোৰ হৈ আহিছে। যদি ছোৱালী প্ৰকৃত শিক্ষিত হয়, যদি গৃহস্থালিৰ সকলো কথা ছোৱালীয়ে বুজে, মুঠতে, যদি ছোৱালী জীৱন-সংগ্ৰামত লৰাৰ প্ৰকৃত সহায়কাৰিণী হব পাৰে, তেন্তে বিয়াৰ কাৰণে অনিচ্ছা নিশ্চয় কমিব। তাঁত-সূত বোৱা, সৰুতে লৰা-ছোৱালীক শিক্ষাদিয়া, কাপোৰ সিয়া, ৰন্ধা-বঢ়া আৰু কম খৰচত চলিবপৰা শিক্ষা ছোৱালীক দিব লাগিব। কিন্তু তেনে শিক্ষা দিবৰ বৰ্ত্তমান সময় নাই।

১২।১৩ বছৰীয়া ছোৱালীয়ে তেনে কাম আৰম্ভ কৰেহে মাথোন।

আমাৰ সমাজ-সেৱাৰ কাৰণে কিছুমান অবিবাহিত শিক্ষিত ছোৱালীৰো প্ৰয়োজন আছে। ভাৰতবৰ্ষৰ নিচিনা ঠাইত স্ত্ৰীজাতিৰ প্ৰকৃত উন্নতি কৰিবলৈ হলে, ভাৰতবৰ্ষৰ তিৰোতাসকলক শিক্ষাৰ পথত আগুৱাবলৈ সুবিধা দিবলৈ হলে, এনে কিছুমান শিক্ষিত ছোৱালীৰ প্ৰয়োজন যি গাৱেঁ গাৱেঁ, নগৰে নগৰে, সকলোৰকমৰ শিক্ষা দান কৰিব। এই সমাজ-সেৱা কৰ্ত্তব্যটো বৰ্ত্তমান মুনিহ-সকলতকৈ সম্পত্তি আৰু বোধকৰো সেই কাৰণেই সেৱা-টোও হয় তেওঁলোকৰেইহে। এই অধিকাৰ আমি তিৰোতাসকলকো তেওঁলোকৰ মঙ্গল সাধিবলৈকে দিয়া উচিত যেন বিবেচনা কৰো।

মুঠতে সকলোফালৰপৰাই ভাবি চাবলৈ গলে এই প্ৰথাৰ আৱশ্যকতাৰ বিষয়ে কাৰো সন্দেহ থাকিব নোৱাৰে। স্বাধীনতাপ্ৰাৰ্থী মানৱ মনক সমাজৰ অকল্যাণ নকৰাকৈ যিমানদূৰ সম্ভৱ স্বাধীনতা দিয়া উচিত। আমি এনে ধৰণৰ প্ৰশ্ন আৰু এফালৰপৰা চাব খোজো। আমাৰ সমাজত তিৰোতাসকলৰ সাধাৰণ কল্যাণ আৰু তিৰোতা আৰু মুনিহ সকলোৰেই সমষ্টি আমাৰ সমাজ-কল্যাণ—এই দুয়োটা কথাৰে কেনেকৈ চলিলে সামঞ্জস্য থাকিব আৰু উন্নতিৰ পথত আমি কেনেকৈ আগুৱাব পাৰিম? আমাৰ বিশ্বাস, যেতিয়ালৈকে সমাজৰ তিৰোতাসকল শিক্ষিত নহয় তেতিয়ালৈকে আমাৰ উন্নতি নহয়। এই ওথ হলেও আৱশ্যকীয় কথাৰ তৰফৰপৰা চালেও আমি বোধকৰো একে কাৰ্য্যপ্ৰণালীতে পৰিমগৈ।

সমাজৰ সকলো আদৰ্শ চুৰমাৰ কৰি ভাঙি আমি নতুন সমাজ পাতিব খোজা নাই, আৰু সমাজত কোনো নতুন প্ৰথা চলাবৰ হলে সেই কাম অতি সাৱধানে কৰিব লাগে তাকো আমি মানো। কিন্তু যিবিলাক প্ৰথাৰ পৰা আমাৰ প্ৰকৃত অপকাৰ হৈছে আৰু যাৰ পৰিবৰ্ত্তন নকৰিলে আমাৰ উন্নতি নাই, অৱনতিহে অনিবাৰ্য্য, সেই প্ৰথাবিলাক সাৱটি ধৰিথকাটোও সমাজক মৃত্যুৰ ফালে টানি নিয়াৰ বাহিৰে আন একো নহয়। হিন্দুৰ আদৰ্শ উচ্চ ভাব, ধৰ্ম্মজীৱনে বৰ্ত্তমান এই প্ৰথাবিলাক থকা স্বত্বেও যে আমাৰ হৃদয়ত বা জীৱনত স্থান পাব, এনে বিশ্বাস আমাৰ নহয়। শিক্ষাৰ দ্বাৰা আৰু চিন্তাৰ দ্বাৰা সেইবিলাক আয়ত্ব কৰিবলৈ আমি শিকিব লাগিব। হিন্দু আদৰ্শ যে এই প্ৰথাবিলাকৰ ওপৰত নিৰ্ভৰ কৰে সিও নহয়। কোনো সময়ত সেইবিলাকৰ আৱশ্যকতা আছিল কাৰণেই সিইতক গ্ৰহণ কৰা হৈছিল; আজিৰ দিনত তাৰ আৱশ্যকতা নাই দেখিয়েই সেইবিলাকক দূৰ কৰিব লাগিব।

## অসমত ব্ৰাহ্মণৰ বিধৱা ছোৱালী বিয়া দিয়া সম্পৰ্কে

### শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য দেৱৰ কথা

অসমত ব্ৰাহ্মণৰ ভিতৰত সৰু কালতে অৰ্থাৎ তা বয়সত বিধৱা হোৱা ছোৱালী পুনৰ বিয়া দিয়া সম্পৰ্কে আজিকালি আন্দোলন চলিব লাগিছে। ইয়াৰ লগে লগে যৌৱন কালত বিয়া দিয়া সম্বন্ধেও অনেকৰ মনত বেদবিহিত আৰু যুক্তিসঙ্গত বুলি বিবেচিত হৈছে। শাস্ত্ৰৰ বিধান, আদি যুগত, সেই কালৰ অৱস্থা অনুযায়ী যি ব্যৱস্থা, সি এই যুগত নাখাটে আৰু খাটিবও নোৱাৰে। এই নিমিত্তে সামাজিক আচাৰ-ব্যৱহাৰ আৰু ৰীতি-নীতি সকলো সময়তে যুগে যুগে সলনি হৈ অহা দেখা যায়। হিন্দুৰ সংহিতা-বিলাকেই আগৰপৰা গুৰিলৈ ব্যৱস্থা বিধি বা আইন। এই আইনবিলাক নানা ঋষিৰ নানা মত ধৰি অনেক সময় বদ আৰু বহাল হৈ আহিছে যে, ই প্ৰমাণসিদ্ধ সঁচা কথা। কিমান সংহিতা বা আইনৰনো নাম পোৱা যায় তাৰ নিৰ্ণয় কৰা কঠিন। মনুসংহিতা, বৃহস্পতি সংহিতা, অত্ৰি সংহিতা, অষ্টাবক্ৰ সংহিতা, পৰাসৰ সংহিতা, যজ্ঞবল্ক সংহিতা, আপস্তম্ভ সংহিতা ইত্যাদি। সংহিতা মানে স্মৃতি। এই স্মৃতিশাস্ত্ৰবিলাক যেতিয়া যি সময়ৰ যেনে ব্যৱহাৰ প্ৰয়োজন হৈ উঠিছিল তাক যুগে যুগে ঋষিসকলে বদ বহাল কৰি বান্ধি আহিছে, সেই নিমিত্তে আৰ্য্য জাতিৰ স্মৃতিশাস্ত্ৰবিলাক আগৰপৰা গুৰিলৈ পিলিকি পিলিকি চালে দেখা যায়, সত্য যুগৰ সামাজিক আচাৰ-ব্যৱহাৰ



ত্ৰেতাত কিছু লৰচৰ হৈ দ্বাপৰত একেবাৰে নতুন আইন বন্ধা হৈ সম্পূৰ্ণৰূপে পৰিবৰ্ত্তন হৈ পৰিল। দ্বাপৰ যুগক দুপৰ যুগ বুজায়। যি জাতিৰ যেতিয়া বল বীৰ্য্য অতি-পাত হৈ উঠে তাক দ্বাপৰ যুগ বোলে। ভগৱানৰ বিচিত্ৰ লীলা ইয়াকেইহে দেখি যে, তেওঁৰ দ্বাই নিয়ম হৈছে বিৱ-ৰ্ত্তনক্ৰিয়া-ৰহস্য। এই ঐশ শক্তিটিকে প্ৰকৃতি বোলে। প্ৰকৃতিয়ে যেনেকৈ বাহিৰ ভিতৰ দুইখনি জগতকেই ক্ৰম-বিকাশ নিয়ম অনুসাৰে প্ৰকাশ কৰি তোলে তেনেকৈ পৰিণাম ৰহস্যত ঠেকা লগাই ওভোটাই আনি পূৰ্ব্বৰ বীজৰ অহস্থাত পেলায়হি, ইয়াকে আবৰ্ত্তন অৱস্থা বোলে। সৃষ্টিৰ চাৰি প্ৰকাৰ নিয়ম—আৱৰ্ত্তন, বিবৰ্ত্তন সংবৰ্ত্তন আৰু পৰিণাম। এই চাৰি প্ৰকাৰ ঐশ শক্তি প্ৰকৃতিৰ নিয়ম অনাদি কালৰেপৰা থকা হেতুকে সৃষ্টিও সৃষ্টাৰ দৰে অনাদি। এই চাৰিটি নিয়মকেই ৰূপকভাৱে পুৰাণে চাৰিটি যুগৰূপে বৰ্ণনা কৰিছে; যথা—সত্য, ত্ৰেতা, দ্বাপৰ, কলি। কলি যুগটিকেই যেই সেই জাতিৰ পৰিণাম যুগ বুলি ধৰিব পাৰি। গোটেই দিনটি ২৪ ঘণ্টাক ভাগ কৰিলেও আবৰ্ত্তন; বিবৰ্ত্তন, সংবৰ্ত্তন আৰু পৰিণাম—সত্য, ত্ৰেতা, দ্বাপৰ, কলি এই চাৰিটি যুগ ওলাই পৰে, আৰু জন্তু কিম্বা মানুহৰ বয়সক ভাগ কৰিলেও একে কথা, মিলি যায়। সৃষ্টিতত্বৰ আবৰ্ত্তন, বিবৰ্ত্তন, সংবৰ্ত্তন আৰু পৰিণাম, প্ৰকৃতিৰ এই চাৰিটি ৰহস্যই অনৱৰত ছেদভেদ নোহোৱাকৈ সৃষ্টি গঢ়িছে, ভাঙিছে আৰু উলটি গঢ়িছে, উলটি পাতিছে। যেনেকৈ অকণিমান বীজ বা গুটিৰ ভিতৰতে বট বৃক্ষ জুপি সোমাই আছে, তাৰপৰা ওলাই ঠালে পাতে প্ৰকাণ্ড গছজোপা হল, তাৰ পাছত গছ মৰি উলটি গুটিটিৰ ভিতৰতে সোমাল, সৃষ্টিও তেনেকুৱা কথা। এইদৰে ব্যক্তিগতভাৱে আৰু জাতিগতভাৱেও উন্নতি-অৱনতি মিলি যায়। বৰ্ত্তমান আমি যি য়ুৰোপীয় প্ৰধান শক্তিশালী জাতিবিলাকৰ দুপৰীয়া যুগৰ উন্নতি দেখি তধা মানিছোহক, মনেৰে ভাবিছো—সৰ্ব্বতিকাল যেন ইহঁতে পৃথিবীৰ আম আনি দুৰ্ব্বল জাতিবিলাকক তলতীয়া গোলাম কৰি একেদৰেই থাকিব। কিন্তু তেনে নহয়। প্ৰকৃতিক অতিক্ৰম কৰিব কিহে পাৰে? সিহঁতো এসময় আবৰ্ত্তনৰ ভিতৰত সোমাবই সোমাব। উলটি তাৰ পৰা ওলাই বা বিবৰ্ত্তীত হৈ আগৰ ইংৰাজ, আগৰ ফৰাছী, আগৰ জাৰ্ম্মাণ হৈ নাথাকিব। আৰু সিহঁতৰ তেতিয়া আগৰ ভাষা, দস্তৰ-ব্যৱহাৰো একো নাথাকিব। একো-একোটি অভিনৱ নতুন জাতি হৈ উঠিব; তেতিয়া এনেবিলাক জাতিৰপক্ষে অতি অতীজৰ ঋষি-বিলাকৰ দিনৰ কি সামাজিক, কি ৰাজনৈতিক নিয়মবন্ধা নাখাটিব; নতুন জাতিলৈ নতুন ঋষিয়ে বন্ধা নিয়ম-কানুনৰহে প্ৰয়োজন হব। বৰ্ত্তমান ভাৰতত বৈদিক যুগৰ আৰ্য্য জাতিও নাই, ঋষিও নাই; আৰু বৰ্ত্তমান ভাৰতত হিন্দু নাম লই যিটি জাতি উঠি আহিছে সেইটি আৰ্য্যজাতি নহয়, ই এটি অভিনৱ নতুন জাতি। এই জাতিলৈ বৰ্ত্তমান কি সামাজিক, কি ৰাজনৈতিক, ব্যৱস্থা আগৰ দিনৰ প্ৰাচীন ঋষিসকলে তেওঁবিলাকলৈ সেই সময়ৰ লগতিয়ালমতে যি নিৰ্ণয় কৰিছিল, সি এতিয়া হিন্দুলৈ নাখাটে। এতিয়াৰ দিনৰ ঋষিসকলে বৰ্ত্তমান সময়-উপযোগী কৰা নিয়ম-ব্যৱস্থাহে আমালৈ খাটিব। ঋষি যে আগৰ দিনতহে আছিল, এতিয়া নাই, এনে নহয়। ঋষি মানে দৃষ্টিকাৰক; ভূত, বৰ্ত্তমান, ভৱিষ্যতৰ তত্ত্ব-জ্ঞান দৰ্শক। বৰ্ত্তমান ভাৰতৰ যিসকল মহানলোকে হিন্দুজাতিৰ উত্থানৰ নিমিত্তে চেষ্টা কৰিছে, সেইসকলেই ঋষি। এইসকলেই ভূত বা অতীতৰ যিটি নিতান্ত সত্য, তাতে খোপনি লৈ বৰ্ত্তমানক ধৰি ভৱিষ্যতৰ বাটৰ কাঁইট-জেং কাটি, বহু ত্যাগস্বীকাৰ আৰু কষ্টসহ্য কৰি তাক মুকলি কৰি আমাক সেইবাটে পোনাই যাবলৈ দেখাইছে। তাক এৰি আমি বাট হেৰুৱাই কণামুনি-কোৱাই কুৰা কথাই হৈছে বৰ্ত্তমান আমাৰ হিন্দু জাতিৰ অজ্ঞানতা অৱস্থা। যেনেকৈ সূৰ্য্য উদয় হব ধৰাৰ আগতে কালৰাত্ৰি বা দোকমোকালি সময় এটি আহিপৰে, ভাৰতৰ হিন্দুজাতিৰ বৰ্ত্তমান উত্থান দিন অহাৰ আগতে তেনে সময়টি হৈ পৰিছে।

এই সময়ত আমাক নতুন যুগৰ নতুন ঋষিয়ে হাতত ধৰি "মহাজনো যেন গতঃ স পন্থাঃ"—যিটি বাট দেখাইছে সেইটি বাটধৰি চলাহে কৰ্ত্তব্য। আমি

আৰ্য্য ঋষিসকলৰ দোহাই দিও আৰু তেওঁবিলাকৰ দিনৰ সামাজিক ব্যৱস্থামতে চলিব খোজো ; কিন্তু আমি প্ৰাচীন আৰ্য্যসকলৰেসৈতে বৰ্ত্তমান আকাশ-পাতাল প্ৰভেদ হৈ পৰিছোঁহক। আমাৰ সেই আৰ্য্য চেহেৰা নাই, বৰণ নাই, ভাষা নাই, স্বাধীনতা নাই, বল-বীৰ্য্য নাই আৰু সেই কালৰ সামাজিক ব্যৱস্থা যেনে আছিল সেইমতেও আমি বৰ্ত্তমান চলা নাই। আমি এতিয়া আবৰ্ত্তনৰপৰা ছুটি ওলোৱা হিন্দুনামধাৰী এটি অভিনৱ নতুন জাতি। আমি কলিযুগ বা তমোগুণৰ ঢাকনিৰ ভিতৰত সোমাই, সূৰ্য্য অস্ত যোৱাৰদৰে অস্ত গৈ, এতিয়া পুনৰ উদয় হব ধৰিছো ; আমি এতিয়া কালি কি আছিলো অকল সেই কথাকে লৈ থকাৰ সময় নহয়। নতুন দিনৰ নতুন জ্ঞান মতে চলিলেহে আমি নতুন বল পাম আৰু আমাৰ অস্তিত্ব ৰক্ষা কৰিব পাৰিমহক ; নহলে কলিৰ অন্ধকাৰ ময় আৱৰ্ত্তৰ ভিতৰত সোমাই ঘুৰমুটিয়াই থাকোতে থাকোতেই দিন যাব। শেহত হিন্দুজাতিৰ অস্তিত্ব একেবাৰেই লোপ পাব। এতিয়া, আমি ঘোৰ পতন আবৰ্ত্তনৰপৰা প্ৰাকৃতিক গতিমতে ওলাব ধৰিছো। এই হেতুকে এতিয়া আমাৰ নতুন জন্ম, আৰু আমি এই যুগৰ নতুন জাতি। আমাৰ সমাজৰ ব্যৱস্থা আৰু ৰাজনৈতিক নিয়ম বা বিধান কিদৰে কৰিলে বা নকৰিলে আমাৰ সুবিধা বা অসুবিধা হয় তাকহে আমি বুজ পাওঁ মাথোন ; পূৰ্ব্বৰ আৰ্য্য ঋষিসকলৰ বিধান ব্যৱস্থা এতিয়া আমালৈ নাখাটে। তাৰ ভিতৰৰ যিবিলাক কথা বিবেকঅনুমোদিত সত্য বস্তু, সি হলে সকলো যুগতেই খাটে। বৰ্ত্তমান যুগৰ উপযোগী আৰু তাৰেসৈতে মিলা যিবিলাক শাস্ত্ৰৰ নিয়ম পোৱা যায় তাৰ লগত যোগ দি আজিকালি আমি নতুন যুগ দেখোৱা মতে ধৰ্ম্ম, সমাজ আৰু ৰাজনীতি সংস্কাৰ কৰি লবলগীয়া দিন আহিছে, সেয়ে নহলে আমি জাতীয় অস্তিত্ব ৰক্ষা কৰিব নোৱাৰিম যে থিৰাং কথা। ৰোম আৰু গ্ৰীছ, এই দুটি জাতিও একেবাৰে অস্ত গৈ আবৰ্ত্তনৰ ভিতৰত সোমাই পুনৰাই, বৰ্ত্তমান আৰ্য্য জাতিৰ ঠাইত আমি হিন্দু নাম লোৱাদৰে, ইটালী আৰু নতুন গ্ৰীছ নাম লৈ উদয় হল। এই দুটি জাতিয়ে আমাৰদৰে আগৰ ভাষাও নাই সামাজিক আচাৰ-ব্যৱহাৰ আৰু ৰাজনৈতিক বিধানো নাই। সিহঁতে অতীত যুগত থকা নিয়ম ব্যৱস্থা এৰি, নতুন জাতি হৈ নতুন ব্যৱস্থা, নতুন যুগৰ লাগতিয়ালমতে ধৰা হেতুকে বৰ্ত্তমান স্বাধীনতা লাভ কৰি উলটি অতীতৰ পিতৃপুৰুষৰ নাম আৰু গৌৰৱ ৰক্ষা কৰিব পাৰিছে। আমি হিন্দু জাতিয়ে অতীতৰ কেতবিলাক কুসংস্কাৰপূৰ্ণ ৰীতি আৰু নিয়ম এৰিব নোখোজা গতিকে বাৰে বাৰে পৰাধীন হৈ ক্ৰমে পৰ জাতিবিলাকৰ লগত মিহলি গৈ ক্ষয়প্ৰাপ্ত হৈ থাহিব ধৰিছো। আমাৰ গাই গাই একো-একোটি ধৰ্ম্ম আৰু জাতিভেদেই মূৰ খালে। আমি সত্য বা বৈদিক যুগৰ ঋষিবিলাকৰ মতত বৰ্ত্তমান যদি চলো তেনেহলেও এতিয়াৰ সভ্য জাতিসকলৰ লগত প্ৰায় আমাৰ নীতি-নিয়ম মিলি যাব। এই ঠাইত বৰঞ্চ আমি অহঙ্কাৰ কৰি কবহে পাৰিম—"হে বৰ্ত্তমান সভ্যজগত! আমাৰ প্ৰাচীন পূৰ্ব্ব পিতৃপুৰুষসকলে যি জ্ঞান-বৰ্ত্তি জ্বলাই গল তাৰ পোহৰতেইহে বাট দেখি এতিয়া তোমালোক ওলাব পাৰিছা। বৰ্ত্তমান আমি সমাজ-সংস্কাৰ কৰি লবলৈ, প্ৰায় দেখা যায়, অনেক ঠাইত নতুন ব্যৱস্থা বান্ধিব লগাত নপৰিছে। স্মৃতিবিলাকতেই প্ৰয়োজন হলে জাত নামানি সমুদ্ৰযাত্ৰা আৰু ম্লেচ্ছৰ বাস কৰা বিধানো আছে, আৰু অখাদ্য খালেও জাত নমৰা কথাও শাস্ত্ৰত পোৱা যায়। যৌৱন-বিবাহ আৰু বিধবা-বিবাহ কৰা ব্যৱস্থাও শাস্ত্ৰসন্মত। আমি কিন্তু কথাই কথাই শাস্ত্ৰৰ দোহাই দিওঁ হয়, শাস্ত্ৰ মানি হলে অকণো নচলো। বিধবা বিবাহ আৰু যৌবন বিবাহ সম্পৰ্কে বৰ্ত্তমান অসমত ক্ৰমে সপক্ষে বিপক্ষে আলোচনা চলিব ধৰিছে যে, ই এটি শুভ লক্ষণ। এই সম্বন্ধে আমি গোলাঘাটৰ মধুমিশ্ৰ সত্ৰৰ অধিকাৰ, পৰম দেশ হিতৈষী শ্ৰীযুত দ্বাৰিকানাথ গোস্বামীৰ যোৰহাটৰ সভাত দিয়া নিজা প্ৰস্তাৱবিলাক আৰু তেখেতে তাৰ লগতে পঠোৱা শ্ৰীযুত হৰিচৰণ দেৱ গোস্বামী মুকলি মুৰী ভট্টাচাৰ্য্যৰ সন্মতিপত্ৰ আৰু কৃষ্ণমিশ্ৰ সত্ৰৰ শ্ৰীযুত মহেন্দ্ৰ নাথ দেৱ গোস্বামী ব্যাকৰণতীৰ্থৰ সংস্কৃত ভাষাৰে লেখা সন্মতিপত্ৰ প্ৰকাশ কৰিলো। এই কথা ধৰি



আমাৰ অসমীয়া কৃতবিদ্য যুবক একজনৰো যি প্ৰবন্ধটি পোৱা হৈছে তাকো প্ৰকাশ কৰা গল ; ব্ৰাহ্মণ পণ্ডিত সকলে যেন বিচাৰ কৰি দেখে। এই সম্পৰ্কে আমাৰ জ্ঞান-বিবেকে যি কয় তাক কবলৈ আগবাঢ়িলো। আগতে যে দেখাইছো সৃষ্টিৰ মূলত আবৰ্ত্তন, বিবৰ্ত্তন, সম্বৰ্ত্তন আৰু পৰিণাম, এই চাৰিটি ৰহস্যৰ ক্ৰিয়া অনাদি, ইয়াকে সৃষ্টিৰ নিয়ম বোলে। ইয়াৰেইপৰা সৃষ্টিৰ উৎপত্তি, ক্ৰমবিকাশ, স্থিতি আৰু বিলয় হৈ পুনঃ পুনঃ উদয় হৈ একে একে নিয়মতেই সৰ্ব্বতিকাল চলি আছে ; এই হেতুকে স্ৰষ্টাৰ যেনে ধ্বংস নাই, সৃষ্টিৰো তেনে ধ্বংস নাই। সৃষ্টিৰ মাথোঁ আমাৰ চকুৰে উদয় আৰু অস্তৰ যি ব্যৱধান দেখো, স্ৰষ্টাৰ পক্ষে তেনে নহয় ; তেওঁ সৰ্ব্বতিকাল বিদ্যমান, তেওঁত উদয়-অস্তৰ ব্যৱধান নাখাটে। কাৰণ, তেওঁ কালৰ অতীত, সৎবস্তু সত্বগুণ তেওঁৰেই গুণ ; কিয়নো, তেওঁ সৎ। এই সত্বগুণৰ সৃষ্টি, উৎপত্তি, বিকাশেই ৰজো গুণ ; ইয়াৰ আহৰি লোৱা অৱস্থাটিকে বোলে তমোগুণ। সত্বঃ ৰজঃ তমঃ এই তিনটি গুণে বিৰাম নোহোৱাকৈ কাৰ্য্যকৰা শক্তিকেই বোলে প্ৰকৃতি। এই মহাশক্তি, আদ্যা শক্তি প্ৰকৃতিৰ সৃষ্টি কৰা কাৰ্য্যক একোৱে বাধা দিব নোৱাৰে ; এই হেতুকে জীৱৰ সন্তান জন্মোৱা ইচ্ছা অনিবাৰ্য্য। ইয়াক নিয়মিত মতে মানুহে নাৰাখি বাধা দিবলৈ গলেই সমাজ বিশৃঙ্খল হয়, আৰু তাত নানা প্ৰকাৰৰ পাপ সোমায়। পুৰুষ স্ত্ৰী উভয়ে সন্তান জন্মোৱা অভিলাষ প্ৰকৃতিয়ে দিয়া আকাঙ্ক্ষা। ই অনিবাৰ্য্য। এই কাৰণে পুৰুষেও যৌৱন অৱস্থাত তিৰোতাৰ অভাৱ বোধকৰে, তিৰুতাইও সেইদৰে পুৰুষৰ অভাৱ বোধকৰে। এনে অভাৱ-পূৰণ নহলেই সমাজত ব্যভিচাৰ দোষ সোমোৱা স্বাভাবিক। ভাৰতৰ হিন্দু সমাজৰ ভিতৰত অপইতা কাগৰ ৮।৯।১০ বছৰীয়া ছোৱালী বলেৰে বিয়া দিয়া অৱস্থাত অকুমাৰী কালতে স্বামীৰ মুখ নেদেখাকৈ বিধবা হলে দেশাচাৰ কুৰীতিমতে পুনৰ বিয়া দিয়া প্ৰথা নথকা হেতুকে বৰ্ত্তমান সমাজত যিবিলাক জঘন্য পাপ সোমাইছে আৰু হতভাগিনী বালবিধবাসকলৰ যেনেবিলাক বিলাই-দুৰ্গতি হৈছে, তালৈ মনকৰিলেই শোকে খুন্দামাৰি ধৰে সকলোবিলাকেই যে বৈধব্য ব্ৰত পালন কৰি আদৰ্শ বিধবা হৈ কামাতুৰ পুৰুষৰ কটাক্ষলৈ ভ্ৰূক্ষেপ নকৰাকৈ থাকিব পাৰে, ই অসম্ভৱ কথা। শুদ্ধাচাৰিণীভাৱে বৈধব্যব্ৰত পালন কৰা কাচিত কোনোজনা বিধবা থাকিলে তেওঁন জনা দেৱী-প্ৰতিমাক দেখা মাত্ৰকে পুৰুষৰ পাপ-মানস পলাই আঁতৰ হয়, তাৰ ভুল নাই ; কিন্তু এনে আদৰ্শ বিধবা কৌটায়েকৰ ভিতৰ গুটিয়েক বিচাৰিলে পৃথিৱীৰ সকলো জাতিৰ ভিতৰতে পোৱা যায়। ই মানৱ প্ৰকৃতিৰ কৰ্ত্তব্য বিষয়ৰ কথা নহয়, ইয়াক অতি-প্ৰকৃতি বা দেৱ-প্ৰকৃতি বোলে। আমাক লাগে মানুহ হৈ সংসাৰৰ ভিতৰত থাকি সংসাৰ বৃদ্ধিকৰা আৰু ন্যায়-অন্যায় বিচাৰ কৰি তাৰ উন্নতিসাধন কৰা কথা। বৰ্ত্তমান সময় যদি আমি বাল্যবিবাহ উঠাই যৌৱন বিবাহ প্ৰবৰ্ত্তন নকৰো আৰু বিধৱা বিবাহ চলাব নধৰো, তেনেহলে সমাজৰ ভিতৰত নানা প্ৰকাৰ পাপৰ সোঁত আমি কোনোমতেই বন্ধ কৰিব নোৱাৰিম। এই সম্বন্ধে আমাৰ অসম প্ৰদেশ ভাৰতৰ ভিতৰত আন আন প্ৰদেশতকৈ অনেকগুণে উন্নত। আমাৰ কেৱলমান কায়স্থ আৰু ব্ৰাহ্মণ সকলক বাদ দি শূদ্ৰৰ ভিতৰত ওখ শ্ৰেণীৰপৰা তললৈকে গোটেই অসমীয়া জাতিটিৰ বিধবা বিবাহত বাধা নাই আৰু চলিয়েই আছে। হোমপোৱা আৰু থাকমণি পিন্ধোৱা দুবিধ বিবাহেই অসমত প্ৰচলিত আৰু আইনসঙ্গত। শূদ্ৰাদিৰ বিধবা বিবাহ থাকমণি পিন্ধোৱা মতেই চলে। এই বিধবা বিবাহ এই সকলৰ ভিতৰত চলি থকা কাৰণেই এইসকলৰ নাৰী জাতিয়ে সৰ্ব্বতিকাল সন্মান ৰক্ষা কৰি আছে। বিধবা বিবাহৰ আন্দোলন ওখ শ্ৰেণীৰপৰা তল শ্ৰেণীলৈকে শূদিৰৰ ভিতৰৰ কোনেও নকৰে, তেখেতসকলৰ ভিতৰৰ অনেকে এই কথা কয় যে ব্ৰাহ্মণবিলাকৰ যি হয় হক ; ব্ৰাহ্মণেই দেশ তললৈ নিয়ালে আৰু ব্ৰাহ্মণ বিধৱায়েই সাতপুৰুষ নৰকত পেলাই অসমীয়া জাতিৰ নাক কটালে। কথাটি পিতিকি চালে সঁচা। শ্ৰীযুত দ্বাৰিকানাথ গোস্বামীয়ে বক্তৃতাত যিবিলাক কথা কৈছে সকলোবিলাকেই

মঁচা। কিন্তু সৃষ্টিপ্ৰবাহ কেতিয়াও বদ্ধ নহয়। কামৰূপৰ কাষে ব্ৰাহ্মণ সমাজে পতিত হোৱা পুৰুষজনৰ জাত ৰক্ষা কৰি হতভাগিনী বিধৱা ব্ৰাহ্মণ কন্যাজনীক নিষ্ঠুৰভাৱে ঘৰৰপৰা উলিয়াই নিৰাশ্ৰয়া কৰি খেদি দিয়াৰ কাৰণে গুৱাহাটীৰ কুমাৰ গাঁওখন ভৰিছে। তাত অনেকে হয় বেশ্যা বৃত্তি ধৰিবলৈ বাধ্য হয়, নহয় চীনজাতৰ মানুহত আটলু তিকতা হৈ থাকিবলৈ বাধ্য হয়। অনেকক জাহাজৰ খালাচী আদি নিম্নতৰ মুছলমানেও শেহত লৈ যোৱা বুলি শুনা যায়। শিৱসাগৰ, যোৰহাট, আৰু নগাওঁৰ কালৰপৰা শুনা যায়, অনেকে কোনো কোনো দুশ্চৰিত্ৰৰ ব্যাভিচাৰ ছাৰখাৰ আৰু কোনো দুশ্চৰিত্ৰৰ বিদেশী স্বদেশী কেৰাণী বাবুসকলৰ প্ৰথমতে ভোগ্যা হৈ শেহত এবা পৰিলে বেশ্যা বৃত্তি ধৰে। নগাওঁৰ ফালে আজিকালি অনেক মৈমনছিঙীয়া মুছলমানেও বোলে লিছে। আগতে দেখুৱাই আহিছো যে মানৱ সমাজৰ নিয়মৰ ব্যৱস্থা সৰ্ব্বতি-কাল একেদৰে নাথাকে, সি যুগে যুগে পৰিবৰ্ত্তন হয়। যি সময়ত যিটি ঔষধে যিটি ৰোগ আৰোগ্য কৰিছিল, আন সময় অন্য উপসৰ্গ ঘটিলে সেইটি ৰোগলৈ আগৰ ঔষধটি বিষতুল্য হয়। এই নিমিত্তে অলপ বয়সীয়া অকুমাৰী ছোৱালী বিয়া দিয়া আৰু বিধবা হলে সহমৰণ প্ৰথা, আৰু পুনৰাই বিয়া দিয়া নিষেধ ব্যৱস্থা যি কাৰ-ণত একালে সমাজত প্ৰচলিত হৈ সুব্যৱস্থাৰূপে খাটিছিল, বৰ্ত্তমান কালত সেই ব্যৱস্থাই সমাজত ব্যভিচাৰ, ভ্ৰূণ-হত্যা আদি মহাপাপ সুমালে। এতেকে অসমৰ ব্ৰাহ্মণ-সমাজে বিধবা বিবাহৰ ব্যৱস্থা কৰক আৰু ঋষিৰ সম্মত গ্ৰহণ কৰক।

---

# মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ

## দ্বাদশ অধ্যায়

## স্বৰ্গদেৱৰ দিনৰ শিলৰ আৰু তামৰ ফলিৰ পাঠ

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ ৰাজ্যৰ কাল সুখ-সমৃদ্ধিৰ দিন আছিল। সেইদেখি স্বৰ্গদেৱে আজ্ঞা দি উপযুক্ত মন্ত্ৰীৰ দ্বাৰাই মঠ-মন্দিৰ দোল-দেৱালয় পুখুৰী আদি সজাব পাৰিছিল, আৰু নানান ব্ৰাহ্মণক মাটী-বাৰী বহতা-পাইক মানুহবোৰতে দেৱত্ৰ ব্ৰহ্মত্ৰ কৰি দিছিল। সেই মন্দিৰ আৰু মাটী-বৃত্তি-দানৰ যিমানদূৰ সম্ভেদ পাইছো আমি দিলো। বিবোৰ ফলি আমি পোৱা নাই, আশাকৰো কোনো উদ্যোগী লোকে তাক উদ্ধাৰ কৰি প্ৰকাশ কৰিব। ৰাজেশ্বৰ সিংহৰ দিনৰ সকলো ফলি বা তাৰ পাঠউদ্ধাৰ কৰিলে ভবিষ্যত বুৰঞ্জীসঙ্কলনৰ বাট বৰ সুচল হৈ পৰে। এতিয়াও আহোমৰজাসকলৰ শিলৰ ফলি আৰু তামৰ ফলি মাজে মাজে পোৱা যায়, কিন্তু কিছু দিনৰ মূৰত সি অদৃশ্য আৰু দুষ্প্ৰাপ্য হৈ পৰিব। সেইবোৰ ফলিৰপৰা ৰজাসকলৰ সংস্কৃতচৰ্চ্চা, ৰজাৰ দানশীলতা, অসমৰ ৰাজস্ব প্ৰথা, অসমৰ কৰ-কাটলৰ ব্যৱস্থা আদি নানা কথা জানিব পাৰি। আগলৈ কোনো ৰজাৰ বিষয়ে আন কোনো কথা নাপালেও এই ফলিৰপৰা ৰজাৰ শাসনৰ বিষয়ে বহুত কথা অনুমান কৰি লব পৰা যাব। ভাৰতৰ বৌদ্ধসম্ৰাট "প্ৰিয়দৰ্শী" অশোকৰ ৰাজত্বৰ বিষয়ে ধাৰাবাহিক বুৰঞ্জী অকল অনুশাসন বোধৰপৰা উদ্ধাৰ কৰিবলৈ ভাণ্ডাৰকাৰ আদি পণ্ডিতে যত্ন কৰিছে। কামৰূপৰ হিন্দু যুগৰ বিষয়ে শৃঙ্খলাবদ্ধ বুৰঞ্জী সংকলনকৰা কিমান টান হৈছে তাক সকলোৱে জানে। অতি দূৰ ভবিষ্যতৰ অসমৰ ছ-শবছৰীয়া দুৰ্দ্ধৰ্ষ আহোম ৰজা যে প্ৰাচীন হিন্দুযুগৰ ৰজাসকলৰ দৰে নাম মাত্ৰ সাৰ হব তাক কোনে বিশ্বাস নকৰিব? গতিকে ভৱিষ্যতৰ কাৰণে বৰ্ত্তমান অভিজ্ঞতাৰ সহায় লৈ আজি বুৰঞ্জীৰ যথেষ্ট সমুলি থৈ দিয়া যুগুত। অসমত আহোমৰ শাসন মাথোন



এশবছৰৰ পূৰ্ব্বে অস্ত পৰিছে, কিন্তু সদায় এই ব্যৱধান এশবছৰীয়া হৈ নাথাকে; কালৰ গতিত এই এশবছৰ এহেজাৰ বছৰ হব, এহেজাৰৰ ঠাইত পাঁচহেজাৰ বছৰ হব। তেতিয়াৰ দিনৰ মানুহে যেন আমাৰ বুৰঞ্জী-অনুৰাগ দেখি ধন্য ধন্য কৰে।

### ১। নীলাচলৰ কেদাৰনাথৰ মঠৰ গদ্য

স্বস্তি শ্ৰীশ্ৰীসৌমাৰেশ্বৰ ৰাজেশ্বৰসিংহ নৃপাজ্ঞয়া তৰুণদুৱৰা বৃহৎফুক্কণেন শ্ৰীকেদাৰলিঙ্গোপৰি মঠোয়মকাৰি ৰামমুনিৰসেন্দু শাকে ॥ ১৬৭৩ ॥

### ২। বৰফুকনৰ দোপদৰৰ পশ্চিমদ্বাৰৰ গদ্য

স্বস্তি নিকাম সমুদ্দাম গুণগ্ৰাম বিশ্ৰামধাম কামান্তি-ৰাম যশোজ্জিত সুধাধাম ধামাধিপ গুণীতাগুণ প্ৰতত প্ৰতাপ প্ৰতাপমানদানসন্তান কৰ্ণায়মান শ্ৰীশ্ৰীমৎ স্বৰ্গনাৰায়ণ ৰাজে-শ্বৰাণাং চৰণচাৰণদাৰুণৰণকোবিদ কৈলাসকাশ সংকাশ যশোনিবাস বাগ্বিলসম্ভৱপুৰাৰতাৰাবধি স্বৰ্গ নৰেশসেবীবংশ ভূষণ শ্ৰীমৎ তৰুণদুৱৰা বৃহৎফুক্কণোহতি সুন্দৰ সভামন্দিৰ-স্যাজিতাখ্য পশ্চিমদ্বাৰমিদং চাৰুকাৰুভিৰকাৰয়ৎ সেনা-তুৰঙ্গৰসেন্দুশাকে ॥ ১৬৭৪ ॥

### ৩। চিত্ৰাচলৰ মঠৰ গদ্য

স্বস্তি স্মৰহৰচাৰণ বৈৰিবাৰণ দাৰণ পঞ্চানন প্ৰতাপ তপননৃপনিকৰশিৰোৰত্ন নীতিৰত্নাকৰ শশধৰপৰৰ যশোধৰ বাশৱবংশাৱতংশ শ্ৰীশ্ৰীমৎ স্বৰ্গনাৰায়ণ ৰাজেশ্বৰসিংহ নৰে-শ্বৰাণামাদেশতঃ তন্মন্ত্ৰিপ্ৰৱৰ প্ৰাগ্জ্যোতিঃ পুৰাশেষ সেনা-নায়ক নশোজ্জিত সুধাৰাতি তিমিৰ মিহিৰ স্বৰ্গাৱতাৰবিধি স্বৰ্গানৰেশসেবীবংশবিভূষণ শ্ৰীমত্তৰুণদুৱৰা বৃহৎফুক্কণো বিচিত্ৰ চিত্ৰাচলয় নৱগ্ৰহাত্মক শিৰোপৰি নৱৰত্নাখ্যমধ-মিমমচীকৰদ্বেদাদ্ৰি ৰসেন্দুশাকে ॥ ১৬৭৪ ॥

### ৪। চিত্ৰাচলৰ পুখুৰীৰ গদ্য

স্বাও প্ৰচণ্ড কোদণ্ডকাণ্ডযমদণ্ড দণ্ডিত একাতাৰিমুণ্ড-মণ্ডলীমণ্ডিত ভূখণ্ডাখণ্ডল প্ৰবলযশোজ্জিত সুধাধাম কামান্তি ৰাম ধামাধিপাধিকধাম সুত্ৰামগোত্ৰনন্দ সিন্ধু শশধৰ নৃ নি-কৰ শিৰোদাস শ্ৰীশ্ৰীমৎ স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ নৰেশ্বৰাণাং চৰণপুষ্কৰ মধুকৰ মন্ত্ৰিপ্ৰৱৰ যশোজ্জিত শাৰদশশধৰ নিজবীৰ্য্য নিৰ্জ্জিত ৰিপুনিকৰ স্বৰ্গনৃপবৰ্গ সেবীবংশ বিভূষণ শ্ৰীযুত-তৰুণদুৱৰা বৃহৎফুক্কণেন গ্ৰহাশয়াখ্য পুষ্কৰিণীয়মথানি বাণা-দ্ৰিৰসেন্দু শাকে ॥ ১৬৭৫ ॥

---

১। এই ফলিৰ পাঠ শ্ৰীযুত সোণাৰাম চৌধাৰী ডাঙৰীয়াৰপৰা পোৱা গৈছে।

২। এই ফলিৰ পাঠ শ্ৰীযুত সোণাৰাম চৌধাৰীৰপৰা পোৱা গৈছে। বৰফুকনৰ দোপদৰ বা দৰবাৰ মন্দিৰ বা মন্ত্ৰণাভৱনৰ পশ্চিম দুৱাৰৰ নাম "জিত," দক্ষিণখনৰ নাম "ৰক্ষৎ," আৰু উত্তৰখনৰ নাম "জয়" আছিল। শিৱসিংহৰ দিনত জয়দুৱাৰ আৰু বিজয় দুৱাৰ (১৬৬০) নিৰ্ম্মিত হয়। বৰফুকনৰ দোপদৰ ক'ত আছিল স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ "পুৰণি গুৱাহাটী নগৰৰ"পৰা জানিব পাৰি,—"ভঁৰলুৰ ওপৰত এখান কাঠৰ দলং আছিল। তাত পোহাৰীয়ে পোহাৰ দিছিল। তাৰ অলপ পশ্চিমে "দোপদৰ" নামে এটা বৰ ঘৰ আছিল। এইটো বৰফুকনৰ মেল বা সভা ঘৰ।" তেনেহলে গুণাভিৰাম বৰুৱাৰ মতে এই "দোপদৰ" আজিকালিৰ সোণাৰাম হাই স্কুল আৰু ভৰলুমুখ থানা থকা ঠাইতে আছিল। শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই ৭ম বছৰ "আলোচনীত" বিজয় দুৱাৰ আৰু জয়দুৱাৰৰ ফলিৰ পাঠ প্ৰকাশ কৰিছে।

৩। এই ফলিৰ পাঠ নৱগ্ৰহৰ কৰ্ম্মচাৰী শ্ৰীযুত ৰসধৰ শৰ্ম্মাই—"চেতনা," ৭ম বছৰ "মহাপুৰুষ সংখ্যাৰ"পৰা লোৱা হৈছে। কমলেশ্বৰ সিংহৰ দিনত, মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ আদেশত প্ৰতাপবল্লভ বৰফুকনে ১৭৩২ শকত "শ্ৰীশ্ৰীশ্ৰীচিত্ৰাচলৰ গোসাঞিৰ পূৰ্ব্বমতে ভোগ নৈবেদ্য চলিবৰ নিমিত্তে.........মধ্যাপগতিক পাইক খাজি চেঙা ধৰি নিবন্ধকৈ দিয়ে।" সেই নিবন্ধমতে মন্দিৰৰ পূজাৰি দেউৰী, পাঠক, শূদ্ৰ সেৱাইত, ভঁৰাৰি, ভঁৰাৰি মাখ, বাৰীচোৱা বৰৈৰ লিকচৌ, মলিয়ৰ, পানীতোলা, দুৰৰি, ঠাইসৰা, ঢুলীয়া-খলবীয়া, খাটোৱাল, ভোগধনি পূৰাকৈ দিয়া হল। এই নিবন্ধৰ নকল শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ হাতত পোৱা হৈছে।

৪। এই পুখুৰীটো সাধাৰণতঃ নৱগ্ৰহৰ পুখুৰী বা শিলপুখুৰী বুলি প্ৰসিদ্ধ, আৰু গুৱাহাটীৰ মিউনিছিপালিটিৰ সীমাৰ ভিতৰতে দুৰ্গ্ৰমুটা নামে গাৱঁত এই পুখুৰী আছে। ন-টা গ্ৰহৰ অনুসৰি এই পুখুৰীৰ নটা ঘাট আছিল। আগিৰ কাৰৰৰ ঘাটৰ গুৰিত দুটা পুৰণি টোপ এতিয়াও দেখিবলৈ পোৱা যায়।

## ৫। শঙ্খপাণি মেধিৰ ফলি

শ্ৰীৰাম ঃ—

স্বস্তি প্ৰচণ্ডপ্ৰতাপমণ্ডলদোৰ্দ্দণ্ডখণ্ডবংশৱতংস শ্ৰীশ্ৰীমৎ স্বৰ্গনাৰায়ণদেৱ ৰাজেশ্বৰসিংহ মহীপালস্য প্ৰিয়তম মন্ত্ৰিপ্ৰৱৰ শ্ৰীশ্ৰীদামোদৰ চৰণ শ্ৰীপৰ্ণবোনৱ শ্ৰীমত্তকণঠুৰবা বৃহৎ-ফুকণেন তৎপুণ্যাৰ্থং তাম্ৰপত্ৰং ধৰ্ম্মস্য বৃত্তিৰক্ষণং।

৺১ কামৰূপদেশৰ বৰুৱা ও বৰকায়স্থ ও চৌধাৰী ও পাটোৱাৰী ও তালুকদাৰ ও ঠাকুৰিয়া আনোসকলে সাৱধানে জানিব—পূবপাৰ পৰগণাৰ দিয়া কপাৰ আলতা দুহ গ্ৰামৰ মধ্যত উবাৰ দলনি মাটিৰ পকা ৮ পুৰা ছুলিৰ দৰে, আৰে হদ,—পূবে যালতাৰ জোৰ, পশ্চিমে জইনাৰান মেধিৰ সিমা, উত্তৰে দিঘলা পিট, দখিনে দপ্পাৰ সীমা আৰু সুন্দৰি খেল, দখিনে সিঙ্গৰা দুই গ্ৰামৰ মধ্যত, পূবে কণাৰ পুখুৰী, পশ্চিমে বামুণ, ডোবা, উত্তৰে চকচকি বিল, দক্ষিণে খেৰকটা বৰি, এই চতুহদ্দে উবাৰ দলনি মাটি, বেচিমৰা বিল সহিতে ৺৺ৰ পুণ্যে সুন্দৰিগেল সত্ৰৰ শঙ্খপাণি মেধিক ধৰ্ম্মত্তৰ কৰি দিয়া গল। হৰিমন্দিৰত তৈলবত্তি জলাই শ্ৰৱণকিৰ্ত্তন কৈ ৺৺ক আশিৰ্ব্বাদ কৰি পুত্ৰপৌত্ৰাদিক্ৰমে ভোগ্য কৰি থাকিব, ইহাৰ কৰকটল পৰ-পঞ্চক বেঠ বেগাৰ চোৰ চিনলা ধুমুচি মাৰেসা জলকৰ ভৰধাৰ চৌকি হাট ঘাট দান খুট দণ্ড বন্ধ সৰ্ব্ববাব পৰিত্যাগ হৈল। ইহাত কোনোজনে বিৰুদ্ধে নাচৰিব। ইতি শক ১৬৭৫, তাৰিক্ষ ১১ মাঘ।

## ৬। মণিকৰ্ণেশ্বৰ দেৱালয়ৰ ফলি

স্বস্তি সমস্তসংসাৰী সংসাৰপাৰাবাৰজাতনাবাৰনিবাৰণ চতুৰতৰ সুৰবৰ শিৰোমণি মণীশ্বৰ মহেশ্বৰ চৰণ ছায়ানুসৰণ পৰাৱণ প্ৰণমদৱনীশগন মৌলিমালাপ্ৰভাৰাজিবিৰাজিত পাদপীঠতলসকল ভূমণ্ডল পুৰন্দৰকুল কুমুদবান্ধৱসম সমৰ-সীম নিঃসীম ভীমবিক্ৰম প্ৰজ্ঞাৱজ্ঞাত গীষ্পতি নীতিক্ৰম মহামহিম শ্ৰীশ্ৰীমদ্ৰাজেশ্বৰসিংহ নৃপসিংহ প্ৰিয়তম সেনাপতি প্ৰধান ধন্য ব্ৰহ্মণ্য জনাগ্ৰহীতি পিতৃপাণ্ডুৰ সুন্দৰ কীৰ্ত্তিনিকৰ কৰদুৰ্জ্জয় বৈৰীবৰবাধনবিদাৰণদাধণপঞ্চানন মহিত মহাশয় স্বৰ্গাবৰোহাৱধি স্বৰ্গেশবংশ নৃপেশসেৱী বংশাৱতংশ শ্ৰীতৰুণ বৃহৎফুকণ তনয়; শ্ৰীযুদ্ধশৰথঠুৰবা বৃহৎফুকণতম্ নৃপসিংহাপ্তয়া মণিগিৰিবৰে শ্ৰীশ্ৰীমণীশ্বৰ মহেশ্বৰস্য ৰচিৰ মঠামমৰচয়দ্বয়-গিৰিৰম শশী শাকে॥ ১৬৭৭।

## ৭। হাজোৰ কেদাৰৰ পড়ৰ দুৱাৰৰ গদ্য

স্বস্তি সমস্ত সুৰাসুৰশিৰোমণীয়মাণ শ্ৰীশ্ৰীহৰিহৰগৌৰী-চৰণ নখচন্দ্ৰচকোৰ বাসৱবংশ সৰোৰুহ মণিকৰদিনকৰ কামৰূপ সৌমাৰেশ্বৰৰ ধৰ্ম্মধাৰ্ম্মিক পালনপৰায়ণ শ্ৰীশ্ৰীৰাজে-শ্বৰসিংহ ধৰাদিনাথস্তৎপদাৰবিন্দ মধুকৰ দুৱৰাষয়সম্ভূত শ্ৰীযুত তৰুণ গদাধৰ বৃহৎফুকনাত্মজ সকল গুণনিধান ৰত্নাকৰ শ্ৰীদশৰথ ডুৱৰা বৃহৎফুকণেন মদনগিৰিবৰে কেদাৰাখ্যাশিৱ-মন্দিৰ বেষ্টকামেষ্টকালয় প্ৰকাৰ দ্বাৰৌ নিৰ্ম্মিতৌ। আকাশ-দন্তাবলৰসেন্দু শাকে॥ ১৬৮০॥

## ৮। শুক্ৰেশ্বৰৰ ভূমিদত্ত তাম্ৰপত্ৰ

স্বস্তিদুৰ্ব্বাৰসংসাৰনিকাৰনিস্তাৰ চতুৰতৰ শুক্ৰেশ্বৰ-মহেশ্বৰচৰণকিঙ্কৰ বাসৱবংশাৱতীন প্ৰতাপমাৰ্ত্তণ্ডখণ্ডি তোৰ্দ্দণ্ডবৈৰীধৰিত্ৰীপাল চণ্ডতমিস্ৰ দুৰ্গমমদনসংচলন মহাদান সন্তান সন্তোষিতাশেষ স্বদেশবিদেশ সন্তৰবিদ্বৎৰ শ্ৰীশ্ৰীৰাজে-শ্বৰসিংহ মহামহিম মহীপাল তদীয় পৰমসেৱক মন্ত্ৰিনায়ক হিতৈৰ সংকাশ বিকাশ ভাষাজ্জিত দিগন্তৰাল শ্ৰীকৃষ্ণচৰ-ণাৰ্চ্চন প্ৰসাদোদ্দামধামপৰিপূৰ্ণকাম মদনাভিৰাম গম্ভীৰ পাৰাৱাৰ পৰমকাৰুণিক মহাধাৰ্ম্মিক তৰুণডুৱৰা বৃহৎফুক-

৫। এই ফলি শঙ্খপাণি মেধি বংশধৰ আৰু সুন্দৰীগেল সত্ৰৰ বৰ্তমান অধিকাৰ শ্ৰীযুত ধৰ্গেশ্বৰ মহাজনৰ হাতত পোৱা হৈছে।

৬। এই ফলিৰ পাঠ শ্ৰীযুত সোণাৰাম চৌধুৰী ডাঙৰীয়াই ১৪শ বছৰ ১১শ সংখ্যা "বাঁহী"ত লিখা "কেইখনমান নষ্ট হৈ যোৱা শিলৰ ফলিৰ পাঠসংগ্ৰহ" প্ৰবন্ধৰপৰা লোৱা হৈছে। মণিকৰ্ণেশ্বৰ মন্দিৰ বৰভূঁইকপত ভাগি নষ্ট হৈছে। এই মন্দিৰটি অতি সুন্দৰ ঠাইত আছিল, সন্মুখত বৰনদী আৰু ব্ৰহ্মপুত্ৰ।

৭। ফলিৰ পাঠ শ্ৰীযুত সোণাৰাম চৌধুৰী ডাঙৰীয়াৰপৰা পোৱা গৈছে। "উদাসীন সত্যপ্ৰবাৰ আসাম ভ্ৰমণ"ত এই ফলিৰ পাঠ মুদ্ৰিত হৈছে, কিন্তু হাত বহুত ভুল সোমাইছে।

৮। এই ফলিৰ পাঠ, শ্ৰীযুত সোণাৰাম চৌধুৰী ডাঙৰীয়াৰপৰা পোৱা গৈছে।



নাত্মজ শ্ৰীডুৱৰাবৃহৎফুকণেন ৺৺পুণ্যাৰ্থং পত্তাংং পুণ্যাৰ্থং ৺৺দত্তামিমৰ্থাদি প্ৰমাণপত্ৰিকেয়ম্। শক ১৬৮৩, তাং ৪ কাৰ্ত্তিক।

## ৯। বশিষ্ঠাশ্ৰমৰ ফলি

শ্ৰীৰাম ৺১ স্বস্তি নিস্সীমভিমপৰাক্ৰম প্ৰবলবৈৰিবন-প্ৰলয়কালানল সম্পূৰ্ণগুণগণৈকধাম ভৱভৱানীপদাৰবিন্দ-মকৰন্দ মধুকৰ শক্ৰকুলকুমুদেন্দু শ্ৰীশ্ৰীমদ্ৰাজেশ্বৰসিংহনিদে-শেন্দ্ৰনীলাৱলম্বিমৌলি তদীয়চৰণচাৰণচক্ৰৱৰ্ত্তীকুন্দাৱদাত-কীৰ্ত্তি সমৰবীৰপাৰাবাৰগম্ভীৰ বিদ্যাবিদ্যোতিতান্তঃস্মৰণ শ্ৰীগোবিন্দপাদজ্বালনস্বৰবাহিনীপতি শ্ৰীমদসুৰডুৱৰাবৃহৎ-ফুকণাত্মজ শ্ৰীমত্তকণডুৱৰাবৃহৎফুকণ তনুজ শ্ৰীমদ্দশৰথাভি-দেয়সেনাধ্যক্ষো বশিষ্ঠাশ্ৰমগিৰ্যুপৰি প্ৰাসাদমচীকৰত্তৰ্কনা গৰসেন্দুশাকে॥ ১৬৮৬॥

## ১০। বৰপেটাৰ জাঁয়াৰ সত্ৰৰ ফলি

স্বস্তি শ্ৰীস্মিত কন্দৰ্পদৰ্পোহনল্পগুণালয়ঃ। শ্ৰীৰাজেশ্বৰ সিংহাখ্যঃ স্বৰ্গনাৰায়ণো নৃপঃ। নৰপতি কুলমৌলিভ্ৰাজমানাঙ্ঘ্ৰি পীঠঃ। সুৰতৰুৱৰবৃক্ষঃ শক্ৰগোত্ৰাৰ্ণবেন্দুঃ। শশধৰ হীৰ ক্ষীৰ হিণ্ডীৰ কীৰ্ত্তিৰ্গ্ৰিজ ভুজযুগতেজো নিৰ্জ্জিতাৰাতিবৰ্গঃ॥ অমুনা কৃতিনা তাম্ৰপত্ৰিকেয়মদীয়ত দ্বিজায় কামৰূপেস্য তদ্বি-প্ৰভয়হাৰিণী॥

কামৰূপ প্ৰদেশৰ বৰুৱা ও বৰকায়স্থ ও চৌধাৰী ও পটোৱাৰী ও তালুকদাৰ ও ঠাকুৰীয়া ও গয়ৰহ সকলে সাৱধানে জানিব বৰনগৰ পৰগনাৰ বৰহাটা গ্ৰামত ৰোপিত ভূমি বা ১ বিহি, ফৰিঙ্গতি ৩০ পুৰা, বৰপেটাৰ সত্ৰ ব্ৰাহ্মণক ৺ৰ কৃপাৰে পুণ্যে ব্ৰহ্মোত্তৰ কৰি দিয়া এই মাটীৰ আৰু বৰপেটাৰ উলহপুৰত ফৰিঙ্গটি ১৮০ পুৰা, ব্ৰাহ্মণৰ পুত্ৰেক বিশাৰদক বৰজনা ককাই ৺ৰে পুণ্যে ব্ৰহ্মোত্তৰ কৰি দিয়া আৰু খাতা পৰগণাৰ ঝাঞ্জাৰ গ্ৰামৰ ধৰ্ম্মোত্তৰ মাটি, ১৬ ঘৰ ভকতে সহিতে দামোদৰি সৎসঙ্গি সত্ৰৰ ৰামমিশ্ৰ মেধি সৰিলত, ভতিআৰু বিশাৰদক আপুনি মেধি পাতি দিয়াৰো এই তামৰ ফলি কৰি দিলে। ভকতৰ গিৰি জাই কলিতা অভয় ১ ঘৰ, কালা কানু ১ ঘৰ, পেলন ১ ঘৰ, কথাউৰা ১ ঘৰ, ভোলা ১ ঘৰ, বাতুলা ১ ঘৰ, কেৰ্কেৰীয়া ১ ঘৰ, কানমুণ্ডা ১ ঘৰ, জুন ১ ঘৰ, ধৰ্ম্মা ১ ঘৰ, গুমলু ১ ঘৰ, হৰিনন্দা ১ ঘৰ, চাল-ডাঙ্গা ১ ঘৰ, কোচনলিয়া ২ ঘৰ, মেধিয়ে পুত্ৰপৌত্ৰাদিক্ৰমে উপভোগ কৰি শ্ৰৱনকীৰ্ত্তন ধৰ্ম্মত থাকি ৺সকলক আশী-ৰ্ব্বাদ কৰি থাকিব। ইয়াৰ কৰকাটল বেঠবেগাৰ পদ পঞ্চক জগকৰ জৰ্হকাৰ চোৰ চিনাগা ধুমুচিয়া ডেষা দস্ত বন্ধ হাট ঘাট চকী দাট দানখুত ৰাজদণ্ডাই ব্যতিৰেক সৰ্ব্ববাব পৰিত্যাগ হৈল। ইহাতে যদি অন্যথা কৰে দণ্ডাই হবেক। ইতি ১৬৮৬ শক, মাস জ্যৈষ্ঠ।

এতদৰ্থে বিজ্ঞাপক মাচামাক্কাৰ মেতৎ পৃষ্ঠে।

## ১১। ৰামকানু ভঁৰালীৰ ফলি

স্বস্তি হৰিহৰ চৰণোৎফুল্লতামৰ সনিস্যন্দমকৰন্দসানন্দ মধু-ব্ৰতায়জন্ম মহাদানসন্তানসতত বিতৰণ নিচাৰিতামকক্ৰমাসৰ ৰাজংশাৱতংস শ্ৰীমদ গৌৰীনাথ সিংহ মহাৰাজাধিৰাজ নাব-

৯। এই ফলিৰ পাঠ ৭ম বছৰৰ "আলোচনীত" প্ৰকাশিত হোৱা শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই লিখা শিলৰ ফলি—'বশিষ্ঠা-শ্ৰম' প্ৰবন্ধৰপৰা লোৱা হৈছে। গোস্বামী ডাঙৰীয়াই আৰু কয়,— "এই ফলিখনৰপৰা আমাৰ দেশত ডেৰশ বছৰৰ আগেয়ে সংস্কৃত শিক্ষাৰ অৱস্থা আৰু সেই সময়ৰ অসমীয়া আখৰৰ গঢ় আদি আৰু আহোম ৰজাসকলৰ হিন্দুধৰ্ম্মৰ প্ৰতি আস্থা ভালকৈ বুজিব পাৰি। এই ফলিৰ ভাষাত থকা "চৰণচাৰণ চক্ৰৱৰ্ত্তী" পদফাকি মৈথিলী কবি জয়দেৱৰ "পদ্মাৱতী চৰণচাৰণ চক্ৰৱৰ্ত্তী" পদৰ আহি লৈ লিখা যেন ভাবিব পাৰি।"

১০। ফলিৰ পাঠ বৰপেটাৰ সমীপৱৰ্ত্তী নগাঁৱৰ জাঁয়াৰ সত্ৰৰ শ্ৰীযুত মহীনাথদেৱ অধিকাৰীৰপৰা পোৱা হৈছে। ফলিত থকা লিখাৰ অধিকাৰী সাধাৰণতঃ "ছয়-আঙুলীয়া মেধি" বুলি জনাজাত আছিল। শ্ৰীযুত মহীনাথ দেৱ অধিকাৰী দেৱে কয়—ফলিৰ ওলোটা পিঠিত আৰু কিবা লিখা আছে, তেওঁৰ মতে সম্ভৱতঃ সি পাৰ্চী লিখা।

১১। ফলিৰ পাঠ ফলিৰ নাম থকা ৰামকানু ভঁৰালীৰ বংশধৰ কামৰূপৰ পছিম বৰিগোগ মৌজাৰ সালৈকুচি গাঁৱৰ শ্ৰীযুত অভয় ৰাম ভঁৰালী আৰু শ্ৰীযুত নবীনচন্দ্ৰ ভঁৰালীৰপৰা পোৱা গৈছে। ৰামকানু ভঁৰালী আৰু এই ফলিৰ বিষয়ে শ্ৰীযুত হৰিচৰণ দাসে লিখিছে,—"স্বৰ্গীয় ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত বৰ্তমান গোৱালপাৰা জিলাৰ দলপুৰা সত্ৰত ৰামকানু নামে উচ্চ কলিতা বংশৰ এজন

শহস্তমাঙ্গে নিধায়বৈৰীবৰ্গবিদাৰণ প্ৰকটী ধৃতমৃগেন্দ্ৰবিক্ৰমাষেশদিগঙ্গনাকম্ৰ পূৰিধৃতহিণ্ডীৰ পাণ্ডুৰযশোধামদ্ধাৰায়েযোদৰিৰজনীকৰ মন্ত্ৰিবৰ শ্ৰীসেনাপতি বৃহৎফুকন্নেপ্ৰাদত্ত জীনোদ্ধাৰ প্ৰমাণ পত্ৰিকেয়ং ॥

৺৭ কামৰূপ দেশত বড়ুৱা ও বৰকায়স্থ ও চৌধাৰী ও পটোৱাৰী ও তালুকদাৰ ও ঠাকুৰীয়া আনোসকলে সাৱধানে জানিব পূৰ্ব্বে ককাইদেৱে ৺৺ ঠাইত পুণ্যাৰ্থে দিয়া ৰামকান্তক মাটী ওপৰ বড়ভাগ পৰগনাৰ ভাঙ্গৰি কুচি গ্ৰামত নীলমাটি ৪পুৰা, পচিমপাৰ পৰগণাৰ সানৈ গ্ৰামত নীলমাটী ৪ পুৰা, বাড়ী ২ পুৰা, উত্তৰকুচি গ্ৰামৰ হাতীমাৰী দলত দলনি মাটী ছুনিৰ দৰে দহ পুৰা, বাৰী মাটী ৩ পুৰা, দেহৰ পৰগণাৰ সানৈকুছিত শুক্ৰেশ্বৰীয়া পত্তা ছুনিৰ দৰে ৬ পুৰা, মুঠৰ মাটী ৩০ পুৰা পত্ৰমোহৰ কৰি দিছিল। সেই পত্ৰ জীৰ্ণ হৈল কাৰণ এথন আমিও তদনুৰূপে তাম্ৰপত্ৰ কৰি দিয়া গল। ৺দেৱৰ কুশল চিন্তি পুত্ৰপুত্ৰাদিক্ৰমে পৰম সুখে ভোগ কৰিবেক। ইহ মাটীৰ কৰকাটল পদ পঞ্চক, বেঠবেগাৰ চিনালা ধুমুসী মাৰেলা জলকৰ যৰক্ষাৰ চকী হাট ঘাট দান খুত ৰাজদণ্ড ন্যাত্তিৰেক সৰ্ব্বাবৰ পৰিত্যাগ হৈল। ইহাতে কোনোজনে অন্যথা নকৰিবেক। ইতি শক ১৭০৬, তাৰিক্ষ ১৯ আষাড় ॥

## ১২। চণ্ডীপাঠক কবিৰত্ন চক্ৰবৰ্ত্তীৰ ফলি

শ্ৰীৰাম।

শ্ৰীশ্ৰীশ্ৰীকামাখ্যা গোসানীৰ সম্মুখে নিত্যচণ্ডীপাঠ ও পূজা ইত্যাদি কৰাৰ নিমিত্তে।

স্বস্তি সম্বৰ্ত্তমাৰ্ত্তণ্ডবিজিত্বৰ প্ৰতত প্ৰতাপনল প্ৰধ্বস্ত সমস্তাৰাতি জাতি তিমিৰ শক্ৰবংশাবতংস স্বৰ্গনাৰায়ণ শ্ৰীশ্ৰী ৰাজেশ্বৰসিংহ নৃপচৰণসেবি গোবিন্দপদনিজকিঙ্কৰনীতিৰত্নাকৰ শ্ৰীমত্তৰুণ্ড বাবৃহৎ ফুকণাখ্যজ ছুৱৰা ফুকণেন দত্ত ব্ৰহ্মোত্তৰ প্ৰমাণ তাম্ৰপত্ৰিকেয়ম্ ॥

কামৰূপদেশৰ বৰুৱা বৰকায়স্থ চৌধাৰী পাটোৱাৰী ও তালুকদাৰ ঠাকুৰীয়া আনোসকলে সাৱচিতে জানিব পাত্তিদৰঙ্গ পৰগণাৰ সুতাৰ গ্ৰামৰ শালজমি ১০ পুটক, বাৰিমাটি ৩॥ সুন্দৰমন ননবা গ্ৰামৰ ৪ পুৰা, নৰনগৰ পৰগণাৰ ককথা গ্ৰামৰ লাল ১২ পুৰা, বাৰী ২ পুৰা, পূৰ বজালি পৰগণাৰ পিপেনিবাৰী গ্ৰামৰ ৬ পুৰা, বাৰী ২ পুৰা ৺৺চণ্ডীপাঠক কবিৰত্ন চক্ৰবৰ্ত্তী শৰ্ম্মাক ব্ৰহ্মোত্তৰ কৰি ৺৺ পুণ্যাৰ্থে দিয়া গৈল। ইহাতে কোনো জনে অন্যথা নাচৰিবেক। ইহাৰ কৰ, কাটল, পদ, পঞ্চক, বেঠ, বেগাৰ, চোৰ, চিনালা, ধুমুচি, মাৰেসা, জলকৰ, জাবকৰ, দণ্ড বন্ধ দান খুত সৰ্ব্বিবাৰ পৰিত্যাগ হৈল। ইতি শক ১৬৮৭, ২১ ফাল্গুন।

---

বৰ অসাধাৰণ শক্তিৰ ধীৰ-গম্ভীৰ স্বভাৱৰ মানুহ আছিল। ৰাজেশ্বৰসিংহ ৺দেৱে তেওঁৰ বলবিক্ৰম আৰু বুদ্ধিৰ বিচাৰণাৰ কথা শুনি তেওঁক নিজে মতাই আনি ৰাজ ধনভৰালৰ ভৰালী আৰু নজুলাৰ কামত নিযুক্ত কৰিলে। অলপ দিনৰ ভিতৰতে ৺দেৱে তেওঁৰ কাৰ্য্যবালৰ কামত সন্তুষ্ট হৈ নানকৰ মাটী দান দিবৰ প্ৰস্তাৱ কৰি সৈন্যসামন্ত লগত দি মাটী মনোনীত কৰিবলৈ পৰগণালৈ পঠায় আৰু সেইমতে তামৰ ফলিত লিখি নানকৰ মাটী দান কৰি মাটীৰ চাৰিওপিনে শিলেৰে চিন দি যুগমীয়াকৈ ৰাখে। আজিও সেই মাটী আগৰ দৰে চিনেচাবে পৰি আছে। কিছুদিনৰ পাচত উক্ত ফলিখন জীৰ্ণ হোৱাত ৺ৰাজেশ্বৰসিংহৰ ভাতৃজাক গৌৰীনাথসিংহ স্বৰ্গদেৱে পূৰ্ব্বৰ তামৰ ফলিৰ অনুৰূপে এই তামৰ ফলি প্ৰদান কৰে।......ফলিখন এতিয়াও সোণাৰবৰে চকচকীয়াকৈ জিলিকি আছে।"

এইখিনিতে লক্ষ্য কৰিবলগীয়া যে এই ফলিত হৰনাথ সেনাপতি ফুকনক "ধাৰাম্বয়োদধি ৰজনীকৰ মন্ত্ৰিবৰ শ্ৰীসেনাপতিবৃহৎফুকন" বোলা হৈছে। স্বৰ্গীয় হলিৰাম ঢেকিয়াল ফুকনে "আসাম দেশেৰ ইতিহাস"ত হৰনাথ ফুকনৰ পুতেক বদনচন্দ্ৰ বৰফুকনৰ কথা কওঁতে এনেকৈ লিখিছে,—"পৰেধাৰাম্বয়োদধিকৰ সেনাপতি বৰফুকনাখ্যক বদনচন্দ্ৰ বৰফুকন।" ১৮৩১ খৃষ্টাব্দত হলিৰাম ঢেকিয়াল ফুকনে গুৱাহাটীত এছিষ্টেণ্ট মাজিষ্ট্ৰেট হৈ থাকোঁতে এই ফলি সম্ভবতঃ দেখিছিল। আৰু বিশেষকৈ সেই সময়ত এই ফলিখন গুৱাহাটীৰ কাছাৰিত দাখিল কৰা হৈছিল বুলি ৰামকান্তৰ বৰ্ত্তমান বংশধৰ ছুজনাই কয়।

১২। ফলিৰ পাঠ শ্ৰীযুত কামাখ্যাচৰণ ভট্টাচাৰ্য্যৰপৰা পোৱা হৈছে। আচল ফলিখন সোৱালকুচিৰ মাটীপৰ্ব্বত নিবাসী আৰু ফলিত নাম থকা কবিৰত্ন চক্ৰবৰ্ত্তীৰ বংশধৰ শ্ৰীযুত বিজয়কান্ত শৰ্ম্মাৰ হাতত আছে।



ওপৰত দিয়া ফলিৰ পাঠৰ বাহিৰেও ছাৰ ই-এ গেইট দ্বাৰা সংকলিত অসমত ঐতিহাসিক আলোচনাৰ উন্নতি নামক ৰিপোৰ্টৰ ৮ আৰু ১৫ পিঠিত স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত দিয়া ফলি কেথনমানৰ সম্ভেদ পোৱা গৈছে—

### মন্দিৰৰ ফলি

(১) ৰাজেশ্বৰসিংহৰ আজ্ঞাত দশৰথ বৰফুকনৰ দ্বাৰা নিৰ্ম্মিত নীলাচলৰ দুৰ্গা মন্দিৰ, ৰামছা মৌজা, কামৰূপ। ১৬৮১ শক।

(২) ৰাজেশ্বৰসিংহৰ আজ্ঞাত তৰুণ ডেকা দুৱৰা নিৰ্ম্মিত সিদ্ধেশ্বৰ মন্দিৰ, ৰামছা মৌজা, কামৰূপ। ১৬৮৪ শক।

(৩) ৰাজেশ্বৰসিংহৰ আজ্ঞাত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ গাগৰ্য্যাত চুলাপোৱাৰ অধিকাৰী অনন্ত দ্বাৰা নিৰ্ম্মিত দৰঙৰ বামুণদেৱৰ মন্দিৰ, দক্ষিণপাট সত্ৰৰ। শক ১৬৮৬।

(৪) " " নগাৱঁৰ বাসুদেৱৰ মন্দিৰ " ১৬৮৬।

### তামৰ ফলি

(১) দীপেশ্বৰ মন্দিৰৰ নিমিত্তে কামৰূপৰ ৪৯০ পুৰা মাটি দেৱোত্তৰ আৰু বহুতো মানুহ দান। ১৬৭৬ শক।

(২) ভৰালী বৰুৱাৰ পুতেক লক্ষ্মীনাথক শিৱসাগৰৰ ৬০ পুৰা মাটি ব্ৰহ্মোত্তৰ আৰু ১৪ পাইক দান। ১৬৭৮ শক। ফলিৰ ভাষা আহোম।

(৩) দীৰ্ঘেশ্বৰী মন্দিৰৰ কাৰণে ৪২৬ পুৰা মাটি আৰু ৫০॥ গোট পাইক দেৱোত্তৰ দান। ১৬৭৯ শক।

(৪) অভ্ৰশিৰোমণি ভট্টাচাৰ্য্যাই আৰু তেওঁৰ ভাতৃসকলক মাটি আৰু ৯০ পাইক ব্ৰহ্মোত্তৰ দান। ১৬৮১ শক।

(৫) নাৰায়ণ শৰ্ম্মাক ৪৯ পুৰা মাটি আৰু ১॥ গোট পাইক ব্ৰহ্মোত্তৰ দান। ১৬৮১ শক।

(৬) জগদ্দীউ সত্ৰক ১৩ পুৰা মাটি আৰু ১২ ঘৰ পাইক ব্ৰহ্মোত্তৰ দান। ১৬৮৫ শক।

(৭) ছুৱণীয়া ৰাজবৈদ্য ধনঞ্জয় শৰ্ম্মাক ১২৮ পুৰা শিৱসাগৰৰ মাটি আৰু ৩ পাইক ব্ৰহ্মোত্তৰ দান। ১৬৮৬ শক।

( আগলৈ )

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

## প্ৰিয়ৰ ৰাগি

মোৰ লাজুক হিয়াৰ
কুমুদ কুসুম
ফুলিল মেলি শতেক পাহি !
তোমাৰ চকুৰ
স্নিগ্ধ কোমল
লাগি পৰশ,—জোনাক-চাহি !

নন্দনৰ মন্দাৰ হাৰ
মোৰ ডিঙিত, তোমাৰ বাহুৰ ভাৰ !
তোমাৰ চুমাত নামিল সুধা
সৰগ ভাগি,
জীৱন ভুৰি লাগিল হে প্ৰিয় !
তাৰেই ৰাগি !

শ্ৰীৰত্নকান্ত বৰকাকতী

# দীন-দুখী

## বা

## লে-মিজাবাব্‌ল (পুনৰ)

নৱ দম্পতীৰ সুখৰ দীঘল ঘুমটিলৈ সন্মান জনাই, বাহী-বিয়াৰ দিনা জিলনৰ-মেণ্ড ভৱন দুপৰ বেলিকালৈকে নিজস্তাল। নিজৰ নিজৰ কোঠাত সকলো নিসাৰ-সাৰ হৈ পৰি আছে।

দুপৰৰ অলপ পাছতে জঁ-ভেলজঁ আহি জিলনৰ-মেণ্ডৰ ঘৰ ওলাল। তেতিয়াও চৰাত মানুহ বগাহি নাই। চাকৰ এটাৰ আগত মেৰিয়াছলৈ খবৰ পঠিয়াই বুঢ়া বাহি-ৰতে থিয় দিলে। বুঢ়াৰ চকু এনেয়ে গাতত সোমোৱা, তাতে নিশাৰ নিশাটো উজাগৰে থকাত আৰু সোমাই পৰিছিল।

অলপৰ পাছতে হাঁহি-মুখ, নিৰ্ম্মল কপাল, আৰু তিৰ-বিৰ চকুৰে মেৰিয়াছ আহি বুঢ়াৰ আগত থিয় দিলেহি। মেৰিয়াছৰো বাহি টোপনি নাই।

বুঢ়াক অভ্যৰ্থনা কৰি মেৰিয়াছে মাত লগালে—"দেউতা দেখোন বৰ সোনকালে আহিল? এতিয়া বাৰ হে বাজিছে; কজেট শুয়ে আছে।"

মেৰিয়াছ আৰু ভেলজঁৰ ভিতৰত ইমান দিন অপ্ৰীতিৰ এটা বৰ ওখ ঢাপ পৰি আছিল। আজি আনন্দৰ কোবাল সোঁতত সেই ঢাপ খহি চিন-মকামো নাইকিয়া হৈ গল। সি আপোনপাহৰা হৈ কৈ গল—"আপোনাক লগ পাই মোৰ বৰ ৰঙ লাগিছে। কালি ভোজৰ ঘৰত নেদেখি কিমান দুখ পালো! হাতখন কেনে পাইছে? ভাল হৈছে—নহয়নে? কজেটে মরে কালি আপোনাৰ কথাকে পাতিছিলো। তাই যে আপোনাক কিমান ভাল পায়! আপুনি নেপাহৰিব—আপুনি আহি আজিৰপৰা আমাৰ লগত থাকিবলৈ লব লাগিব। নহলে আমি নেৰো। কজেটৰ লগত আপোনাৰ কাজিয়া হৈ যাব! ককা-দেউতাৰ লগত আপুনি বৰ ৰঙেৰে সময় নিয়াব পাৰিব। মই কাছাৰিলৈ গলে আপুনি কজেটক হাতত ধৰি তাহানিখন লক্সেম-বাৰ্গত ফুৰাবলৈ নিয়াদি ফুৰাবলৈ লৈ যাব। অ' আপুনি আজি ইয়াতে খাব লাগিব।"

ভেলজঁই মাত দিলে—"মই আপোনাক কথা এটা কৈ যাবলৈহে আহিলো।—মই এটা ভাগী চোৰ।"

কথা বিশ্বাস কৰিবলৈ মনৰ যেনেকৈ এটা সীমা আছে, কথা শুনিবলৈকো কাণৰো তেনেকৈয়ে এটা সীমা আছে। 'মই এটা ভাগী চোৰ' এই কথাষাৰ মেৰিয়াছৰ কাণত সোমায়ো নোসোমাল। মেৰিয়াছে শুনিলে, বুঢ়াই কথা এষাৰ কৈছে; কিন্তু কি কথা সি শুনা নাই, বুজা নাই। সি মুখ মেলি অবাক হৈ বৈ থাকিল। ভেলজঁই তেওঁৰ হাতৰ আঙুলিৰ বান্ধ সোলোকাই মেৰিয়াছক আঙুলিটো দেখুৱাই কলে—"মোৰ আঙুলিত একো হোৱা নাছিল। আপোনাৰ বিয়াৰ কিছুমান কামৰপৰা আঁতৰি থকা মোৰ উচিত আছিল। মই ছল-ছক্ৰান্ত কৰি আঁতৰি থাকিলো। আঙুলিৰ ঘা মোৰ ফাকি। নহলে মই বিয়াৰ দলিল-পত্ৰত চহি কৰি দলিলখন আইনবিৰুদ্ধ কৰিব লগাত পৰিলোহেতেন।"

"তাৰ মানে?"

"মানে, মই ফাটেক খাটিছিলো।"

"আপুনি দেখিছো মোক বলিয়া কৰিব!"

"মছিঅ'ৰ পণ্টমাছি! মই ডকাইতি কৰি ১৯ বছৰ কাৰাবাসত পৰিছিলো। তাৰ পাছত দ্বিতীয়বাৰ ডকাইতি কৰাৰ দোষত মোৰ যাবজ্জীৱন কাৰাদণ্ড হয়। বৰ্ত্তমান মই পলৰীয়া কয়দি।"

মেৰিয়াছে বিশ্বাস নকৰিবলৈ প্ৰাণ-পণে চেষ্টা কৰিলে, কিন্তু তাৰ চেষ্টা কামত নেলাগিল—সি ঘাটি খাবলৈ বাধ্য হল। সি যেন কিবা এটা দুবুজা কথা বুজিব পাৰিলে, আৰু সিও অতিমাত্ৰাত! নিমিষৰ ভিতৰতে ভাগ্যআকাশ ফুৰি তাৰ চকুৰ আগত কঠোৰ নিয়তিয়ে



সংহাৰ মূৰ্ত্তিৰে দেখা দিলেহি। সি ভয়ত দুখোজ পাছ হুহকি উন্মাবলভাৱে কবলৈ ধৰিলে—"কক, কক, নবব। আপুনি কজেটৰ দেউতাক!"

ভেলজঁই ধীৰ-স্থিৰ গম্ভীৰ কণ্ঠেৰে উত্তৰ দিলে—"মোৰ নিচিনা মানুহৰ শপত আইনে গ্ৰাহ্য নকৰে। তথাপি আপোনাক বিশ্বাস কৰিবলৈ অনুৰোধ কৰিলো। আপুনি বিশ্বাস কৰক। মই কজেটৰ দেউতাক?—ঈশ্বৰ সাক্ষী! মই কজেটৰ দেউতাক নহওঁ। মছিঅ'ৰ লা বেৰণ পণ্টমাছি! মই ফেভাৰলছৰ এটা নিমাসিত হজুৱা। কাঠ কাটি জীৱিকা নিৰ্ব্বাহ কৰিছিলো। মোৰ নাম ফেকলভেণ্ট নহয়—জঁ-ভেলজঁ। মই কজেটৰ একো নহওঁ। আপুনি মোক বিশ্বাস কৰক।"

"তাৰ প্ৰমাণ?"

"মই কৈছো যেতিয়া মৱে তাৰ প্ৰমাণ।"

মেৰিয়াছে ভেলজঁৰ ফালে চাই পঠিয়ালে। তেওঁৰ মুখ মলিন, অথচ নিৰ্ভিক প্ৰশান্ত। এনে নিৰ্ভিকতাত আৰু প্ৰশান্ততাত অসত্যই ঠাই পাব নোৱাৰে।

"মই বিশ্বাস কৰিলো।"

জঁ-ভেলজঁই কবলৈ ধৰিলে—"মই কজেটৰ কি? সংসাৰ-পথত কন্তেকলৈ লগ পোৱা এটা পথিক মাথোন; আৰু একো নহওঁ। দহ বছৰৰ আগতে কজেটৰ অস্তিত্ব সম্বন্ধেও মোৰ কোনো ধাৰণা নাছিল। সঁচা, মই তাইক বৰ ভাল পাওঁ। কিয়, জানেনে?—বুঢ়া মানুহে কেচুৱাবেপৰা দেখা লৰা-ছোৱালীহঁতক ভাল পায়? তাই মাউৰী আছিল বাপেকো নাই, মাকো নাই। তাইৰ মোক লগা হৈছিল। সেইহে মই তাইক বুকত আকোৱালি ধৰিলো। আজি ইমানদিন তাইৰ হাতত ধৰি বাট বুলি আহিছিলো—আৰু নহয়। আজিৰপৰা তাইৰ লগত মোৰ এৰা-এৰি—আমি দুয়ো আজিৰপৰা বেলেগ পথৰ পথিক। তাই এতিয়া বেৰনেছ পণ্টমাছি আৰু মই—

সেই যে ছয় লাখ ফ্ৰাঁ যৌতুক—সেই বিষয়ে আপোনাৰ মনত সন্দেহ হব পাৰে। সন্দেহৰ কোনো কাৰণ নাই। কজেটলৈ বুলি সেই ধন মোৰ হাতত থৈ গৈছিল। কোনে থৈ গৈছিল—তাক জানিবৰ কোনো সকাম নাই। তাইৰ ধন তাইক ঘূৰাই দিছো। আৰু মোৰ কবলগা নাই।"

"মোক এইবোৰ কথা কবৰ কি সকাম আছিল? কোনে আপোনাক বল কৰিছিল? নিজৰ গুপুত কাহিনী নিজতে গুপুত ৰাখিব পাৰিলেহেতেন। আপোনাকতো এতিয়া কোনেও বিচাৰি ফুৰা নাই—খেদি ফুৰা নাই, পাছলোৱা নাই!"

"কিয় কলো মই? আপনি কৈছে—কোনেও মোক বিচাৰি ফুৰা নাই, খেদি ফুৰা নাই, পাছ লোৱা নাই। নহয়, লৈছে। মোৰ পাছ লৈছে, মোক বিচাৰি ফুৰিছে, খেদি ফুৰিছে। কোনে? মই নিজে; মই নিজে নিজক খেদি ফুৰিছো—নিজে নিজক গ্ৰেপ্তাৰ কৰিছো, নিজে নিজক নি ফাচিকাঠত তুলি দিছো। নিজে নিজক যেতিয়া ধৰে—তেতিয়া আৰু এৰাবৰ উপায় নাই। এই বান্ধ বৰ টান বান্ধ।"

এই বুলি বুঢ়াই নিজৰ ডিঙিটোত খামোচা মাৰি ধৰি মেৰিয়াছৰ কাষলৈ টানি লৈ গৈ কলে—"চক, এই খামোচাৰপৰা মই এৰাই যাব নোৱাৰিম নে? পাৰিম। কিন্তু বিবেকৰ হাত সম্পূৰ্ণ বিভিন্ন হাত। তাৰ হাতৰপৰা এৰাবৰ সাধ্য মোৰ নাই—যদি সুখী হব খোজে—কৰ্ত্তব্য চিনি নলব। যেতিয়াই কৰ্ত্তব্য চিনিব—তেতিয়াই সকলো শেষ। মানুহে কয়—কৰ্ত্তব্য চিনা এটা শাস্তি। কিন্তু মই কওঁ—ই শাস্তি নহয়। কৰ্ত্তব্য চিনাৰ উপযুক্ত পুৰস্কাৰ আছে। কৰ্ত্তব্যই আপোনাক নৰকত পেলাব পাৰে সঁচা, কিন্তু নৰকতো আপুনি ঈশ্বৰৰ উপস্থিতি অনুভৱ কৰিব পাৰিব। যেই কৰ্ত্তব্য চিনিব—সেই সুবিমল শান্তি নামি আহিব।

"মছিঅৰ পণ্টমাছি। মই ঠগ নহওঁ, প্ৰবঞ্চক নহওঁ; অতি সৰল মানুহ। আজি আপোনাৰ চকুত মই বহুতো তললৈ নামি গৈছো যদিও, নিজৰ চকুত মই ক্ৰমান্বয়ে ওপৰলৈ উঠি গৈ আছো। মই কাৰাদণ্ড দণ্ডিত ঘৃণ্য দস্যু হলেও বিবেকৰ আজ্ঞাধীন। মই মোৰ কথা ৰাখিব পাৰিলো, ইয়াতকৈ মোৰ আৰু সন্তোষৰ কথা কি হব পাৰে! মছিঅ'ৰ পণ্টমাছি! এই বুঢ়া মুৰৰ

ওপৰেৰি জীৱনৰ বহুতো ধুমুহা পাৰ হৈ গৈছে, মই সেইবোৰ ”—

বুঢ়া অলপ থমকি ৰল। সেপ ঢুকি লৈ আকৌ কলে—“যাৰ মূৰৰ ওপৰত বিপদৰ এনে গধুৰ শিল পৰো পৰো হৈ আছে, আনক অতৰ্কিতভাৱে সেই বিপদৰ ভাগী কৰিবলৈ তাৰ কোনো অধিকাৰ নাই। ফেকলভেণ্টে মোক তাৰ নাম ধাৰে দিব পাৰে, কিন্তু সেই নাম ধাৰ কৰিবলৈ মোৰ কি স্বত্ব আছে? নামেই মানুহ, মানুহেই নাম। মিছা নামত সোঁচাৰকাঠি লৈ সতৰ্কিত শঙ্কিতভাৱে সমাজৰ তলা খুলি সৰল নিৰ্ম্মল মানৱৰ লগত দিন কটোৱাতকৈ আৰু ঘৃণনীয় কথা কি হব পাৰে? তেজ-মঙহকো মিছা কৰি ভেশ্ছন কৰাতকৈ আৰু কি লাজৰ কথা আছে? তাতকৈ নিজে নিজে আছুৰি-বাকুহি বুকু ফালি নিজৰ তেজ নিজে পি থকাই বহুত—বহুত ভাল। সেইহে মই স্বইচ্ছাৰে আহিছো—আপোনাক মোৰ পৰিচয় দিবলৈ।”

বুঢ়াই বৰ কষ্টেৰে উশাহ টানিলে। উশাহৰ গতি থিৰ হোৱাৰ পাছত আকৌ আৰম্ভ কৰিলে—“প্ৰথমতে পেটৰ পোৱণিত তত নেপাই কটি চুৰ কৰিছিলো—জীয়াই থাকিবলৈ বুলি। আজি কিন্তু জীয়াই থাকিবলৈ নাম চুৰ নকৰো।”

“জীয়াই থাকিবলৈ? জীয়াই থাকিবলৈ সেইটো নামৰ দৰকাৰ নাই।”

“বুজিছো বুজিছো”—বুলি বুঢ়াই তেওঁৰ খোঁ খাই পৰা মূৰটো ছুপিয়াই ছুপিয়াই বলিয়াৰ দৰে তলফেটিং কৰে ঘূৰাবলৈ ধৰিলে। অলপপৰ নিমাত নিতাল হৈ থাকি মেৰিয়াছৰ কাষ চাপি মাত দিলে—“মই একো নকলো, ভাল কথা, মই জঁ ভেলজঁ নহৈ মছিয়'ৰ ফেকেলভেণ্ট হৈয়েই থাকিলো; মই আপোনালোকৰ ঘৰৰে এটা হৈ পৰিলো। নাচে, ভোজে, গানে-ভাৱনাই, মই সদায় আপোনালোকৰ লগত। পাছত,—পাছত এদিন হঠাৎ পুলিচে আহি টেটুত টেপা মাৰি ধৰি লৈ গল, তেতিয়া—?”

“তেনে কথা কিয় কয়?”

“নকয়; মই কৈ ভালেই কৰিলো। আপোনাৰ সুখ হক, আপোনালোক অমিয়া পুৰীত থক। এটা ঘৃণিত নগণ্য প্ৰাণীৰ আত্মপ্ৰকাশৰ কথা ভাবি মনত দুখ নিদিব। এটা পাষণ্ড মই, আপোনাৰ আগত থিয় হবৰো যোগ্য নহও।”

মেৰিয়াছ থিয় হৈ ভেলজঁৰ ফালে হাত আগ বঢ়াই দিলে। কিন্তু ভেলজঁৰ হাত আগবাঢ়ি নাহিল। মেৰিয়াছে নিজেই ভেলজঁৰ হাতখন দাঙি ললে। ভেলজঁৰ হাত তেতিয়া শিল যেন চেঁচা।

হাতখন দাঙি লৈ মেৰিয়াছে কলে “ককা-দেউতাৰ বহুতো বন্ধু আছে; মই আপোনাৰ দোষ ক্ষমা কৰাম।”

“কোনো দৰকাৰ নাই। মই আজিৰপৰা মৰা। সেয়ে যথেষ্ট মৰা-মানুহক পুলিচে ধৰিবও নোৱাৰে—শাস্তিও দিব নোৱাৰে। মৰা মানুহ নিৰলে গেলি-পচি যাব। ক্ষমা আৰু মৃত্যু একে কথা।”

বুঢ়াই মেৰিয়াছৰ হাতৰপৰা নিজৰ হাতখন একৰাই আনি ধীৰ-গম্ভীৰভাৱে কৈ গ —“কৰ্ত্তব্য! কৰ্ত্তব্যই মোৰ প্ৰধান বন্ধু। কৰ্ত্তব্যই মোৰ শেষ আশ্ৰয়। মোক এটি ক্ষমা লাগে, সেই ক্ষমা মোৰ বিবেকৰ ওচৰত।”

এনেতে কোঠাৰ দুৱাৰ মেল খালে,— কজেটৰ সক মূৰটিয়ে দুৱাৰৰ মাজেদি ভুমুকি মাৰিলে। তাইৰ চুলিডাৰ ধুনীয়াকৈ আউলি-বাউলি হৈ আছিল। চকুযুৰি তেতিয়াও টোপনিৰ ভৰত উখহা। চৰায়ে বাঁহৰপৰা মূৰ উলিয়াদি দুৱাৰৰ মাজেদি মূৰ উলিয়াই কজেটে হাঁহি হাঁহি মাত দিলে। হাঁহিটি নতুনকৈ ফুলি অহা এপাহি গোলাপ ফুলৰপৰাহে যেন আহিছিল।

“মই বাজি ৰাখিম—তোমালোকে ৰাজনীতিৰ কথা পাতিছা। মোৰ ওচৰলৈ নগৈ ইয়াত এইদৰে ৰাজনীতিৰ কথা-পতা তোমালোকৰ বৰ ডাঙৰ অপৰাধ।”

জঁ-ভেলজঁ শিয়ৰি উঠিল। মেৰিয়াছে থোকাথুকিকৈ মাতদিলে “কজেট!” আৰু একো কব নোৱাৰিলে। মেৰিয়াছ আৰু ভেলজঁৰ মুখ শুকাই আহিল, যেন দুয়ো সোঁচাকৈয়ে কিবা এটি ডাঙৰ দোষৰ অপৰাধী! কজেটে চোৰধৰা পেলালে। চকুত স্বৰ্গৰ জেউতি লৈ বিজয়দৰ্পে কবলৈ ধৰিলে—“মই তোমালোকক হাতে হাতে ধৰা



পেলাইছো। দেউতাই ‘বিবেকে কৰ্ত্তব্য কৰিছে’ বুলি কোৱা মই তেও শুনিলোচে! সেইবোৰ ৰাজনীতিৰ কথা। সেইবোৰ কথা মই ইয়াত পাতিবলৈ নিদিওঁ। বিয়াৰ পাছদিনাই ৰাজনীতিৰ কথা উলিওৱা কোনো মানুহৰ উচিত নহয়।”

মেৰিয়াছে উত্তৰ দিলে—“নহয় কজেট! আমি কাৰবাৰৰ কথা পাতিছো। আমি তোমাৰ ধনখিনিনো কি কাৰবাৰত লগাব পাৰো তাকেহে পৰামৰ্শ কৰিছো।”

“তোমালোকে মোক ভিতৰলৈ নেমাতিলা। মই গলে বেয়া পাবা যেন দেখিছো। তেও মই যাম।”

ভেলজঁই এটা কথাও নকলে। কজেটে ভেলজঁৰ ফালে চাই কবলৈ ধৰিলে—“প্ৰথমতে দেউতা! তুমি মোৰ কাষলৈ আহি মোক চুমা এটা দিয়াহি। তুমি মোৰ হৈ মাতিবা চাৰি মোক কথা একামাৰো সোধা নাই। এনেকুৱা দেউতা নো কৰবাত থাকিব পাৰেনে? আহাঁ মোক ততালিকে চুমা দিয়াহি।”

কজেট ভেলজঁৰ ফালে আগবাঢ়ি গল। ভেলজঁও এখোজ আগলৈ আহিল। কজেটে কপালখন আগবঢ়াই দিলে, ভেলজঁই কজেটক এটা চুমা দিলে। কজেটে পাছহুহকি মাত দিলে—“দেউতা! তোমাৰ গা ইমান চেচা! হাতখন বিষাইছিল?”

“হাত ভাল হল।”

“ৰাতি টোপনি অহা নাই?”

“আহিছিল।”

“মনত বেজাৰ কৰিছা?”

“নাই কৰা।”

“দিয়া, মোক আকৌ চুমা দিয়া। দিয়া। তোমাৰ গা-মূৰ ভালে থাকিলে, তুমি ভালকৈ শুলে-পালে, ৰঙমনে থাকিলে মই তোমাক কেতিয়াও খঙ নকৰো।”

ভেলজঁই আকৌ কজেটৰ কপালত চেনেহৰ নিৰ্ম্মালি—চুমাৰ ফোট—থাপি দিলে। কজেটৰ কপালখনি স্বৰ্গীয় জ্যোতিৰে জ্যোতিৰ্ম্ময় হৈ আছিল।

“হাহাঁ, দেউতা।”

জঁ ভেলজঁই আদেশ পালন কৰিলে। কিন্তু সেই হাঁহি মানুহৰ হাঁহি যেন নেলাগিল।

“মই এতিয়া ইয়াতে থাকিম।”

মেৰিয়াছে মাত লগালে—“নহয়। আমাৰ অলপ কাম আছে।”

“বাৰু, মই গুচি যাম। তুমি একেবাৰে ৰাঘবলৰে গুজৰি উঠিছা। দেউতা, তুমি মোৰ হকে একো নেমাতা। তুমি দেউতা আৰু তুমি—দুয়ো চোৰ। ৰবা, মই ককাদেউতাক লগাই দিওঁগৈ।”

কজেট কোঠাৰ বাহিৰ ওলাল। কিন্তু মুহূৰ্ত্তৰ পাছতে আকৌ তাইৰ গোলাপপাহিৰ, নিচিনা সুন্দৰ মুখখনিয়ে দুৱাৰৰ মাজেদি বিজুলী মাৰিলে; তাই কৈ গল—“মোৰ হলে খঙ উঠিছে!”

দুৱাৰ বন্ধ হল। মেৰিয়াছে নিজে নিজে কৈ গল—“কজেট, যেতিয়া তুমি শুনিবা—।” কথাষাৰ কাণত পৰা মাত্ৰকে ভেলজঁ চক খাই উঠিল। মেৰিয়াছৰ কাষ চাপি কবলৈ ধৰিলে—“সচা, সচা, সচা! আপুনিতো কজেটক কবই! এটা কাম কৰিবলৈ এটা মানুহৰ গাত যথেষ্ট বল থাকিব পাৰে, কিন্তু সেইবুলি আন এটা কাম কৰিবলৈকো যে বল থাকিব এনে নহয়। মেৰিয়াছ! মই আপোনাক খাটিলো, শপত খক—এইবোৰ কথা কজেটৰ কাণত নেপেলাব। ফাটেকিয়াল! ফাটেকিয়াল কি? আপুনিতো তাইক বুজাই কব লাগিব! উস্! তাহানি তাই এদিন এজাক ফাটেকিয়াল দেখিছিল। তাই ভয়ত—হে প্ৰভু!”

দুইহাতে মুখ ঢাকি ভেলজঁ অথিৰ-অবিৰ হৈ চকি এখনত বহি পৰিল। কান্দোনৰ শব্দ শুনা নগল যদিও, তেওঁৰ বাউসী দুটা উঠা-নমা কৰাৰপৰা বুজিব পৰা গল যে তেওঁ কান্দিছে। অশাক চকুপানীয়ে হিয়া ভাঙি দিয়ে। মেৰিয়াছে মাথোন শুনিলে—ভেলজঁই কান্দি কান্দি কৈছে—“অঃ প্ৰভু, মোক এতিয়াই মাৰি নিয়া।” মেৰিয়াছে ওচৰ চাপি মাত দিলে—“আপুনি চিন্তা নকৰিব, মই কজেটক একো নকওঁ। কিন্তু সেই যৌতুক ধনৰ কথা নোকোৱাকৈ নোৱাৰিম। এই ধন আপোনাৰ এলেকাত গচ্ছিৎ আছিল। আপোনাক তাৰ বাবে নিশ্চয় কিবা, এটা দিব লাগিব। আপুনিয়ে,

ক'ক, কিমান দিব লাগিব। যেতিকৈ কবলৈ একো ভয় নকৰিব।"

জেলজ্ঞই থাৰলৈ উঠি ধীৰে ধীৰে মাতদিলে—"অশেষ ধন্যবাদ! মোক একো নেলাগে। কিন্তু, মই আক কজেটক দেখা কৰা যোধকৰো উচিত নহব। আপুনি বেয়া নেপালে মই তাইক চাবলৈ মাজে মাজে আহিব খোজো। মোৰ সব হেপাহ, তাইক মই একো-একোবাৰ চকুমুখাই চাই যাম। কজেটক চাবলৈ ইচ্ছা নকৰা হলে মই আত্মপ্ৰকাশ নকৰিলোহেতেন, পলাই গুচি গলোহেতেন। কিন্তু য'ত কজেট আছে; মতো ত'তে থাকি তাইক চাই থাকিবলৈ আশাকৰিহে সকলো কথা কৈ দিলোহি। আপুনি অনুমতি দিলে মই আহিম, আহি তাইক চাই যামহি। তাইৰ লগত মই বেছিপৰ নেথাকো। মহিয়ৰ মেৰিয়াছ! মোৰ এৰ ইচ্ছা, বৰ হেপাহ—তাইক অকণমান চাই যামহি। আপুনি যেতিয়াই যিমান দিনৰ মূৰত আহিবলৈ দিয়ে মই তেতিয়াই সিমান দিনৰ মূৰতেই আহিম—তথাপি তাইক চাবলৈ পালেই মোৰ হিয়া জুৰাই যাব।"

"আপুনি নিতৌ গধুলি গধুলি আহিব পাৰে। কজেটেও আপোনাৰ নিমিত্তে বাটচাই থাকিব।"

"আপোনাৰ কৰুণা।"

মেৰিয়াছে জেলজ্ঞক নমস্কাৰ জনালে। দুখ নিবাণাৰ পাছে পাছে দুৱাৰমুখ পালেহি। ছ বিদলিত চুকো ফটা-ফটি হল।

• • •

আকুল চিন্তাই মেৰিয়াছৰ মন এন্ধাৰ কৰি পেলালে। জেলজৰ গচ্ছিত সম্পত্তি বুৰাই দিয়া আৰু আত্মকাহিনী প্ৰকাশকৰাৰ মহত্বই মেৰিয়াছৰ মনৰ অন্ধকাৰ পাতলাই দিলে যদিও, নিমিষৰ পাছতে সেই এন্ধাৰ আকৌ গভীৰ হৈ প'ৰল। মেৰিয়াছৰ স্মৃতি চেদেলি-ভেদেলি হৈ থাকিলেও কিছুমান ভগা-ছিগা কাহিনী তাৰ মনত সুন্দৰকৈ জোৰা লাগি আহিবলৈ ধৰিলে। জেলজ্ঞ যে যুদ্ধক্ষেত্ৰলৈ গৈছিল সেই বিষয়ে তাৰ মনত অকণো সন্দেহ নাথাকিল। কিন্তু কিয় গৈছিল? প্ৰশ্নটো উঠাৰ লগে লগে তাৰ

উত্তৰো আহি পৰিল—জাভেয়াৰ। যুদ্ধক্ষেত্ৰৰ মাজেদি মহৰ দোকানলৈ জেলজ্ঞ সোমাই যোৱা তাৰ জলজল্ পট্‌পট্‌কৰে মনত পৰিল। তাৰ পাছত সেইকালোদ গুলিৰ শব্দ তোতাও সি শুনিবলৈ পাইছিল। মেৰিয়াছৰ ধাৰণা হল—পলৰীয়া কয়দীৰ এই চিৰশত্ৰু জাভেয়াৰৰ ওপৰত প্ৰতিহিংসা সাধিবলৈকে জ'জেলজ্ঞ যুদ্ধক্ষেত্ৰলৈ গৈছিল। জাভেয়াৰক জেলজ্ঞয়ে বধ কৰিলে। কিন্তু এই বুঢ়াই ইমানদিন কজেটক কেনেকৈ লৈ ফুৰিছিল? এই ছাগলী পোৱালীটোক কোনে বাঘৰ লগত লগলগাই দিছিল? বাঘটোৰে এই ছাগলী পোৱালীটোক কিয় ভাল পাইছিল? এনে হিংস্ৰক জন্তু এটাই নিচলা প্ৰাণী এটাক এনেভাবে গাত টোকৰ এটা পৰিবলৈ নিদিয়াকৈ লৈ ফুৰোৱাটো বৰ আ-বিত! আৰু ন বছৰকৈ সেই দেৱী প্ৰতিমাটিয়ে সেই অসুৰৰ কোলাতে আশ্ৰয় লৈ বহি আছিছিল! কজেটৰ শৈশৱ আৰু যৌৱন এই মানুহটোৰ স্নেহেই যে ৰক্ষা কৰি আহিছে!

জ' জেলজ্ঞই কজেটৰ কাৰণে বহুতো কৰিলে। তাইৰ কোমল মনত তেৱেঁই শিক্ষাৰ সাঁচ বহুৱাই আহিছে। কিন্তু এনে ভীষণ শিল্পীৰ হাতৰপৰা এনে অসাধাৰণ সুন্দৰ শিল্প বাহিৰ হোৱা যে বৰ অসম্ভৱ! ঈশ্বৰৰ বিচিত্ৰ লীলা—তেওঁ মনমোহা কজেট-প্ৰতিমা গঢ়ি জেলজ্ঞৰ দৰে আচৰিত খনিকৰক সাময়িক-ভাৱে বুলাবলৈ লগাই দিয়াটো তেওঁৰেই এটা ইচ্ছা মাত্ৰ।

মেৰিয়াছে কজেটক পূজা কৰিছিল পাবলৈ বুলি; তাৰ পূজা সাৰ্থক হল, সি কজেটক পালে। কজেট সুনিৰ্মল, সুপবিত্ৰ। তাক আৰু কি লাগিছে! জ'জেলজ্ঞৰ সিহঁতৰ কাষ-পাতেও গা নেকাটে। জেলজ্ঞই নিজে কৈ গল—'মই কজেটৰ কি? দহ বছৰৰ আগতে মই তাইৰ অস্তিত্বও গম পোৱা নাছিলো।' ই সঁচা কথা। তেন্তে ভাবনা কিহৰ? এইদৰে মেৰিয়াছে বহুতো ভাবিলে-পাতিলে, তথাপি তাৰ মনত সান্ত্বনা নহল। তাৰ দেহ-লাও কজেট; সেই কজেটৰ অভিভাৱক জেলজ্ঞ। 'লজ্ঞ' এটা কয়দী। জেলজ্ঞৰ যে সমাজ-সোপানৰ অতি নিম্নস্তৰতো ঠাই নাই! মেৰিয়াছৰ মনত বৰ আঘাত লাগিল।



এই ঘটনাৰ পাছদিনা গধুলি জেলজ্ঞ কজেটক দেখা কৰিবলৈ আহিল। জেলজ্ঞ ভিতৰ নোসোমাই বাহিৰ চ'ৰাতে বৈ থাকিল। কজেটক মাতিবলৈকে মাতি পঠিয়ালে। কজেট ওলাই আহিল। জেলজ্ঞক বাহিৰত বৈ থকা দেখি ততালিকে মাত দিলে—"দেউতা! এইবোৰ তোমাৰ কি কাম? তোমাৰপৰা অন্ততঃ মই এনে ব্যৱহাৰ আশাকৰা নাছিলো। তুমি ভিতৰলৈ নাহি ইয়াত ৰহিলা কিয়?"

"ইয়াতে ৰহিলো।"

"আগলৈ এনে কৰিলে তোমাৰ লগত ভালকৈয়ে ৰণ হব। সাৱধান! আগলৈ এনে নকৰিবা। আহা, এতিয়া মোক চুমা দিয়াহি।"

চুমা লবলৈ বুলি তাই গাল আগবঢ়াই দিলে। জেলজ্ঞই লৰ-চৰকে নকৰিলে।

"দেউতা! ইয়াৰ মানে কি? মই তোমাক কি কৰিলো? খঙ মোৰ নিউৱা যদি নিউৱা এতিয়া! উঠা, ভিতৰলৈ উঠা।"

"নহয়! মই নেযাওঁ।"

"কেনেকৈ নেযোৱা?"

"কজেট, মাডাম! তুমি জানা মোৰ সকলো কাম আচৰিত।"

"মাডাম! কৈছা কি তুমি?"

জেলজ্ঞই সেই হিয়া-ভঙা হাঁহি মাৰি কলে—"তুমি মাডাম হবলৈ বিচাৰিছিলা, এতিয়া মাডাম হৈছা।"

"তোমাৰ ওচৰত নহয়, দেউতা!"

"মোক দেউতা নুবুলিবা।"

"কি?"

"মোক মছিয়'ৰ জ' বা অকল জ' বুলি মাতিবা—যেনেকৈ তোমাৰ ভাল লাগে।"

"তুমি আৰু মোৰ দেউতা নোহোৱা? মই তোমাৰ কজেট নহওঁ? তুমি মছিয়'ৰ জ'? কিয়? এইবোৰ ৰকিছা কি? ভল কি তোমাৰ? চাওঁচোন, তুমি মোৰ চকুলৈ চকুৱে চাই থাকা। তুমি আমাৰ ঘৰত নেথাকা, আমাৰ ঘৰলৈ নাহা; মই তোমাক কি অপৰাধ কৰিলো?

কোৱা, মই কি কৰিলো? নিশ্চয় কিবা এটা হৈছে।"

"একো হোৱা নাই।"

"তেনেহলে?"

"সচৰাচৰ যেনে হয়।"

"তুমি নাম সলালা কিয়?"

"তুমি যে তোমাৰ নাম সলাইছা?"

জেলজ্ঞই আকৌ সেই বিকট হাঁহি মাৰি কলে,—"তুমি মাডাম পণ্টমাৰ্ছি আৰু মই মছিয়'ৰ জ'।"

"মই এইবোৰ একো বুজ পোৱা নাই। জানো কি বলিয়ালি ৰকিছা। তুমি মোক বৰ বেজাৰ দিছা। তুমি ইমান ভাল মানুহটোৱে এনেকৈ ছুৱালি কৰা বৰ অন্যায় হৈছে।"

জেলজ্ঞই সিমানতো কোনো উত্তৰ নিদিয়া দেখি, কজেটে খপকৰে উঠি দুই হাতে জেলজ্ঞৰ হাত দুখন দাঙি লৈ তাইৰ ডিঙিত লগাই দি জেলজ্ঞৰ ঠুটবিটোত টেপামাৰি ধৰি কলে,—"মোৰ ওপৰত খং নকৰিবা।"

জেলজ্ঞই হাত দুখন একেবাৰে আনি উত্তৰ দিলে,—"তোমাক আৰু দেউতাৰ আৱশ্যক নাই। তোমাৰ মেৰিয়াছ আছে।"

"মই সুখী হোৱা দেখি তোমাৰ বেয়া লাগিছে, নহয় নে?"

সৰলতাই কেতিয়াবা অজানিতভাবে মানুহৰ হিয়া ভেদি যায়। কথাষাৰ কজেটৰ কাৰণে নিচেই সামান্য আৰু সৰল; কিন্তু জেলজ্ঞৰ কাৰণে ই অতি তীব্ৰ। কথাষাৰ শুনা মাত্ৰে জেলজ্ঞৰ মুখ ক'লা পৰি আহিল। বাক-শক্তি লোপ হৈ পৰিল। কিছুমান পৰৰ পাছত বৰ লাগি আধা-ফুটা মাতেৰে কবলৈ ধৰিলে,—"তাইৰ সুখকেই মোৰ জীৱনৰ ব্ৰত কৰিছিলো, এতিয়া তাই সুখী। ঈশ্বৰ! মোৰ এতিয়া প্ৰস্থান আদেশ কৰা। কজেট! তই সুখী—এতিয়া আৰু মোৰ কোনো কাম নাই।"

কথাষাৰ শুনা মাত্ৰে কজেটে আনন্দত আপোনপাহৰা হৈ জেলজ্ঞৰ ডিঙিত জপিয়াই পৰিল—"দেউতা! তুমি মোক "তই" বুলিছা!"

ভেলজঁয়ো বৰ নোৱাৰিলে। বৰ বলেৰে তাইক বুকুত সাৱটি ধৰিলে—যেন তেওঁ তাইক ঘুৰাই লৈ যাব খুজিছে।

"দেউতা! এৰা, এতিয়াহে ভাল লাগিছে! তুমি বৰ ভাল, নহয় নে?"

এই খন্তেকীয়া উত্তেজনাই ভেলজঁৰ মনত দুখ দিবলৈ ধৰিলে, আৰু অধিক মাত্ৰাৰে ঘোৰাৰ ভয়ত ভেলজ যাবলৈ ওলাল।

কজেটে সুধিলে, "কিয়? ইমান সোনকালে?"

"মই যাওঁ, মাডাম! তোমাক ওপৰত বিচাৰ কৰিব পাৰে।"

ভেলজঁ আৰু একো নকৈ ওলাই গুচি গল। কজেটে এনে অপ্ৰত্যাশিত বিদায় দেখি ভেবা লাগি চাই থাকিল।

* * *

ইয়াৰ পাছত কেবা সপ্তাহো পাৰ হৈ গল। কজেটে নতুন জীৱন আৰম্ভ কৰিলে। ভেলজঁই কজেটক চাবলৈ সদায় আহে। সদায় দুয়োৰে কথা-বতৰা হয়। কিন্তু এতিয়া তেওঁলোকৰ মাজত 'মাডাম' আৰু 'মছিঅ'ৰ জঁ' বুলিয়েই সম্বোধন হয়। কজেটে নতুন জীৱনৰ সোণালী ৰঙত দিনক দিনে বাউধালী হৈ আহিল। লগে লগে ভেলজঁৰ প্ৰতি আগৰ সেই তপত আস্থাও অলপ-অলপকৈ চেঁচা পৰি আহিল। তথাপি তাইৰ স্নেহ-প্ৰীতি শ্ৰদ্ধা-ভক্তি অকণো হ্ৰাস হোৱা নাই। এদিন তাই কথাত কথা ওলাই কলে,—"তুমি মোৰ দেউতা আছিলা। পাছত দেউতা গুচি ককাইদেউ হলা। তাৰ পাছত ককাইদেৱো নোহোৱা হলা। হলাগৈ মছিঅ'ৰ ফকলভেন্ট—এতিয়া আকৌ হৈছা জঁ। তুমিনো তেনে কি? মই এইবোৰ ভাল নেপাওঁ। তুমি ইমান ভাল বুলি নজনাহেঁতেন—মোৰ তোমালৈ ভয় লাগিলহেঁতেন।" ভেলজঁই একো উত্তৰ নিদিলে।

আকৌ এদিন কথা কওঁতে হঠাৎ কজেটে ভেলজঁক 'দেউতা' বুলিলে। 'দেউতা' সম্বোধন শুনি ভেলজৰ হিয়া নাচি উঠিল, কিন্তু তেওঁ মাত দিলে—"জঁ বোলা।"

কজেটে চেক্‌চেকুকৈ হাঁহি উত্তৰ দিলে—"হঁচা, আৰু দেউতা নোবোলো।"

"বঢ়িয়া!" বুলি ভেলজঁই মুখখন ঢাকি পেলালে। তেতিয়া ভেলজৰ চকুৰেদি চুণনি বাৰিষাৰ ভাদ্ৰ দৈ বৈ আহিছিল।

ভেলজঁই কোনো কোনো দিনা যাবৰ সময়ত 'থাকিবা, যাওঁ' বুলি কৈ গুচি যায়। "থাকিবা কজেট" বুলিও নকয়, অথচ "থাকিবা মাডাম্' বুলি কবলৈকো সাহ নকৰে। তেতিয়া কজেটৰ হিয়া আনন্দত নাচি উঠে। কোনো কোনো দিন ভেলজঁ নহাকৈ থাকিলে, কজেটে মানুহ পঠিয়াই খবৰ লয়। গা ভালে থাকিলে শপত-শাতি দি মতাই পঠিয়ায়।

দিনৰ পাছত দিন পুৰণা হৈ আহিল। ভেলজঁয়ো তেওঁৰ আহ-যাহ কমাই আনিলে। কিন্তু কমালে বুলি কজেটৰ আগতহে। কজেটে নেদেখাকৈ দিনো নিশা হলে জিলনৰ-মেণ্ড ভৱনৰ কাষলৈ আহি ভেলজঁই আঁতৰৰেপৰা কজেটক চাই যায়হি। তাতেই তেওঁ শান্তি পালে, কিন্তু সেই শান্তিৰ বাবে উৎকৃষ্ট পৰিশ্ৰমেৰে মনক বুজনি দিব লগাত পৰিছিল। কজেটে ভেলজঁৰ পৰিবৰ্তন দেখি মনে মনে বৰ আঘাত পালে।

কজেট যোৱাৰেপৰা ভেলজঁৰ শোৱা-খোৱা দিনক দিনে কমি আহিছিল। লগতে স্বাস্থ্যও হানি হৈ আহিল। শেষত এনে হলগৈ যে ৰাতি মনে মনে গৈ কজেট থকা ঘৰটোকে চাই আহি পোৱা সেই সুখ ফেৰাৰপৰাও তেওঁ বঞ্চিত হৈ পৰিল। প্ৰথম দিনা বাটকুৰি বাবলৈ শক্তি নোহোৱা হল, তাৰ পাছত ঘৰৰপৰা বাহিৰ হব নোৱৰাত পৰিল। শেষত বিছনাৰপৰা উঠিবলৈকে গাত বল নাইকিয়া হল। ভেলজঁৰ অৱস্থা দেখি তেওঁৰ ঘৰৰ দাৰোৱানটোৰ ঘৈণীয়েকে এদিনাখন গিৰীয়েকক কলে—"বুঢ়া মানুহজনৰ অৱস্থা বৰ কাহিল। তেওঁ আৰু বেছিদিন নিজীয়ে। তেওঁৰ মনত কিবা এটা চোৎ লাগিল। মই ভাবোতে জীয়েকৰ দৰাটো বৰ ভাল মনৰ নহবলা—সেয়েই বুঢ়াক খুলি খুলি খাইছে।" এই বুঢ়ীয়েই বৰ্ত্তমান ভেলজঁৰ বিশাল সংসাৰৰ এক-



মাত্ৰ প্ৰাণী। বুঢ়াক তায়ে বাঢ়ি-বাঢ়ি দি আল-পৈচান ধৰে।"

আন এদিন গধূলি ভেলজঁই কিলাকুটিৰ ওপৰত ভিৰ দিও কোনোমতে উঠিব-বহিব নোৱৰাত পৰিল। বহুতপৰ যুঁজি-বাগি তেওঁ কোনোমতে বিছনাৰপৰা উঠি অ'ত ত'ত ধৰি কজেটৰ কাপোৰ কানি কেড়োখৰো আনি তেওঁৰ বিছনাৰ ওপৰত পেলালেহি। দিৰ্ঘপৰ ঘৰৰপৰা অনা মমদানি দুডাল মেজৰ ওপৰত থলেহি। এইবোৰ অনা-মেলা কৰোতে তেওঁ থোজেপতি বহি বহি জিৰণি লব লগাত পৰিছিল। কপালৰপৰা জৰ-জৰকৈ ঘাম বৈ আহিল। মুখত মৰণৰ অলৌকিক চিন জিলিকি উঠিল।

ৰাতি হৈ আহিল। তেওঁ মমবাতি জলাই লৈ মেজৰ কাষচাপি কিবা এটা লেখিবলৈ বুলি কাগজ-কলম গোটাবলৈ ললে। কাগজ-কলম গোটাওঁতেই তেওঁ অচেতন হৈ পৰি গল। যেতিয়া চেতনা আহিল তেতিয়া তেওঁ বৰ পিয়াহলগা যেন পালে। ওচৰতে থকা পানীৰ কলহটো দাঙি পানী খাবলৈ বিচাৰিলে। কিন্তু কলহটো দাঙ নেখালে। নিৰুপায় হৈ আঠুকাঢ়ি কলহটোৰ মুখত মুখ দি এঢোকোক পানী খালে। পানীঢোক খাই লৈ তেওঁ বিছনাত বহি বৰ হেঁপাহেৰে কজেটৰ কাপোৰ কানিখিনি চাবলৈ ধৰিলে। তাৰ পাছত কাগজ-কলম লৈ তেওঁ লেখিবলৈ ধৰিলে। ভালকৈ লেখিব নোৱাৰিলে। কলম ধৰোতে হাতখন কপি উঠিল। তেওঁ লেখিলে—"কজেট! মোৰ আশীৰ্ব্বাদ দিছোঁ। তোমাৰ ঘৰলৈ মই নোযোৱাৰ কাৰণ আন একো নাই। মেৰিয়াছে মোক এই ঠাইৰ পৰা যাবলৈ বুজনি দি ভালেই কৰিছিল। কিন্তু তেওঁৰ অলপ ভুল হৈছিল। তেওঁ মোক ভুল বুজিছিল। তেওঁ বৰ ভাল মানুহ। মই মৰিলে তেওঁক তুমি প্ৰাণভৰি ভাল পাবা। মছিঅ'ৰ পণ্টমাছিয়ে মোৰ সাদৰী ছোৱালী-টিক ভাল পায়, ঈশ্বৰে তেওঁৰ মঙ্গল কৰক। কজেট! তুমি চিঠিখন পাবা। ইয়াতে সকলো কথা কৈ যাম। তুমি মোৰ আখৰ দেখিবলৈ পাবা। যদি এতিয়াও মোৰ স্মৰণশক্তি অটুট আছে, যদি মই লেখাত ভুল কৰা নাই, তেন্তে বিশ্বাস কৰা, সেই ধন তোমাৰ। কথাটো এই—ৰঙা আংফাই নৰৱেৰ পৰা আহে। ক'লা আংফাই ইংলণ্ডৰ পৰা আহে। জাৰ্ম্মেণীয়ে ক'লা পোৱাল পঠিয়ায়। এটি দুই ইঞ্চিমান বহল মুখেৰে হাতুৰি আৰু এটা মম-লগাৰ পৰা সক চাকি থাকিব লাগে, তাৰেই নকল আংফাই তৈয়াৰ কৰিব পাৰিবা। স্পেইনে বহুত আংফাই কিনে—"

আৰু লিখিব নোৱাৰিলে। হাতৰপৰা কলম পৰি গল। হৃদয় ভেদি নিৰাশাৰ দীৰ্ঘশ্বাস ওলাই আহিল। তেওঁ দুই হাতৰ মুঠিৰ ওপৰত মূৰটো থৈ মনৰ ভিতৰতে চিঞৰি গল। এনে স্পষ্ট চিঞৰ ঈশ্বৰৰ বাহিৰে আনে শুনে।

"ওহ—শেষ—অস্ত! তাইক আৰু দেখিবলৈ নেপাওঁ। তাই মোৰ অম্বৰ-আকাশত বিজুলীৰ হাঁহি! আজি মাৰ গল। আজিৰপৰা আৰু মই—প্ৰভু! মই একেবাৰে অকণশৰীয়া মই আৰু তাইক চিৰদিনলৈ দেখিবলৈ নেপাওঁ।"

এনেতে কোনোবাই দুৱাৰত টকিয়াবলৈ ধৰিলে।

(আগলৈ)

শ্ৰীথানেশ্বৰ হাজৰিকা

---

# বাটচৰা

(১)

## বাধা, ৰুক্মিণী আৰু নাহৰখোৱাৰ মৃত্যু

যোৱা সংখ্যা "বাঁহী"ত "মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ" প্ৰবন্ধত আমাৰ ডেকা বন্ধু শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাদেৱে ৰামকৃষ্ণ ভৰালী বৰুৱাৰ কথা উল্লেখ কৰি এইদৰে কৈছে :-

"বাঘ হামখুৰি খাই পৰিল, এনেতে ৰামকৃষ্ণ হুচৰীৰ মাজৰপৰা আহি বাঘক তৰোৱালেৰে কুৰিয়াই মাৰিলে। এইদৰে ৰামকৃষ্ণ বীৰে দেশৰ স্বাধীনতা উদ্ধাৰ কৰাত আগৰণুৱা হৈছিল। সেই সময়তে ৰামকৃষ্ণৰ মাণুহে নাহৰখোৱা মৰাণ, ৰমাকান্ত, আৰু নাহৰৰ দুই ভাৰ্য্যা বাধা আৰু ৰুক্মিণীক বধ কৰে।"

এই কথা বৰ ঠিক যেন নাই যেন লাগে। বাঘক মৰাৰ পাছত ৰামকৃষ্ণৰ মানুহে হৰগৌৰীৰ দলত বাধাক খুচি মাৰিলে সঁচা, কিন্তু সেই মানুহে ৰুক্মিণীক আৰু নাহৰখোৱাক বধ কৰা নাই। ৰামকৃষ্ণৰ মানুহে ৰজনাথৰ গোন্ধ পাই, নাহৰ খোৱাক ধৰিবলৈ যোৱা মানুহে খুজিবৰ নিমিত্তে মাত লগোৱাত, সেই মাত বুজি পাই, কহলে, অৰ্পিতাই নাহৰখোৱাৰ কৰঙণত ঘাঠিৰে খোচ মাৰিছিল, কিন্তু নাহৰ খোচ খাই নপৰি পলাই গল। কেইদিনামনৰ পাছত, ছকৰীয়াপোৱে পাই, ধৰি আনি দিয়াতহে নানা উগ্ৰ শাস্তি কৰি তাক মৰা হয়।

ৰংপুৰত যেতিয়া ৰাঘ, বাধা আৰু নাহৰক বধ কৰা হয়, ৰুক্মিণী তেতিয়া গুৱাহাটীতহে। তাত বৰ গোলোৱা শুনি তেওঁ চ'তে গুৱাহাটীলৈ যায় আৰু তেওঁয়ালেপৰা তাতে আছিল।

১৬৯২ শকৰ বহাগৰ সংক্ৰান্তিৰ দিনা, মঙ্গলবাৰে, ৰাতি এপৰ থাকোতে বিপ্লৱবাদীবিলাকৰ হাতৰপৰা নগৰ উদ্ধাৰ কৰা হয়। তাৰ পাছদিনা ৰাতিপুৱাই ঘনশ্যাম বুঢ়াগোহাঁই ডাঙৰীয়াই মোৱামৰীয়া মহন্তক ধৰি আনিবলৈ আদেশ প্ৰচাৰ কৰে, আৰু তেখেত নিজেও লোক-জন কিছু লগত লৈ মহন্তক ধৰিবৰ নিমিত্তে খুটীয়াপোতালৈ যায়। নানা ফন্দি কৰি তেখেতে মহন্তৰ দুই বাপেক-পুতেকক ধৰিলে, আৰু কাপোৰৰ টোপোলা বান্ধি, হাতৰ ওপৰত তুকালে দুটাক পেলাই, দিনৰ এপৰ থকাত খুটীয়াপোতাৰপৰা ৰাতিয়ে-দিনে আহি, পাছদিনা তিনি পৰ মৰাত ৰংপুৰ পালেহি। স্বৰ্গদেৱে মহন্তৰ বাপেক-পুতেক দুইকো অতি উগ্ৰ শাস্তি কৰি নগৰাৰৰ মুখৰ হাতীশালৰ মূৰৰ থলাত মৰালে, আৰু মোৱামৰীয়াক ধৰিবৰ কাৰণে পাছদিনা বাঁহবৰীয়া ৰুটকীৰ ঘৰৰ ধনেশ্বৰক গুৱাহাটীলৈ পঠায়। ধনেশ্বৰে চ'ৰা নাৱেৰে ৰাতিয়ে-দিনে গৈ গুৱাহাটী পাই, মোৱামৰীয়াৰ বিষয়াবোৰক মন্ত্ৰণা কৰি দোপদৰলৈ নি ধৰে, আৰু গৰাল দি, লোহা লগাই, বন্দী কৰি থয়। তাৰ পাছত এখেৰপৰা বুঢ়া দিহিঙীয়া বৰফুকন গুৱাহাটীলৈ যায়, তেওঁহে মোৱামৰীয়াৰ নিশেষ ফুকন আৰু ৰুক্মিণীক ধৰাই শাস্তি কৰাই বধ কৰালে।

হিতেশ্বৰ বৰবৰুৱা

( ২ )

## মহামহোপাধ্যায় ৺কৃষ্ণমিশ্ৰ দেৱ গোস্বামী

শ্ৰীযুত "বাঁহী" সম্পাদক ডাঙৰীয়া,

আপোনাৰ বহুমূলীয়া পুথি মাহৰ কাকতত শ্ৰীযুত ভূপেন্দ্ৰনাথ ফুকন আৰু উপেন্দ্ৰনাথ শৰ্ম্মা ডাঙৰীয়াসকলে মহামহোপাধ্যায় ৺কৃষ্ণমিশ্ৰ গোস্বামীদেৱৰ জীৱনীৰ বিষয় বেছি কথা পাবলৈ আশা কৰি সকলোলৈকে আৰু পূজনীয় শ্ৰীযুত তাৰিণীবল্লভ গোস্বামীদেৱলৈ যি কথা লেখিছিল মই সেই মহাত্মাৰ ৺কণকেশ্বৰলৈকে লেখি যোৱা আমাৰ ঘৰত বংশাৱলী এখনি পাই তাৰপৰা হুবহু নকল কৰি বাৰীডোখৰ মই নিজে লেখি পঠালো। মোৰ পিতৃ আৰু জ্যেষ্ঠ পিতৃদেৱতাসকলৰপৰা শুনিবলৈ পাইছিলো যে যেতিয়া উক্ত মহাপুৰুষে অসম ৰাজ্যত ৰাজসভাত স্মাৰ্ত্ত পণ্ডিতসকলক তৰ্কত পৰাস্ত কৰি প্ৰাচীন মত উদ্ধাৰ কৰি আনে, তেতিয়া ককাদেউতা সভাত উপস্থিত আছিল। তেখেত গুৰুতে যদিও গোস্বামী বংশোদ্ভৱ, তথাপি তেখেতৰ পাণ্ডিত্য গুণত ৰজাঘৰ পৰা অধ্যাপক উপাধিও দিয়া বুলি জানো, আৰু এতিয়াও অনেকে তেখেতৰ নাতিনিয়েকসকলৰ ঘৰক ক'লা অধ্যাপকৰ ঘৰ বুলি কয়। ডাঙৰ ডাঙৰ যতবিলাক ধৰ্ম্ম



বিষয়ৰ কাম, আজিকালিও সকলোৱে তেখেতৰ ঘৰৰপৰা সম্মত আদি নি কাৰ্য্য কৰে। আউনীআটীয় সত্ৰৰ আগৰ সত্ৰাধিকাৰ ৺দত্তদেৱ গোস্বামী প্ৰভুৱে গোলাঘাটৰ নগাবালিলৈ ছত্ৰ ফুৰিবলৈ আহোঁতে উক্ত মহাত্মাৰ ওচৰত সংস্কৃত শিক্ষা কৰিছিল বুলি তেখেতে বহুত ভদ্ৰলোকৰ আগত প্ৰকাশ কৰিছিল যেতিয়া মই সেই সময়ত উপস্থিত আছিলো, আৰু তেখেতৰ বছেৰেকীয়াৰ সময়ত মলমাস পৰাত ৺কমলদেৱ অধিকাৰ গোস্বামী প্ৰভুৱে ভকত পঠিয়াই উক্ত মহাত্মাৰ নাতিনিয়েক দিছিবিগঞা সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰীযুত কুমুদেশ্বৰ গোস্বামীদেৱৰপৰা সম্মত নিয়াইছিল বুলি জানো। এইবাৰলৈ উক্ত মহাত্মাৰ বংশাৱলীখনিকে পঠালো। আপোনাৰ কাকতত ঠাই দি অনুগ্ৰহ কৰি প্ৰচাৰ কৰে যেন। শ্ৰীনন্দলাল ছিৰিঙফুকন

ফৰ্কাটিং

## মহামহোপাধ্যায় ৺কৃষ্ণ মিশ্ৰদেৱ দিছিবিগয়া সত্ৰাধিকাৰ গোস্বামীৰ বংশাৱলী

"আদি পুৰুষৰ পুত্ৰ হৈলা তিন জন।
ব্ৰহ্মা বিষ্ণু মহেশ্বৰ বিদিত ভুবন॥
বিদৰ্ভ নগৰে হৈলা ব্ৰহ্মাৰ নন্দন।
কুণ্ডিন বুলিয়া নাম ৰাখে পদ্মাসন॥
আপনাৰ নামে মুনি নগৰ স্থাপিল।
কুণ্ডিল নগৰ বুলি সংসাৰ ব্যাপিল॥
কৌণ্ডিল্য নামেতে মুনি তেঁহোৰ তনয়।
কুণ্ডিন নগৰাশ্ৰমে সৰ্ব্বদা থাকয়॥
সকৌণ্ডিল্য বিশ্বামিত্ৰ দেৱৰাট্ প্ৰৱৰ।
ইহাদেৰ সঙ্গে যজ্ঞ কৰে নিৰন্তৰ॥
তদৱধি বহুতৰ পুৰুষৰ পৰ।
অৱতীৰ্ণ মুনি বংশে দেৱ গোপালৰ॥
কৰতোয়া গঙ্গা হন্তে শদিয়া পৰ্য্যন্ত।
কামৰূপ স্থান এহি শঙ্কৰে ভণন্ত॥
ইতিমধ্যে বহু সত্ৰ গোপাল কৰয়।
ধৰ্ম্ম সংস্থাপন কৰি মহন্ত স্থাপয়॥
আউনিআটী গৰমুড় দেৱ গোপালৰ।
দিফলু কুৰুৱাবাহী চাৰি সত্ৰ বৰ॥
গোপাল সলিগু-ভ্ৰাতা আনি ৰামদেৱে।
ধৰ্ম্মাজ্ঞা দিলন্ত দেখি ভকতগণে সেৱে॥
তদাজ্ঞা ৰামদেৱে মাজুলীতে আসি।
দিছিৰি গ্ৰামেতে সত্ৰ কৰিল প্ৰকাশি॥
সেহিসে দিছিবিগয়া গোস্বামী বোলয়।
অদ্যাপিও সেহি নাম সকলে ঘোষয়॥
চিৰকাল ৰামদেৱ ধৰ্ম্ম প্ৰকাশিয়া।
বৈকুণ্ঠ নগৰে গৈল এ তনু তেজিয়া॥
অতঃপৰ তস্যপুত্ৰ হৈলা অধিকাৰ।
অনিৰুদ্ধ দেৱ নাম বিদিত সংসাৰ॥
সেহি সত্ৰে ধৰ্ম্মাচাৰ সংস্থাপন কৰি।
গোলোক ভৱনে গৈল দেহ পৰিহৰি॥
তস্য পুত্ৰ ৰামদেৱ অধিকাৰ হৈলা।
ধৰ্ম্ম সংস্থাপন কৰি বৈকুণ্ঠক গৈলা॥
তস্য পুত্ৰ হৰিদেৱ হৰি পৰায়ণ।
অধিকাৰ হৈয়া গৈল হৰিৰ ভৱন॥
তস্য পুত্ৰ বিষ্ণুদেৱ বিষ্ণু পৰায়ণ।
অধিকাৰ হৈয়া গৈল বিষ্ণুৰ ভৱন॥
তস্য ভ্ৰাতা ৰঘুনাথ হৈল অধিকাৰ।
স্বধৰ্ম্ম পালিয়া গৈল বৈকুণ্ঠ আগাৰ॥
তস্য পুত্ৰ কৃষ্ণ নাম অধিকাৰ হৈল।
চিৰকাল ধৰ্ম্ম পালি বৈকুণ্ঠক গৈল॥
প্ৰাণনাথ দেৱ হৈল তেঁহোৰ তনয়।
ধৰ্ম্ম সংস্থাপন কৰি বৈকুণ্ঠে চলয়॥
তস্য পুত্ৰ কৃষ্ণ মিশ্ৰ হৈল অধিকাৰ।
ব্যাসাংশে জন্মিল জন্ম ওপৰে ধৰাৰ॥
প্ৰাচীন সকল শাস্ত্ৰ দেখি কোৱা দূৰ।
সৰ্ব্ব শাস্ত্ৰে বিদাধৰ হৈলন্ত প্ৰভুৰ॥
বৃহস্পতি শুক্ৰ সম পণ্ডিত হইল।
বহুতৰ শাস্ত্ৰ সব স্বয়ং নিৰ্ম্মাইল॥
গোস্বামী শ্ৰীবিষ্ণুদেৱ বিষ্ণু পৰায়ন।
দক্ষিণপাট সত্ৰাধ্যক্ষ দানে বৈকৰ্ত্তন॥
মহা ধৰ্ম্মশীল হয় সদা ধৰ্ম্মে ৰত।
শ্ৰীকৃষ্ণ সদৃশ গুণে জানয়ে জগত॥

কামৰূপাধক্ষ ৰাজমন্ত্ৰী পূৰ্ণানন্দ ।
উভয়ৰ আজ্ঞা পায়া হইয়া আনন্দ ॥
স্মাৰ্ত্তিক পণ্ডিত মত আসামতে ছিল ।
বাদ কৰি সৰ্ব্বজনে পৰাস্ত কৰিল ॥
স্মাৰ্ত্ত কৃত স্মৃতি সব অশুদ্ধ বুলিয়া ।
অষ্টাদশ স্মৃতি কৈল তাহাক্কে ছুষিয়া ॥
শ্ৰাদ্ধ বস্ত্ৰ আদি নাম স্মৃতিৰ ৰাখিল ।
আগবত্তাদিৰো টীকা আপুনি কৰিল ॥
আৰু যত গ্ৰন্থ টীকা কৰিল বিস্তাৰ ।
অদ্যাপিও ব্যক্ত আছে জানয়ে সংসাৰ ॥
প্ৰাচীন সকল শাস্ত্ৰ সংস্থাপন কৰি ।
সপ্তদশ শাসত্তৰ শকে কৃষ্ণ স্মৰি ॥
মাৰ্গ শুক্লা সপ্তমীতে ধৰ্ম্ম ক্ৰিয়া কৰি ।
বৈকুণ্ঠ চলিয়া যায় দেহ পৰিহৰি ॥
ধৰ্ম্মেশ্বৰী নদী তিৰে দেহ দাহ কালে ।
বহ্নি মধ্যে ব্ৰহ্ম তেজ সবাৰে দেখালে ॥
ব্ৰহ্ম তেজ দেখি সবে বিস্ময় মানিল ।
স্বয়ং ব্যাস দেব বুলি সকলে জানিল ॥
কিয়দ্দিন পৰে ছাত্ৰ সপোনে দেখিল ।
দিছিৰি গ্ৰা মতে ব্যাস জন্ম লভেছিল ॥
দুমাৰ লগীয়া মত উদ্ধাৰ কৰিয়া ।
বৈকুণ্ঠে গমন কৈল এবপুঃ তেজিয়া ॥
তেহোৰ কনবেশ্বৰ জ্যেষ্ঠ পুত্ৰ ভৈল ।
অধিকাৰ হৈয়া বহুতীৰ্থ স্নান কৈল ॥
গঙ্গা গয়া প্ৰয়াগাদি তীৰ্থ শেষ কৰি ।
বৈকুণ্ঠে গমন কৈল দেহ পৰিহৰি ॥
কনিষ্ঠ হেড়ম্বেশ্বৰ অধিকাৰ ভৈল ।
কৃষ্ণ মিশ্ৰ দেব পুত্ৰ শেষকালে হৈল ॥
প্ৰাচীন সকল শাস্ত্ৰ শিক্ষা সাঙ্গ কৰি ।
অষ্টাদশ পোন্ধৰাব্দে শ্ৰীহৰিক স্মৰি ॥
আষাঢ় পূৰ্ণিমা তীথে গীতা পাঠ কৰি ।
স্বস্থান কৰিলা গতি কায় পৰিহৰি ॥
দ্বিতীয়া শোভনেশ্বৰী শাস্ত্ৰজ্ঞা হইল ।
বৰ্ণমালা ব্যাকৰণ ইত্যাদি শিকিলা ॥
জ্যোতিষ শাস্ত্ৰতে তেহো পণ্ডিতা ভৈলন্ত ।
প্ৰেত বস্ত্ৰ আদি শাস্ত্ৰ বহু লেখিলন্ত ।
দুই পুত্ৰ দুই কন্যা সংসাৰতে এৰি ।
অষ্টাদশ উন্চাল্লিশ শকে দেবী স্মৰি ॥
নভঃ শুক্লা দ্বিতীয়াতে শৰীৰ তেজিলা ।
দেবীলোকে চলিলেন আনন্দ হৈয়া ॥
সপত্নীৰ পুত্ৰ শ্ৰীকুমুদেশ্বৰ ভৈল ।
শাস্ত্ৰশিক্ষা কৰি বহু শাস্ত্ৰজ্ঞ হইল ॥
দিছিৰ গামেতে তেহোঁ হৈয়া অধিকাৰ ।
স্বধৰ্ম্মে থাকয় সদা দেখয়ে সংসাৰ ॥
প্ৰথম পুত্ৰৰ নাম শ্ৰীগোপিকা দিল ।
দ্বিতীয়জনৰ নামে শ্ৰীতাৰিণী থৈল ॥
জ্যেষ্ঠজন ওকালতি কাৰ্য্যে চলি গৈল ।
চাহ কৃষি ব্যবসায়ে কনিষ্ঠ চলিল ।
অদ্যাপিও আছে তাৰা বিখ্যাত ভুবনে ।
কনিষ্ঠকে জ্ঞানবান বোলে বহুজনে ॥”

(৩)

## ভুল আৰু প্ৰতিবাদ

শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত বাঁহীৰ সম্পাদক মহাশয়,

গত ১৮৪৬ শকৰ বাঁহীৰ সূচীপত্ৰত লিখক-অনুসাৰে প্ৰবন্ধৰ যি তালিকা আছে তাত দেখা যায়, আমাৰ নামে তলতলিখা প্ৰবন্ধ ৩টি আছে, যথা—

১ । কৌণ্ডিল্য ।

২ । আসামৰ বাৰভূঞা সম্বন্ধে দুটিমান কথা ।

৩ । মিৰি আৰু চুটিয়া মিৰি জাতি ।

এই তিনি-টিৰ ভিতৰত “আসামৰ বাৰ ভূঞা সম্বন্ধে দুটিমান কথা’ এই প্ৰবন্ধটোহে আমি লিখি পঠাইছিলো, বাকী দুটাৰ বিষয় আমি একো নাজানো। কোনোবাই আমাৰ নাম জাল কৰি দিছে, নাইবা ছাপাৰ ভুলতে তেনেকুৱা হৈছে। সেই দুটি প্ৰবন্ধৰ মতামতৰ বাবে আমি দায়ী নহওঁ। জালকৰোতাক অনুসন্ধান কৰি সাবধান কৰি দিয়া উচিত, নাইবা ভুল হৈ থাকিলে তাক শুধৰোৱা যুগুত। এই চিঠি বাঁহীত প্ৰকাশ কৰিলে কৃতাৰ্থ হম।

শ্ৰীবীৰহৰি দত্ত বৰুৱা
ভৰলুমুখ, গুৱাহাটী

---



# পোৱা কিতাপৰ বিষয়ে

**শঙ্কৰ-চৰিত**—৺ৰামচৰণ ঠাকুৰ প্ৰণীত। ঠাকুৰ শ্ৰীহলিৰাম মহন্ত দ্বাৰা সংগৃহীত। শ্ৰীলক্ষ্মীৰাম মেধি মোক্তাৰ দ্বাৰা প্ৰকাশিত।

সংগ্ৰাহকে পুথি কেইখণ্ড সংগ্ৰহ কৰি ছপা কৰা বাবে আৰু শ্ৰীযুত লক্ষ্মীৰাম মেধি মোক্তাৰে নিজ খৰচত ছপাই উলিওৱা বাবে দুয়ো আমাৰ অশেষ ধন্যবাদৰ পাত্ৰ। তেওঁলোকে বাস্তৱিকতে এইটো এটা আমাৰ বৰ ডাঙৰ অভাৱ পূৰণ কৰিলে। ঈশ্বৰে তেওঁলোকৰ মঙ্গল কৰক, এই প্ৰাৰ্থনা।

কিন্তু কিতাপখনত ইমান ছপা ভুল যে দেখিলে বেজাৰ লাগে। ভুলৰ প্ৰাচুৰ্য্য দেখি মনত খেলায় যে ছপা কৰোতে প্ৰুফবোৰ ছপাখানাৰ বঙালী কম্পজিটৰ আৰু প্ৰুফ-ৰিডৰেহে মাথোন চকু ফুৰাইছিল।

এইবোৰ যি হওক, সংগ্ৰাহকক এটা কথা আমি সোধো, যে শঙ্কৰ-চৰিতৰ ষষ্ঠ খণ্ড কাৰ ৰচনা? অৱশ্যে চৰিত্ৰৰ কথাবোৰ ঠিক আছে, কিন্তু তাৰ ভাষা আৰু পদবোৰ হলে ৰামচৰণ ঠাকুৰৰ নহয় বুলি আমি ডাঠি কব পাৰো। অধ্যায়ৰ শেহত ৰামচৰণ ঠাকুৰৰ ভণিতা দিয়া হৈছে হয়, কিন্তু দিলে কি হব, আগে-পিছে সাত খণ্ডৰ ভিতৰত এই খণ্ডটো “হংস মধ্যে বকো যথা” হৈ জিলিকি আছে। কোনবাই ৰামচৰণৰ ভণিতা দিবলৈ গৈ ৰামচৰণৰ দৰে ভণিতাকো দিব পৰা নাই। এইবোৰ বৰ বেজাৰৰ কথা; আৰু অন্যায়ো। এই খণ্ডৰ অব-তৰপৰা পদ ফাকিচেৰেক তুলি দিলেই পাঠকে বুজিব পাৰিব, ব্যাপাৰটো কি হৈছে।

(১) “ধৰ্ম্মৰ ব্যাঘাত কৰিবলৈ মন কৰি ।
বহু চেষ্টা কৰি ধৰ্ম্ম যুদ্ধত নোৱাৰি ॥
ৰাজ আশ্ৰয় লৈলা শেষে ব্ৰাহ্মণবোৰে ।
আৰ বিৱৰণ শুনা আত অনন্তৰে ॥”
(২) অধৰ্ম্ম বাঢ়িল জানা ধৰ্ম্ম নষ্ট হৈল ।
ইত্যাদি বহুত দোষ ৰাজাত লগাল ॥
ব্ৰাহ্মণৰ কথা শুনি ৰাজা খঙ কৰি ।
গৰমলি পঠাই দিলে নিনবৈ ধৰি ॥
(৩) হুকুম পাই গৰমলি তেখনে লৰিল ।
দেৱানে শুনিয়া আগে লোক পঠে দিল ॥
ৰাত্ৰি দিনে যাৰি বথা আনা আগে গই ।
যি মতে ৰাজাৰ লোকে আগেয়ে নাপায় ॥
লোক কেইজনে এই হুকুমক পাই ।
আছিল আগেয়ে শ্ৰীশঙ্কৰক লই ॥
ৰাজাৰ লোক গৈ শেষে লাগাল নাপাল ।
পালিব নোৱাৰি আজ্ঞা দুখ মন হল ॥
ঠাকুৰ আতা আৰু গকুলচন্দ্ৰ আতৈ ।
বাটত আছিলে ঈশ্বৰৰ কথা কৈ ॥
দেখা পাই দুজনকে নৃপতিৰ লোকে ।
কোন তোৰা বুলি শোধিলন্ত তেওঁলোকে ॥
(৪) অসহ্য তাৰণাত গকুলচান্দ আতৈ ।
সহিবলৈ নোৱাৰি কওঁ বুলিয়া মাতৈ ॥
(৫) তিনিকুৰি টকা দিউ ফিৰাই দিয়া মোক ।
কহিলোহো ভোট ভাল কথা তইতক ॥
যদিহে দুনাই এওক লই যাইবা ।
নিশ্চয় কহিলো মই বিপদে পৰিবা ॥
ভাবি চিন্তি ভোটইতে তাতে সন্মত হল ।
তিনি কুৰি ৰূপ লই আতাক এৰি গল ॥
(৬) আতা বোলে মহাৰাজ সদয় হলা যদি ।
বিদায় দিয়া মোক লিখিত হুকুম দি ॥
ক্ৰমে ক্ৰমে গৈ সহি হৰি গৃহ পাইল ।
সেই সময় আইৰ প্ৰসব হইল ॥
ক্ৰমে খোজ কাঢ়ি আতা ফুলবাড়ী পাল ।
গুৰুৰ খবৰ পাই হৰ্ষান্বিত হল ॥”

আৰু নোতোলো।

**নাম-ঘোষা**। শ্ৰীপুৰুষোত্তম ঠাকুৰ বিৰচিত। শ্ৰীযুক্ত দত্তদেৱ গোস্বামীৰ দ্বাৰাই সংগৃহীত আৰু প্ৰকাশিত।

শ্ৰীযুক্ত পূৰ্ণানন্দ শৰ্ম্মা বি,এ, বি,এল উকীলৰ দ্বাৰাই সম্পাদিত। বেচ এক আধলি।

পাতনিত সংগ্ৰাহকে পুথিখনি ৰচিত হোৱা আৰু আংশিক ধ্বংস হোৱাৰ বৃত্তান্ত লেখিছে। আমি শুনা আৰু জনাটোকো এইখিনিতে কওঁ।—

শ্ৰীশঙ্কৰদেৱৰ ৰবনাতি পুৰুষোত্তম ঠাকুৰ পাটবাউসীত। ৰৰভকতিকে আদি কৰি বাৰজন বিশিষ্ট লোকে তেওঁৰ পৰা ধৰ্ম্মক লভি ধৰ্ম্মাচাৰ্য্য হৈ তেওঁৰ আজ্ঞা পাই উজনিলৈ আহি সত্ৰ কৰিলে। ৰৰঠাকুৰৰপৰা বঢ়া সেই সত্ৰ-বোৰক সেইদেখি ৰৰবাৰজনীয়া বোলে। বাপুকৃষ্ণ ৰৰ ভকতিৰ পুত্ৰ। উজনিতে কমলাবাৰীসত্ৰ সংস্থাপক বদুলা আতাই পুৰুষোত্তম ঠাকুৰক অৱহেলা আৰু অমান্য কৰিলে বুলি বাপুকৃষ্ণই ঠাকুৰৰ আগত মিছাকৈ লগালে। সেই কথা বিশ্বাস কৰি ঠাকুৰে ৰৰপেটা সত্ৰৰ অধিকাৰ মথুৰাদাস আতালৈ কৈ পঠিয়ালে যে এই বাৰ বদুলা আতা আহিলে যেন ৰৰপেটা সত্ৰত তেওঁক উঠিবলৈ দিয়া নহয়। এই কথা শুনি মথুৰাদাস আতাই উত্তৰ দিলে—"মই এনে কাম কেনেকৈ কৰিম ? শেষ কালত মহাপুৰুষ গুৰুজনে সৰ্ব্বশক্তি দি নিজৰ গাৰ বদল পাতি বদুলা আতাক উজনিলৈ পঠাইছে ; মোৰ কি শক্তি আছে যে এনেজনক মই ৰৰপেটা থানত উঠিবলৈ নিদিম। এনেজনে ৰবং মোকে এই থানৰপৰা খেদি দিলেই বা মই কি কৰিব পাৰোঁ ?" মথুৰাদাসৰ এই উত্তৰ শুনি ঠাকুৰে ক্ৰোধ কৰি তেওঁৰ হাতৰপৰা কীৰ্ত্তনঘোষা শাস্ত্ৰখন কাঢ়ি নিয়াই সেই শাস্ত্ৰ তেওঁক নপঢ়িবলৈ কলে। মথুৰাদাসে কলে "যদি কীৰ্ত্তনঘোষাখনিকে নিলে আৰু তাক নপঢ়িবলৈ মোক কলে, ঘোষা শাস্ত্ৰখনিকে বা কিয় মই পঢ়িবলৈ ইয়াত ৰাখিলে। জীৱৰ তৰণৰ নিমিত্তে কল্পতৰু শ্ৰীশঙ্কৰ-দেৱে কীৰ্ত্তনঘোষা শাস্ত্ৰ কৰি সকলোলৈকে প্ৰকাশ কৰি থৈ গৈছে। তথাপি তেওঁৰ আজ্ঞা পালি তেওঁক মই শাস্ত্ৰখন দিলোঁ।" এই কথা শুনি ঠাকুৰে ঘোষা শাস্ত্ৰখন ওভোতাই দিলে, কীৰ্ত্তনখন নিজৰ হাতত ৰাখিলে। ঠিক এনে সময়তে বদুলা আতা উজনিৰপৰা আহি ৰৰপেটা পালেহি। তেওঁ ঠাকুৰৰ ওচৰলৈ যাব খুজিলত, মথুৰাদাস আতাই তেওঁক কলে "তুমি ঠাকুৰৰ ওচৰলৈ কেনেকৈ যাবা ? তোমাৰ প্ৰতি তেওঁৰ মহা ক্ৰোধ হৈছে। যোৱাৰ আগেয়ে কাৰ্য্যৰ গতি বুজি লোৱা।" এই কথা শুনি বদুলা আতাই হৰিচৰণৰ আতৈক দ্ৰব্য-বস্তুৰে সৈতে দুজন ভকত লগত দি ঠাকুৰৰ ওচৰলৈ পঠিয়াই দিলে। হৰি আতৈয়ে সুবিধা বুজি ঠাকুৰৰ আৰু ঠাকুৰৰ ভাৰ্য্যাৰ আগত বদুলা আতাৰ খবৰ কলত ঠাকুৰৰ ভাৰ্য্যাই পৰম আনন্দিত হৈ, আতাই পঠিওৱা দ্ৰব্য বস্তু সমাদৰ কৰি গ্ৰহণ কৰি হৰি আতৈক সুধিলে "তেওঁ আমাৰ ওচৰলৈ আহিব নে ?" হৰি আতৈয়ে উত্তৰ দিলে "কিয় নাহিব ; নিশ্চয় আহিব।" এই কথাত ঠাকুৰ আৰু ঠাকুৰৰ পত্নী সন্তুষ্ট হল। ইয়াৰ পিছদিনা বদুলা আতাই সেৱকৰে সৈতে দ্ৰব্য-বস্তু উপহাৰ লৈ ঠাকুৰ আৰু ঠাকুৰৰ ভাৰ্য্যাক প্ৰণাম কৰিলত তেওঁলোকে আতাক সমাদৰ কৰি বহুৱালে। বদুলা আতাই অতি বিনম্ৰভাৱে ঠাকুৰক সুধিলে, তেওঁ কাক গুৰু বুলি জানিছে। ঠাকুৰে কলে "মাধৱদেৱে মোক আন কি তামোল খাব লাগে কেনেকৈ সেই পৰ্য্যন্ত শিকালে। মাধৱহে মোৰ সকলো প্ৰকাৰে গুৰু ; মাধৱহে প্ৰাণ ; মাধৱৰ বাহিৰে মোৰ উপকাৰী গুৰু আন নাই।" এই উত্তৰ শুনি বাদুলা আতাই মহা সন্তোষ পালে। ইয়াৰ পিছত ঠাকুৰৰ ভাৰ্য্যাই নানাবিধ ব্যঞ্জনেৰে সৈতে অন্ন ৰান্ধি বদুলা আতাক খাবলৈ দিলত আতাই ভোজন কৰিবলৈ বহি তেনেকৈ দিয়া দেখি বিষন্ন হৈ, অন্ন হাতেৰে স্পৰ্শ কৰি, ঠাকুৰৰ ভাৰ্য্যাক প্ৰাৰ্থনা কৰি কলে "আই, এইদৰে সুগন্ধিত মনোৰম বিপুল অন্ন ব্যঞ্জন ভোজন কৰিলে মোৰ ইন্দ্ৰিয়ৰ বল বাঢ়িব, মন চঞ্চল হব ; এতেকে মোক খাব-পানী এটুপি দিলে তাৰে অলপ অন্ন প্ৰসাদ ভোজন কৰিব পাৰোঁ।" এই কথা শুনি ঠাকুৰ প্ৰেমাকুল হৈ আতাক ধন্য ধন্য বুলি প্ৰশংসা কৰি বুলিলে, "যিজনে ৰসনাৰ স্বাদকো এৰিলে, এনেজন পুৰুষৰ বিপক্ষেও মানুহে মোৰ আগত পৈশুন্য লগায় ! শুনা বাপু, তুমি মোক নিন্দা কৰি-ছিলা বুলি হৰিকৃষ্ণই মোক লগাইছিলহি।" বদুলা আতাই ৰৰপেটালৈ উভতি আহি, মথুৰাদাস আতাৰ আগত ঠাকু-



ৰৰ মনান্তৰ যোৱা কথা কলত মথুৰাদাস আনন্দিত হল ঠাকুৰে মথুৰা দাস আতাৰ ওপৰত ক্ৰোধ কৰি, ঘোষা শাস্ত্ৰখন ৰৰপেটালৈ পঠিয়াই দি ন-ঘোষা নাম দি এখন শাস্ত্ৰ কৰিছিল। এতিয়া ঠাকুৰে ভাবিলে যে তেওঁ তেওঁৰ গুৰুজন মাধৱদেৱৰ ঘোষা শাস্ত্ৰ থাকোঁতে তাৰ উপৰি এই ন-ঘোষা কৰি অন্যায় কৰিলে। ইয়াক ভাবি, তেওঁ ৰচনা কৰা ন-ঘোষা পুথিখন এপাত এপাতকৈ জুইত পেলাই পুৰিবলৈ ধৰিলে। এইদৰে পুৰি থাকোঁতে ৰৰ ভকতিয়ে দেখি, ঠাকুৰৰ হাতত থকা বাকী পাতকেইটি নুপুৰিবলৈ কৈ সেইকেইটি খুজি ৰাখি কলে "ইয়াৰ ছটি এটি ঘোষা, আমি প্ৰসঙ্গৰ অন্তত গাবলৈ থাকক।" এইদৰেই ন-ঘোষা শাস্ত্ৰৰ কিছুমান ঘোষা ৰল।

এই ন-ঘোষা ৰচনাৰ সময়ৰ বিষয়ে তাতে পোৱা যায়, :—

"পূৰ্ব্বত কৃষ্ণৰ এক শৰণ ভকতি পথ
নাছিলেক একোৱে দেশত।
শঙ্কৰ স্বৰূপ ধৰি নিজ অংশে আসি হৰি
তাৰিলন্ত সমস্ত জগত ॥
হেনয় শঙ্কৰ বিনে গুৰু কৰি মোৰ মনে
আন আৰ নধৰে আনক।
কৃষ্ণদেৱ চিনাইলন্ত নাম ধৰ্ম্ম দেখাইলন্ত
কৈত পাইবো হেন বান্ধৱক ॥
শঙ্কৰ প্ৰসাদত মাধৱৰো যশ যত
ব্ৰহ্মাণ্ড জুৰিয়া সবে ৰৈল।
ভক্তি-পন্থ বিস্তাৰিল লোক সব নিস্তাৰিলা
তেতো পাছে বৈকুণ্ঠক গৈল ॥
তাসম্বাৰ সঙ্গী যত আছিলেক মানে ঐত
পৃথিৱীত নাই একোজন।
কাৰ শিক্ষা ধৰিবেক কাৰ বোল শুনিবেক
কাৰ বোধে জুৰাইবেক মন ॥"

অনেক সুন্দৰ ঘোষাও এই পুথিত আছে ; যেনে,—

যদ্যপি ঈশ্বৰ কৃষ্ণ তোমাত পৃথক জীৱ
অনুমাত্ৰ ভিন্ন নুহি কয়।
তথাপি তোমাৰ অংশ যত আমি জীৱগণে
যেন সমুদ্ৰৰ ঢউচয় ॥
ঢউ সাগৰৰ যেন খানিকো অন্তৰ নাই,
জীৱ ঈশ্বৰৰ সেহি নয়।
সাগৰৰ ঢউ বুলি ঢউৰ সাগৰ নোহে
জীৱ ঈশ্বৰৰ নিৰ্ণয় ॥"

এই পুথিখন ছপা কৰি উলিওৱা বাবে সংগ্ৰাহক, প্ৰকাশক আৰু সম্পাদক ধন্যবাদৰ পাত্ৰ

শ্ৰীশ্ৰীশঙ্কৰদেৱ। ভূষণ দ্বিজ কবি ভণিত। ৰায় ছাহেব শ্ৰীযুত দুৰ্গাধৰ বৰকটকীৰ দ্বাৰাই সম্পাদিত আৰু প্ৰকাশিত।

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ এই চৰিত্ৰ পুথিখন ছপা কৰি উলিওৱা বাবে বৰকটকী ডাঙৰীয়া আমাৰ ধন্যবাদৰ পাত্ৰ। সক-লোৱে একোখন কিনি প্ৰকাশকক সহায় কৰা উচিত। বেচও সৰহ নহয়, কিতাপখনও সৰু নহয়। ২২৯ পিঠিৰ কিতাপ। ছপা ভাল, কাকত ভাল।

দ্বিজ ভূষণে নিজৰ বিষয়ে নিজে পুথিখনতে এইদৰে লিখিছে:—

"চক্ৰপাণি নামে এক ব্ৰাহ্মণ আছিলা।
গোটা পঞ্চিশ শ্লোক সংক্ষেপে লিখিলা ॥
নাৰায়ণ সমে গৈলা মাধৱৰ পাশে।
দেখিয়া মাধৱে কথা পুছিলা হৰিষে ॥
কৈতঃ থাকন্ত এন্তে যাইবা কোন ঠাই।
নাৰায়ণে কহিলন্ত সবে অভিপ্ৰায় ॥
মাধৱে বোলন্ত গুৰু দেখাওঁক মোক।
কেনে লিখি আনি আছা সংক্ষেপ শোলোক ॥
চক্ৰপাণি বোলে শঙ্কৰৰ পাশে যায়ো।
তান হাতে দিবোঁ তহিতে দেখিয়ো ॥
মাধৱে বোলন্ত মঞি আগে পঢ়ি চাওঁ।
তুমি আমি সখি সমে একেলগে যাওঁ ॥
এড়াইবে নাপাৰি দিলা মাধৱৰ হাতে।
গোটে গোটে শ্লোকচয় পঢ়িলা সমস্তে ॥
পাচে একগুটি শ্লোক মাধৱে পঢ়িলা।
বোধ পাইলোঁ বুলি বিপ্ৰে পত্ৰক ছিড়িলা ॥

দেখিয়া মাধৱ বৰ বিস্ময় ভৈলন্ত ।
সখিক মাতিয়া সব কথা পুছিলন্ত ॥
কিবা নাম তান কোন গ্ৰামত থাকন্ত ।
কহিয়োক সখি মোত সকলে বৃত্তান্ত ॥
(১) দিন তিন চাৰি মানে তহিত আছিল ।
মোৰ মুখে কৃষ্ণকথা বিস্তৰ শুনিল ॥
গৃহক আসিয়া পাচে বুলিলা স্বামীক ।
আমাৰ ব্ৰাহ্মণ জন্ম আছোক ধিক ধিক ॥
আগে মানো আমি কাঞ্চ কাচ নাৰায়ণ ।
নাৰায়ণ কাঞ্চ আমি কাচ অভাজন ॥
শূদ্ৰ মুখত কৃষ্ণ কথাক শুনিলো ।
আমাৰ ব্ৰাহ্মণ জন্মে কি কাৰ্য্য সাধিলো ॥
এহে চক্ৰপাণি ক্ৰোধে থজিয়া উঠিলা ।
নমাতিয়া থাক বুলি ভাৰ্য্যাক বুলিলা ॥
তোৰ বোলে দিবো মন হৰিভকতিত ।
ষাঠি যজমান তেবে লাগয় এড়িত ॥
সৱেয়ো গৃহস্থ মোৰ পোষে ধনে ধানে ।
জানো তোৰ মনক ভেদিলে নাৰায়ণে ॥
দুইহন্তৰ দ্বন্দ্ব লোক মুখত শুনিলো ।
একদিনা তান গৃহে আপুনি আসিলো ॥
(২) এহি বুলি আসন দিলেক বসিবাক ।
মঞি বোলো নবসিবো নেদিবা পীৰাক ॥
বোলন্ত বসিয়ো কিছু কথা আছে কঞ ।
শুনি পাচে মঞি আসনত বসিলঞ ॥
বোলন্ত ব্ৰাহ্মণী খোজে হৰি ভজিবাক ।
ষাঠি যজমান তেবে লাগে এড়িবাক ॥
চল পায়া মঞি পাচে বুলিলো বিনয় ।
কোটি যজমানো তাৰিবাক নপাৰয় ॥
হৰিভকতিসে পাৰে সংসাৰ তাৰিত ।
সমস্তে বিনাশী যত দেখা ধন বিত ॥
আপুনি পণ্ডিত তত্ত্ব কথাক জানন্ত ।
যজমান সমস্তক মতাই আনিলন্ত ॥
সবাকো শুনায়া পাচে বুলিলা বচন ।
নিশ্চয় বুলিলো লৈবোঁ কৃষ্ণত শৰণ ॥
শুনি যজমান সবে থজিয়া বোলয় ।
বুজিলোঁ হেৰে গুৰু আমি তোমাৰ আশয় ॥
তেজস্বী বুলিয়া তোমাক মানিছঞ ।
ডাঙৰাড়িয়াতে হাবিলাচা দেখিলঞ ॥
ইহান আমাৰ লগে বৰ দ্বন্দ্ব কৰি ।
কষ্টমনে সবে উঠি গৈলা ঘৰাঘৰি ॥
দণ্ড চাৰি পন্থ নাচি গ্ৰামত থাকন্ত ।
এহি চক্ৰপাণি মোৰ লগে আছিলন্ত ॥
শুনিয়া মাধৱে বহু প্ৰশংসা কৰিলা ।
শঙ্কৰ শাশক সবেও চলি গৈলা ॥
দেখিয়া শঙ্কৰে পাচে তাক পুছিলন্ত ।
কহিলন্ত নাৰায়ণে সমস্ত বৃত্তান্ত ॥
ৰাম ৰাম গুৰু জ্ঞান উপদেশ দিলা ।
শঙ্কৰে হৰিষে পাচে বচন বুলিলা ॥
পত্নীৰ প্ৰসাদে ভৈল ভকতি বিপ্ৰৰ ।
জানি চক্ৰপাণি তথু সেহি পটন্তৰ ॥
ধন্য ধন্য চক্ৰপাণি বুদ্ধিমন্ত সাৰ ।
তোমাক কৰিবে লাগে মোৰ নমস্কাৰ ॥
এহি বুলি নমস্কাৰ কৰিবে উঠিলা ।
ৰাম ৰাম বুলি চক্ৰপানি অন্তৰিলা ॥
মোকো ভাণ্ডিবাক চাহা হাসি এহি বুলি ।
তাহান খোজৰ হাতে পৰশিলা ধূলি ॥
যজমান সমস্তৰে এড়িলন্ত আশ ।
কৃষ্ণত ভকতি ভৈল সুদৃঢ় বিশ্বাস ॥
দিন চাৰি থাকি দুয়ো লগে আসিলন্ত ।
যজমান সমস্তকে মতাই আনিলন্ত ॥

(১) এইখিনিতে বোধ হয় পুথিখনৰ পৰা কিতাপলৈ ছাপা কৰোতে পাতীবেক পৰিল ; নাইবা অলপ আউল লগাই ছপা কৰা হল । নাৰায়ণে চক্ৰপাণিৰ ভাৰ্য্যাৰ কথাৰপৰা বৃত্তান্ত আৰম্ভ কৰি মাধৱদেৱক কৈছে ।
(২) এইখিনিতে আকৌ এপাৰী-দুপাৰী পৰিছে ।—শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা



শিক্ষা বোধ কথা যে বুজাইলা তাসম্বাক ।
কৰিলে নিশ্চয় লোকে হৰি ভজিবাক ॥
হেন চক্ৰপাণি মহামানী আছিলন্ত ।
তাহান তনয় পাচে বৈকুণ্ঠ গৈলন্ত ॥
অদ্যাপিও লোকে যাক প্ৰশংসা কৰয় ।
ভকতি ধৰ্ম্মত নিষ্ঠ বুদ্ধি অতিশয় ॥
তান পুত্ৰ মুকুথ ভূষণ শিশুমতি ।
শঙ্কৰ চৰিত্ৰ পদে সম্প্ৰতি বদতি ॥"

এই চক্ৰপাণিৰে নাতিয়েক শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিত্ৰ লেখক ভূষণ দ্বিজ । তেওঁৰ ঘৰ নাচিগ্ৰামত । নাচিগ্ৰাম গণককুচিৰপৰা (য'ত তেতিয়া শ্ৰীমাধৱদেৱ আছিল) চাৰি দণ্ডৰ বাট ।

ৰামচৰণ ঠাকুৰ ৰচিত শ্ৰীশঙ্কৰদেৱ চৰিত্ৰত এই চক্ৰপাণিৰ কথা বিস্তাৰিতৰূপে আছে । তাকো এইখিনিতে তুলি দিলোঁ ।

চক্ৰপাণি নামে এক আছে দ্বিজবৰ ।
কুষ্ঠ ৰোগ ভৈল মুণ্ডে তাহান পুত্ৰৰ ॥
তাক লৈয়া মাতৃ নাৰায়ণ আগে গৈল ।
সকলো বৃত্তান্ত নাৰায়ণ আগে কৈলা ॥
নাৰায়ণ খুড়া তৈতে চৈতন্য আছন্ত ।
কুষ্ঠৰোগ গুচাইবাক তেহেন্তে পাৰন্ত ॥
নাৰায়ণে দেখি খুড়া বুলিয়া মাতিলা ।
ব্ৰাহ্মণৰ পুত্ৰ ৰোগ গুচাইবে বুলিলা ॥
হেন শুনি পৰম আনন্দ কৰি মনে ।
তাৰ ৰেদ ঝাৰিয়া গুচাইলা পাঞ্চ দিনে ॥
চক্ৰপাণি ভাৰ্য্যা তেন্তে মহাশুদ্ধমতি ।
নাৰায়ণ মুখে কথা শুনিলা সম্প্ৰতি ॥
ভৱানন্দে কৃষ্ণকথা কহিয়া থাকন্ত ।
ব্ৰাহ্মণীৰ মনে যেন অমৃত পিয়ন্ত ॥
মনত বোলন্ত কিনো ভাগ্যক লভিলোঁ ।
নাৰায়ণ মুখে কৃষ্ণ কথাক শুনিলোঁ ॥
অনন্তৰে আপোনাৰ ঘৰে গৈলা যথা ।
স্বামীৰ আগত কহিলন্ত সব কথা ॥
বোলে শূদ্ৰ মুখে কৃষ্ণ কথাক শুনিলোঁ ।
আমাৰ ব্ৰাহ্মণ জন্মে কি কাৰ্য্য সাধিলোঁ ॥
আমাৰ আগত যেন কাঞ্চন নাৰায়ণ ।
তান আগে জানো আমি কাচ নশোভন ॥
হেন শুনি চক্ৰপাণি ক্ৰোধত জ্বলিল ।
নকহিবি বুলিয়া ভাৰ্য্যাক হাক দিল ॥
তোৰ যে লে আমি হৰি ভকতি ধৰিবো ।
ষাঠি যজমান আত কিমতে ৰাখিবো ॥
ধন ধান্য তাম কাঁস গৰু পাই যত্ন ।
চাউল কানি দিয়া সবেয়ো পোষন্ত ॥
কিছু নজানোহোঁ মই শিখা তই মোক ।
জানিলোহোঁ নাৰায়ণে ভজিলেক তোক ॥
বুলিলেক বহুতৰ নানা মন্দ চণ্ড ।
স্বামী ভাৰ্য্যা দুই পৰ কৰিলেক দ্বন্দ্ব ॥
নাৰায়ণে লোক মুখে হেন কথা শুনি ।
একদিনা তাৰ ঘৰে গৈলন্ত আপুনি ॥
তাক দেখি আনিয়া দিলন্ত পিড়া খানি ।
নাৰায়ণে বোলে নবহিবোঁ মহামানি ॥
চক্ৰপাণি বোলে বসিয়োক খানিতেক ।
শুনিয়োক কহোঁ আমি কথা আছে এক ॥
হেন শুনি নাৰায়ণে আসনে বসিলা ।
ইহলে সিহলে আন কথাক পাতিলা ॥
নাৰায়ণে বোলে গুৰু কথাক শুনিবা ।
চক্ৰপাণি বোলে আন কথা নাপাতিবা ॥
সেহি কথা ব্ৰাহ্মণী আমাত কহিলন্ত ।
কথা শুনি আমিয়ো তাহাক খজিলন্ত ॥
কহিলন্ত কথা আমি নসহিলো আক ।
যজমান আছে আৰ কি কৰিবো তাক ॥
নাৰায়ণে বোলে শুনিয়োক মহাশয় ।
কোটি যজমানে তাৰিবেক নপাৰয় ॥
জগতৰ আদি দেৱ ত্ৰৈলোক্য ঈশ্বৰ ।
তাক ভজিলেসে তৰে সংসাৰ সাগৰ ॥
নিখিল জন্মৰ অন্তে নৰতনু পাই ।
কৃষ্ণক নভজে আয়ু ব্যৰ্থে বহি যায় ॥

সগাত্তো অধিক দ্বিজ জন্ম অতিশয় ।
দেখিয়ো বিচাৰি মহাভাগৱতে কয় ॥
ধৰ্ম্ম অৰ্থ দেখা ইটো সমস্ত বিনাশী ।
মধু যেন স্বৰে কথা কৱে হাসি হাসি ॥
হাস ছাগ কাটি দেৱ দেবী পূজা কৰে ।
স্বৰ্গ সুখ ভুঞ্জি দুনাই নৰকত পৰে ॥
পৰম দুৰ্ল্লভ দ্বিজ জন্ম আছা পাই ।
ধৰিয়ো ভকতি ক্ষণে ক্ষণে আয়ু যায় ॥
নৰতনু নৌকা ইটো সুদৃঢ় সুসাৰ ।
উপদেশ দাতা লৈয়ো সুজন কাণ্ডাৰ ॥
শঙ্কৰ স্বৰূপে কৃষ্ণ অংশ অৱতাৰ ।
তাঙ্ক গুৰু লৈয়া কৰা পুৰুষ উদ্ধাৰ ॥
হেন শুনি বিপ্ৰসব মৌন ৰহিলন্ত ।
যজমান সমস্তক মতাই আনিলন্ত ॥
সকলো বৃত্তান্ত কৈলা তাসম্বাৰ আগে ।
বোলো মোৰ লগে হৰি ভজিবাক লাগে ॥
শুনি যজমান সবে কৰি ক্ৰোধ মন ।
বিপ্ৰক সম্বোধি কেন বুলিলা বচন ॥
ই ৰাজ্যৰ মধ্যে তুমি বিজ্ঞ অনুপাম ।
সমস্ত লোকৰ কৰা যজমান কাম ॥
আপোনাৰ স্বধৰ্ম্মক কদাপি নেৰিবা ।
পাইলেক বিবুদ্ধি তুমি জানিলোঁ মৰিবা ॥
তেজস্বী বুলিয়া যিটো তোমাক মানিলোঁ ।
ভস্মতে মৰিলা তুমি তাতাক দেখিলোঁ ॥
এহি বুলি যজমান ঘৰাঘৰি গৈলা ।
আপোনাৰ গৃহে বিপ্ৰ আনন্দে থাকিলা ॥
তথাপিতো সুগুচয় আশঙ্কা মনৰ ।
গোটা পঁচিশেক শ্লোক কৈলা বিপ্ৰবৰ ।
নাৰায়ণ আগে গৈল শঙ্কা শ্লোক লৈয়া ।
শংকৰ পাড়াত দুয়ো প্ৰবেশিলা গৈয়া ॥
মাধৱে সুধিলা পাছে তাসম্বাক দেখি ।
তযু সঙ্গে কৈৰ বিপ্ৰ কহিয়োক সখি ॥
নাৰায়ণে কহিলেক পূৰ্ব্বৰত কথা ।
গোটা পঁচিশেক শ্লোক আনি আছে এথা ॥
মাধৱে বোলন্ত কোন শ্লোক আছা আনি ।
মোৰ হাতে দিয়ো পঢ়ি চাওঁ মহামানি ॥
হেন শুনি চক্ৰপাণি বুলিলন্ত পাছে ।
চলিয়োক এতিক্ষণে শঙ্কৰৰ কাছে ॥
তথাপিতো মাধৱে বোলন্ত দিয়া চাওঁ ।
তুমি আমি সখি সমে পাছে চলি যাওঁ ॥
চক্ৰপাণি বোলে তুমি ঐত নুবুজিবা ।
শঙ্কৰৰ হাতে দিবো তহিতে দেখিবা ॥
পুনু পুনু তথাপিতো বোলন্ত মাধৱে ।
চক্ৰপাণি এৰাইতে নোৱাৰে কোনোমতে ॥
হেন দেখি নাৰায়ণে দিবে বুলিলন্ত ।
কি কাৰণে আত আৰ ৰবা মহামন্ত ॥
এহেন্তে দেখিলে জানো শঙ্কৰে দেখয় ।
দুয়োজন একে আত নকৰা সংশয় ॥
হেন শুনি শ্লোক বিপ্ৰে মাধৱক দিলা ।
গোটে গোটে শ্লোক মেলি মাধৱে পঢ়িলা ॥
আগ-গুৰি মাৰি তাৰ কথা কহিলন্ত ।
তাহাত অধিক দশাধ্যায় পঢ়িলন্ত ॥
হেন দেখি চক্ৰপাণি কৰযোৰ কৰি ।
বোধ পালো বুলি পেলাইলা পত্ৰ ছিড়ি ॥
হাত জোৰে নমি পুনু কৰিবাক গৈলা ।
আশীৰ্ব্বাদ কৰি মাধৱক প্ৰসংশিলা ॥
মাধৱে বোলন্ত তুমি পৰম পণ্ডিত ।
তব শ্লোক পঢ়ি আমি ভৈলো বিমোহিত ॥
বিপ্ৰক প্ৰসংশা কৰি এহিমতে ৰৈলা ।
অনন্তৰে সবে পাটবাউসীক গৈলা ।
শঙ্কৰৰ আগে গৈয়া ভৈলা উপসন ॥
পৰি প্ৰণামিলা সবে গুৰুৰ চৰণ ।
মাধৱে কহিলা আদি অন্ত কথা যত ।
যেনমতে কুষ্ঠৰোগ ঝাৰি গুচাইলন্ত ॥
শঙ্কৰ বোলন্ত তুমি শুনা ৰাম ৰাম ।
কৰা ব্ৰাহ্মণক তুমি উপদেশ কাম ॥
হেন শুনি ৰাম ৰাম কৰজোৰে ভৈলা
চক্ৰপাণি ব্ৰাহ্মণক উপদেশ দিলা ॥



শঙ্কৰে কহিলা পাছে শৰণ বুজাই ।
দৈবকীৰ পুত্ৰ বিনে দেৱ আন নাই ॥'

ভূষণ দ্বিজৰ পুথি ৰামচৰণ ৰচিত পুথিৰ পিছত নিশ্চয় ৰচিত। তেওঁৰ পুথিত ৰামচৰণৰ পুথিৰ অনেক পদ শাৰীয়ে শাৰীয়ে তোলা দেখিবলৈ পোৱা যায়।

ভূষণ দ্বিজৰ পুথিত দামোদৰদেৱৰ কথা কওঁতে যি এটা refreshing candor দেখা যায়, পঢ়িলে আনন্দ হয়।—

"সবাকো সম্বোধি কথা শঙ্কৰে ৰহন্ত ।
গোসাঁই দামোদৰ তথা কথাক শুনন্ত ॥
দেখি নাৰায়নে শঙ্কৰক পুছিলন্ত ।
কহিয়োক শুনো বাপ ইহাৰ বৃত্তান্ত ॥
কোন গ্ৰামে থাকন্ত ইহাৰ কিবা নাম ।
মহা ধৈৰ্য্যৱন্ত মতি আতি অনুপাম ॥
শঙ্কৰে বোলন্ত শুনিয়োক নাৰায়ণ ।
দামোদৰ নাম এন্তে উত্তম ব্ৰাহ্মণ ॥
কৰন্ত কিৰিষি তাত নাহি আসকতি ।
কৃষ্ণৰ কথাত আন নিমজ্জিল মতি ॥
প্ৰসঙ্গত বসি কৃষ্ণ কথাক শুনন্ত ।
কিৰিষি বিষয় সুখ সবে এড়িলন্ত ॥
আছিলেক পত্নী তেহো গৈলা পৰলোক ।
কিঞ্চিতেক মান মনে নকৰিল শোক ॥
এক মাসা বিত্ত আনি আমাক দিলন্ত ।
পূৰ্ব্বাপৰে সুখ দুখ সবে কহিলন্ত ॥
মঞি বোলো ইটো বিত্ত তোমৰা নিয়োক ।
ভাল কন্যা জিজ্ঞাসিয়া বিহা কৰিয়োক ॥
যিতান পাৰোহোঁ মই হৈবোহোঁ সহায় ।
বোলন্ত কৰিবে বিহা মনে ইচ্ছা নাই ॥
মৰিলেক পত্নী আত আনন্দ পাইলঞো ।
ভাতৃ পুত্ৰ পত্নী আছে তাক এড়িলঞো ॥
মহন্তৰ মুখে শুনিবোহো কৃষ্ণ কথা ।
কি কাৰ্য্যে ব্ৰাহ্মণ জন্ম কৰিবোহোঁ বৃথা ॥
বোলোঁ দামোদৰ মোৰ কথা শুনিয়োক ।
এহি বিত ভঙ্গাই কিছু ধানা কিনিয়োক ॥
কৃষ্ণৰ কথাত যেবে নিমজ্জিবে মন ।
অযত্নে আসিয়া তেবে মিলিবন্ত ধন ॥
পাক বিধ মোক্ষ ফুৰৈ ভক্তৰ পাচত ।
সুখ দুখ পুৰুষৰ কাল কৰ্ম্মগত ॥
এহি গ্ৰামে থাকা মঞি চিনাইলো তোমাক ।
কতেক কহিবো মঞি ইহান কথাক ॥
দামোদৰময় হুইবে সমস্তে জগত ।
বহু ব্ৰাহ্মণ কৃষ্ণত হুইবেক ভকত ॥
লভিবা আনন্দ আনে উপদেশ পাই ।
সত্ৰ পাতি ভক্তি প্ৰৱৰ্ত্তাইবা ঠাই ঠাই ॥
সিটো বেদবাক্য ভৈলা প্ৰমাণ সম্প্ৰতি ।
গোসাই দামোদৰ নাম জগত প্ৰখ্যাতি ॥
আত্মপৰ ভেদ শূন্য পৰম মহন্ত ।
দৰশনে সমস্ত পাতক হোৱে হত ॥
চৰণত পৰি যিটো কৰে নমস্কাৰ ।
যমে বোলে মোৰ তাত নাহি অধিকাৰ ॥
ধৰি উপদেশ যদি কৰয় ভকতি ।
অনায়াসে লভিবেক ভকতি মুকতি ॥

ৰামচৰণ ঠাকুৰে ৰচা শ্ৰীশঙ্কৰ চৰিত্ৰতো এনেদৰেই আছে—

"শঙ্কৰে হৰিষ মনে কৃষ্ণ কথা কন্ত ।
প্ৰসঙ্গতে বসি সবে ৰঙ্গয়ো শুনন্ত ॥
গোসাই দামোদৰে তান কথাক শুনন্ত ॥
নাৰায়ণে দেখি শঙ্কৰত পুচিলন্ত ।
মহা ধৈৰ্য্যৱন্ত দেখো আন কিবা নাম ।
কহিয়োক বাপ মোত কোনখানে গ্ৰাম ॥
শঙ্কৰে বোলন্ত নাৰায়ণ শুনা তুমি ।
ইহাৰ উত্তৰ অল্প কৰি কহোঁ আমি ॥
কিৰিষি বিষয়খানি এহেন্তে কৰন্ত ।
আসকতি নাই তাত পৰম মহন্ত ॥
আছিলন্ত তেন্তে পত্নী যম ঘৰে গৈলা ।
ভাৰ্য্যাক লাগিয়া কিছু খেদ নকৰিলা ॥
দিলা আনি পাছে মোক বিত্ত এক সিকি ।
মই বোলো নালাগয় কড়ি কৰা বিকি ॥

তবে কড়ি লৈয়া ধান্য কিনিবে পাক্কিলো।
কৃষ্ণ কথা কহিবাৰ উপায় কহিলো।
আত্ম পৰ ভেদ নাহি সবাতে সমান।
আৰু সম নাহি মহা বুদ্ধিমন্ত আন॥

• •

আন সঙ্গে হইব ভক্ত অনেক ব্ৰাহ্মণ।
ৰাগ দ্বেষ শূন্য এন্তে মহন্ত প্ৰধান॥

"A Treatise ascertaining the correct sites of places, rivers and mountains of India as found in the Ramayan." By Rajanikumar Padmapati.

এই ইংৰাজী কিতাপখনত লেখি প্ৰমাণ কৰি দেখু-ৱাব খোজা কথাবোৰ প্ৰাচ্য আৰু পাশ্চাত্য পণ্ডিত সকলৰ দ্বাৰাই যদি গৃহীত হয়, তেন্তে পুৰণি ভাৰতৰ পুৰণিকলীয়া প্ৰাচীন ইতিহাস, ভূগোল ইত্যাদিৰ ধাৰণা ওলোটা-পোলোটা হব। কিন্তু হলেই বা আমাক সত্য হে লাগে। অসত্যৰ টান কৰাল, অনেক দিনীয়া পুৰণি হলেও সি এৰাই যাওক, তাত বেজাৰ নাই। সম্প্ৰতঃ কিতাপ লেখকৰ কথাবোৰ সম্প্ৰতি সৰ্ব্বসাধাৰণে উৰাই দিব; কিন্তু কোনে জানে, এনে দিন আহিব পাৰে, যেতিয়া সেইবোৰ সকলোৰে চকুত সত্যৰ জেউতি দি জিলিকিব আৰু তেতিয়া কিতাপনি পদ্মপতি আৰু বাঁহীৰ সম্পাদক এই ভূভাৰতত নাথাকিবও। কিন্তু তাতো দুখ নাই।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

# ৰূপৰ ভিখাৰী

সুপৰ বৰদত মোৰ চোতালত বহি
 ৰূপৰ ভিখাৰী আহি ধৰিছাহি গান;
সুন্দৰ আঙুলিকিটি তাঁৰত বুলাই
 জগত বলিয়া কৰি ধৰিছা কি তান?
ৰূপ ৰূপ বুলি বীণে তুলি দিছে সুৰ,
 ৰূপেই বিচাৰি ফুৰে ৰূপ জগতত;
নিজৰ ৰূপতে দেখো ভিখাৰী তোমাৰ
 ফুলে যেন গোলাপৰ পাহি চোতালত।
তুমিও বিচাৰি ৰূপ হইছা বিভোৰ,
 তোমাৰ ৰূপতে কত জঁয়পৰি গল।
বলিয়া বীণৰ শুনি ৰিনিনি ঐ ৰাতেই
 থন্তেকলৈ সুৰ ভুলি একেথৰে ৰল।
জগতখনতে তুমি বিচাৰিছা ৰূপ,
 তোমাৰ ৰূপকে কৰে কতজনে পান!
সুপৰত মযো আজি হইছো বলিয়া,
 তোলা দেৰা বিশ্বজিনা ৰূপ-গুণ-গান।

নিজৰ ৰূপেৰে মোহি জগতখনকে
 কি আনন্দ আজি তুমি কৰিছা ভিখাৰি?
তোমাকেই কোনোবাই ধৰি থব চাবা,
 আপোনাৰো গুণকেৰা নেযাবা পাহৰি।
বোৱা বীণ, বোৱা তুমি মোৰ চোতালত,
 মোৰ কিন্তু দিবলৈ একোটিকে নাই;
তথাপিও অনুৰোধ—নেযাবা আঁতৰি,
 সকলোটি পাহৰোৱা গান এটি গাই।
মাতিছো ভিখাৰী তোক চৰণত ধৰি,
 নাই বুলি দিবলৈ নেযাবি অ শুচি,
অইনতো নহলে মোৰ আছে চকুপানী,
 সকলোতেকৰি মোৰ চকুলোহে শুচি।
চাই থাকা, গাই থাকা, শুনি থাকো আজি
 ভিখাৰীৰ বীণে আজি কিনো কথা কয়,
নিজৰ ৰূপতে যেন মজি ভিখাৰীয়ে
 চলেৰে ঘোষিছে আজি নিজৰেই জয়।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা